
সম্পাদক.

ৰঙিয়া

# কলেজ আলোচনী

ইং ১৯৮৪-৮৫ চন

বছৰেকীয়া প্ৰকাশ

চতুৰ্দ্দশ সংখ্যা—


তত্বাৱধায়ক —
অধ্যাপক উমেশ চন্দ্ৰ গোস্বামী

সম্পাদক—
শ্ৰীসীমান্ত শালৈ

সম্পাদনা সমিতি ঃ
সভাপতি—শ্ৰীযুত নীলকান্ত মহন্ত, অধ্যক্ষ, বঙিয়া মহাবিদ্যালয়।
তত্বাবধায়ক—অধ্যাপক উমেশ চন্দ্ৰ গোস্বামী।
সম্পাদক—শ্ৰীসীমান্ত শালৈ।
সদস্যাবৃন্দ—সৰ্ব্বশ্ৰী দীপক দাস, ৰমেন দাস, জ্যোতিৰ্ময় কলিতা আৰু অধ্যাপক নৰেন্দ্ৰ কলিতা।

বেটুপাত
শ্ৰীপ্ৰণৱ দাস।

ব্যাখ্যা চিত্ৰ
শ্ৰীপ্ৰদীপ দত্ত।

অঙ্গ সজ্জা
দীপক-সীমান্ত

## কৃতজ্ঞতা জ্ঞাপন

অধ্যাপক ভবেন ডেকা, প্ৰাক্তন ছাত্ৰ তৰুণ শইকীয়া, প্ৰদীপ দত্ত, ৰবীন বৰ্মন, ছাত্ৰ বন্ধু দীপক ডেকা, ৰবীন কলিতা, কণক শৰ্ম্মা, মদন মোহন গোস্বামী, ৰমণী ৰাজবংশী, ৰকছেদ আহমেদ, কমল শালৈ, নৃপেন কলিতা, জুতিকা ডেকা, ৰুমী তালুকদাৰ আৰু মামণি কলিতালৈ।

'বঙিয়া কলেজ আলোচনী' সম্পাদনা সমিতিৰ হৈ—শ্ৰীসীমান্ত শালৈৰ দ্বাৰা প্ৰকাশিত-প্ৰচাৰিত আৰু চণ্ডী প্ৰেছ বঙিয়াত মুদ্ৰিত।

## ০—শ্বহীদ তৰ্পণ—০

শ্বহীদ তোমাক প্ৰণাম

"তেজ দিলা, প্ৰাণ দিলা,
ত্যাগ দিলা ডেকা বন্ধু
পুনু আহিবা, আহি যুজিবা,
যুজি জিকিবাই ডেকাবন্ধু।"

স্বদেশ আৰু স্বজাতিৰ অস্তিত্ব ৰক্ষাৰ
বাবে দেশজননীৰ চৰণত জীৱন উছৰ্গি,
ইতিহাসৰ জীৱন্ত সাক্ষী হৈ
যিসকল স্বজাতিৰ চিৰদিনৰ বাবে
প্ৰেৰণা কিম্বা আদৰ্শ হৈ ৰ'ল
সেই বীৰ-মহান শ্বহীদ সকললৈ
পৰাণৰ একাজলি শ্ৰদ্ধা নিবেদিছোঁ।

——

শ্বহীদ তোমাক প্ৰণাম

০ – শ্ৰদ্ধা অঞ্জলি – ০

প্ৰয়াত

প্ৰাণেশ্বৰ শৰ্ম্মা,

চন্দ্ৰ গোস্বামী,

প্ৰবীন ফুকন,

কমল নাৰায়ণ চৌধাৰী,

হৰিশ্চন্দ্ৰ সিং লাংগোৱাল,

প্ৰসন্ন লাল চৌধাৰী—

শ্ৰদ্ধা আৰু অশ্ৰু অঞ্জলি নিবেদি সকলোৰে আত্মাৰ চিৰশান্তি কামনা কৰিছোঁ।

## অৰ্পণ

এই সংখ্যা "বৰ্ডিয়া কলেজ আলোচনী" বিগত অসমান্দোলনত আত্মাহুতি দিয়া বৰ্ডিয়াৰ পঞ্চ-শ্বহীদৰ [শ্বহীদ বিনোদ শৰ্ম্মা, শ্বহীদ সুনন্দ শালৈ, শ্বহীদ যতীন কলিতা, শ্বহীদ মাধব গোস্বামী আৰু শ্বহীদ টঙ্কেশ্বৰ ডেকাৰ] পৱিত্ৰ স্মৃতি চিৰযুগমীয়া হোৱাৰ কামনাৰে এই পুণ্যাত্মা সকলৰ নামত অৰ্পণ কৰিলোঁ।

প্ৰীতি আৰু শুভেচ্ছাৰে—

............................................ লৈ আগবঢ়ালোঁ।

অভিনন্দনসহ –

সম্পাদক।

তাৰিখ –

জয় আই অসম

ৰঙিয়া

ক

লে

জ

আলোচনী

ৰঙিয়া মহাবিদ্যালয় ছাত্র সন্থাৰ বছৰেকীয়া মুখপত্ৰ।

চতুৰ্দ্দশ সংখ্যা

ইং ১৯৮৪-৮৫ চন

## এই সংখ্যাত

প্ৰৱন্ধ— দিনলিপিৰ এখিলা পাত (পৃঃ ৯) নীলকান্ত মহন্ত,
আধুনিক কবিতাত দুৰ্বোধ্যতা (পৃঃ ২০) বিজুলী চক্ৰৱৰ্ত্তী,
সুকবি নাৰায়ণ দেৱৰ দৃষ্টিত বেউলা (পৃঃ ২৫) নবেন্দ্ৰ কলিতা,
অসমৰ বিভিন্ন জনগোষ্ঠী আৰু সংহতি (পৃঃ ৩৮) মিন্টু শৰ্মা
ৰাষ্ট্ৰপতি ৺ ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণনৰ জীৱন দৰ্শন (পৃঃ ৪৮) ৺প্ৰাণেশ্বৰ শৰ্মা
অসমৰ পৰিবৰ্ত্তিত ৰাজনৈতিক পটভূমিত যুৱ-ছাত্ৰৰ ভূমিকা (পৃঃ ৬০) ৰামেশ্বৰ কলিতা

কবিতা—(পৃঃ ১ৰ পৰা ৮লৈ)
তোমাৰ শূণ্যতাৰ বাবেই— প্ৰণৱ দাস, দুটি কবিতা—চৈঃ খাইৰুল হুচেইন, সংহত সময়—অঞ্জলী দেৱী, আধামেলা দুৱাৰ— অমৰ কলিতা, তোমালোকৰ দৰেই—ৰমেশ ওৱাৰী, তুমি নুবুজিবা সখা— মিনতি প্ৰভা দাস, মোৰ চেতনাৰ পৰা—তিলক দাস, সেঁতু —দীপক ডেকা, তোমাৰ বাবেই —জ্যোৎস্না বেগম, এজাউৰি কবিতা —জ্যোতিৰ্ময় কলিতা, এজাক বৰষুণ অহা হলে— ৰমণী ৰাজবংশী,

গল্প —
মানসৰ ছবি (পৃঃ ২৮) চৈঃ নাজিমুদ্দিন আহমেদ,
কক্ষচ্যুত (পৃঃ ৪২) দীপক দাস
অপ্ৰকাশিত কবিতা (পৃঃ ৫৪) ৰমেন দাস

লগতে—O এটি সাক্ষাৎ কাৰ—অসম সাহিত্য সভাৰ সভাপতিৰ সতে।
O প্ৰশ্নোত্তৰ শিতান
O সম্পাদকীয়
O বিভাগীয় সম্পাদকৰ বছৰেকীয়া প্ৰতিবেদন।
O ইংৰাজী বিভাগ

# সম্পাদকীয়

O·········স্বাক্ষৰিত হ'ল ঐতিহাসিক অসম চুক্তি।·········ছাত্ৰ সন্থাৰ নেতৃত্বত জন্মপালে অসম গণ পৰিষদে। আঠত্ৰিশ বছৰীয়া শাসক বৰ্গৰ সীমাহীন ব্যাভিচাৰ, নিৰ্লজ্জ শাসন ব্যৱস্থা, জাতীয় জীৱনত প্ৰতি ক্ষণে বাম টাঙোন, সৰ্ব্বত্ৰ স্বেচ্ছাচাৰ ····আদি তিক্ত অভিজ্ঞতাৰে অসমৰ জনসাধাৰণে বহু আস্থা আৰু বহু আশাকে বাস্তবায়িত কৰিবলৈ জনালে স্বাগতম্ গণ পৰিষদক। আমাৰ বুলি ভাবিব পৰা চৰকাৰ এখন গঠন হ'ল।·· এতিয়া জনসাধাৰণৰ সেই আশাক, গণ-পৰিষদৰ নিৰ্ব্বাচন কালৰ প্ৰতিশ্ৰুতিক চৰকাৰ আৰু ৰাইজেই অনাগত দিনবোৰত কামৰ দ্বাৰা প্ৰতিফলিত কৰিব লাগিব। নতুবা········। স্বাৰ্থৰ এন্ধাৰত আমিও মুখ লুকুৱালে, লক্ষ্যৰ পৰা তিলমানো বিচলিত হ'লে লুইতৰ পাৰে পাৰে আমাৰ প্ৰতিটো খোজতে সজাগ প্ৰহৰী হৈ আজিও ৰৈ থকা ছশ-সাতচল্লিশজন শ্বহীদ আৰু তেনেই বহুজনক কৈফিয়ৎ দিবলৈ আমাৰ কি থাকিব বাৰু···· ? O

.... ... .... ... .... ... ... ... .... ... .... ... .... .... . .

.... .... .... .... .... .... .. ... .. ...

O·······সমন্বয়ৰ প্ৰতীক অসমীয়া জাতি। অসমৰ থলুৱা বিভিন্ন জনগোষ্ঠীৰ ক্ৰমানুসাৰে দিয়া আৰু লোৱাৰ মাজেৰে জন্ম হ'ল আজিৰ অসমীয়া ভাষা-সংস্কৃতিৰ। অসমীয়া ভাষা-সংস্কৃতি আমাৰ ঐক্য-সম্প্ৰীতিৰ স্বাক্ষৰ। সেয়েহে আমাৰ বাবে এই ভাষা-সংস্কৃতিৰ গুৰুত্বও সৰ্ব্বাধিক। অসমত এই ভাষা-সংস্কৃতিক লৈ সৃষ্টি হোৱা কোনো পৰিস্থিতিয়ে [ ভাষাৰ প্ৰশ্নক লৈ বৰ্ত্তমান বৰাক উপত্যকাত যিটো সমস্যা হৈছে ] আমাৰ কাৰো বাবে কাম্য নহয়। এয়া নিত্যান্তই দুৰ্ভাগ্যজনক। আবেগৰ আতিশয্যাত অথবা দলীয় ৰাজনৈতিক স্বাৰ্থৰ বাবেই এনে অবাঞ্ছনীয় পৰিবেশৰ সৃষ্টিৰে সম্প্ৰীতিত আঘাট কৰাৰ কু-প্ৰয়াস কৰিলে সময়ে কাকো ক্ষমা নকৰিব। ···অৱশ্যে অসমীয়া ভাষা সংস্কৃতিৰ এই ভেটি আৰু সুদৃঢ় কৰিবলৈ অসমীয়া ভাষা-সংস্কৃতিৰ লগে লগেই থলুৱা জাতি-জনজাতি সমূহৰ ভাষা-সংস্কৃতিৰ বিকাশৰ বাবেও আজি আমি প্ৰত্যেকেই সচেষ্ট হোৱাটো অতীব প্ৰয়োজনীয় হৈ পৰিছে। O

... ... ... ... ....

O ·· অসমৰ শতকৰা নৱৈজন লোক গাৱঁত বাস কৰে। এই লোকসকল অৰ্থনৈতিক ভাবে দুৰ্দ্দশাগ্ৰস্ত—কৃষিজীৱি। অসমৰ অৰ্থনীতিৰ কৃষিয়ে কেন্দ্ৰ বিন্দু। কিন্তু স্বাধীনতাৰ পৰৱৰ্ত্তী কাল

ছোৱাত কৃষিৰ উন্নয়ন কল্পে বিজ্ঞান ভিত্তিক আঁচনি গঢ় লৈ উঠা দেখা নগ'ল। ইয়াৰ বাবে জগৰীয়া চৰকাৰ। কৃষি খণ্ডক প্ৰাকৃতিক দুৰ্যোগৰ পৰাও আজিকোপটি ৰক্ষা কৰিব নোৱাৰাটোৱে চৰকাৰৰ অক্ষমতাকে সূচায়। কিন্তু ইয়াৰ বাবে এক বৃহদাংশ কৃষিজীৱি পৰিয়াল অনিশ্চিত-অন্ধকাৰ ভৱিষ্যত এটাৰ পিনে গতি কৰিছে। এক বহুলাংশই জীৱন ধাৰণৰ মৌলিক প্ৰয়োজনীয় খিনিবো অবৰ্ত্তমানত সদায়ে নিঃশেষ হৈ আছে। অথচ এই শ্ৰেণীটোৰ উন্নতিৰ অবিহনে দেশৰ প্ৰগতিৰ ধ্বজা উৰুৱাতো বাটুলতাহে মাথোন। দেশৰ আৰ্থ-সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক সৰ্ব্ব দিশৰে ভেটি স্বৰূপ এই কৃষিজীৱি, শ্ৰমিক শ্ৰেণীৰ উন্নতিৰ বাবে বিষ্ণুৰাভাৰ কথাৰে কৈছো — —"যদি অসমৰ দুখীয়া শ্ৰেণী মৰে, তেন্তে অসমীয়া জাতিও মৰিব : লগে লগে লয় পাব অসমীয়া কৃষ্টি-সংস্কৃতি, অসমীয়া সভ্যতা।" চৰকাৰে এই শ্ৰেণীটোৰ বাবে বাস্তৱ আঁচনি অতিশীঘ্ৰে লোৱা উচিত।

O .. ........ .. .. .... স্বাধীনোত্তৰ কালছোৱাত ভাৰতত শিক্ষিতৰ হাৰ ক্ৰমান্বয়ে উৰ্দ্ধমুখী হৈছে। কিন্তু এই শিক্ষাই প্ৰকৃততে শিক্ষিত কৰি তুলিবলৈ সক্ষম হৈছে নে? সেই শিক্ষাই ব্যক্তি অথবা সমাজৰ আশা-আকাংখা পূৰণ কৰিব পাৰিছেনে? আজি আমাৰ শিক্ষা ব্যৱস্থাত এজন ছাত্ৰই নকল কৰি অথবা দোকানৰ পৰা কিনি নিয়া নোটচ্ মুখস্থ কৰি খুউব ভালকৈ পৰীক্ষাৰ ফলাফল দেখুৱাৰ পৰাটো একো টান কথা নহয়। কিন্তু ইয়াৰ ফলত বাস্তৱিকতে কি ঘটিছে? প্ৰত্যক্ষ ভাবে নিৰক্ষৰতা আঁতৰ কৰাৰ বাহিৰে আমাৰ শিক্ষা ব্যৱস্থাই বৰ্ত্তমানে শিক্ষাৰ্থীসকলৰ কিমানখিনি উপকাৰ সাধন কৰিছে সেয়া চিন্তনীয় বিষয়। বৰ্ত্তমানৰ শিক্ষাই ব্যক্তি আৰু সমাজক পৰোক্ষ ভাবে যে ক্ষতি সাধন কৰিছে সেয়া অপ্ৰিয় হলেও অস্বীকাৰ কৰোতা নিশ্চয় নোলাব। এইবোৰ দিশত আজি চিন্তা চৰ্চাৰ বাৰুকৈয়ে প্ৰয়োজন।....।....

O.... ...অসমৰ জ্ঞাত-অজ্ঞাত সমূহ শ্বহীদলৈ শ্ৰদ্ধা আৰু অশ্ৰুৰে সুঁৱৰিছো—।

সামৰণিত সময়মতে আলোচনীখন প্ৰকাশ কৰি দিব নোৱাৰা বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। সম্পাদনা সমিতিৰ সদস্য বন্ধু কেইজনলৈ ধন্যবাদ জনালোঁ। বিশেষ ভাবে কৃতজ্ঞতা জনালো মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত নীলকান্ত মহন্ত দেৱক আৰু অধ্যাপক শ্ৰীযুত উমেশ গোস্বামী, অধ্যাপক শ্ৰীযুত নৰেন্দ্ৰ কলিতা দেৱক লগতে অশেষ ব্যস্ততাৰ মাজতো আমাক বিশেষ ভাবে সহায় কৰা মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক বন্ধু শ্ৰীদীপক দাসক।

জয় আই অসম

ইং ২৫।৭।৮৬ চন

# অসম সাহিত্য সভাৰ মেলামুখিতা ভাষা আৰু জাতীয়তাৰ কাৰণেও

**ৰঙিয়া কলেজ আলোচনীৰ আছুতীয়া সাক্ষাৎকাৰত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীযোগেশ দাস।**



[ সাক্ষাৎকাৰ গ্ৰহণত সম্পাদকক সহায় কৰে সম্পাদনা সমিতিৰ অন্যতম সদস্য জ্যোতিৰ্ময় কলিতা আৰু ৰমেন দাসে। সাক্ষাৎকাৰত উত্থাপিত আমাৰ প্ৰশ্নবোৰৰ লগতে শ্ৰীযুত দাসৰ উত্তৰ সমূহ হুবহু প্ৰকাশ কৰা হ'ল। সাক্ষাৎকাৰ শ্ৰীযুত দাস সাহিত্য সভাৰ সভাপতি হৈ থাকোতে লোৱা।
সম্পাদক ]

আমাৰ প্ৰশ্ন :—আপোনাৰ সাহিত্যিক জীৱনৰ পাতনি কেতিয়াৰ পৰা আৰু এই ক্ষেত্ৰত আপুনি অইন কাৰোবাৰ পৰা প্ৰেৰণা পাইছিল নেকি?

দাসৰ উত্তৰ : চতুৰ্থ মান শ্ৰেণীত পঢ়ি থাকোঁতেই মই লিখিবলৈ ধৰোঁ। অৱশ্যে তাক প্ৰকৃত অৰ্থত কেতিয়াও সাহিত্য বুলিব নোৱাৰি। অসমীয়া উপন্যাস সাহিত্যৰ এজন কম খ্যাত লিখক ৺দণ্ডীধৰ সোণোৱালৰ "মইনা" নামৰ এটি সৰু ল'ৰাৰ দুখময় জীৱনৰ কাহিনীটোৱে সৰুতে মোক অভিভূত কৰিছিল। তেতিয়াই (১৯৩৫-৩৬ চন?) লিখিবলৈ ইচ্ছা এটা প্ৰথমে জাগে।

আঃ প্ৰশ্ন : যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাস, কাব্য, নাট্য আৰু গল্প সাহিত্যত কিবা পৰিবৰ্ত্তন দেখা দিছে নেকি? যদি দেখা দিছে পৰিবৰ্ত্তনবোৰ কেনে ধৰণৰ?

দাঃ উত্তৰ :—যুদ্ধোত্তৰ যুগত সাহিত্যৰ সকলো অঙ্গতে ৰোমাণ্টিক সাহিত্যৰ ধাৰালৈ বহুত পৰিবৰ্ত্তন আহে। জীৱনৰ জটিলতাৰ ব্যাখ্যা, সামাজিক সচেতনতা,

সমস্ত বিশ্বৰ পটভূমিৰ অনুভৱ, মনোবিশ্লেষণধৰ্ম্মী প্ৰচেষ্টা, নতুন নতুন প্ৰকাশ ভঙ্গী আৰু কল্পচিত্ৰৰ প্ৰয়োগ এইবিলাক পৰিবৰ্ত্তনেই এই যুগৰ সাহিত্যত দেখা দিয়ে।

প্ৰশ্ন :—সাম্প্ৰতিক বিশ্ব সাহিত্যৰ ক্ষেত্ৰত স্থান পাবলৈ অসমীয়া সাহিত্যিকে কি ধৰণৰ চেষ্টাত ব্ৰতী হোৱা উচিত বুলি আপুনি ভাবে? তেনেকুৱা চেষ্টা কোনো সময়ত ফলৱতী হব বুলি আপুনি ভাবেনে?

উত্তৰ :—বিশ্ব মানৱে আপোন বুলি অনুভৱ কৰিব পৰা সাহিত্য অসমীয়া ভাষাত সৃষ্টি কৰিব পাৰিলেই এই কাম কৰা হৈ যাব। এই কাম কিছু কিছু কৰা হোৱা নাই এনে কথা নহয়। আমাৰ সাহিত্য বিশ্বৰ বিভিন্ন ভাষালৈ অনুদিত হৈছে আৰু তাক সেই ভাষাৰ লোকে পাঠ কৰিছে। অসমীয়া মানুহৰ কথা জাতীয় আৰু সাংস্কৃতিক বাস্তৱতাৰে প্ৰকাশ কৰিব পাৰিলেই বিশ্বৰ পাঠকে তাক আপোন কৰি লব। এই কাম নিশ্চয় কৃতকাৰ্য্যতাৰে কৰিব পৰা হয় বুলি মই ভাবোঁ।

প্ৰশ্ন : অসম সাহিত্য সভাৰ সভাপতি হিচাপে অসমীয়া সাহিত্যৰ কি কি সমস্যা আপোনাৰ চকুত পৰিছে? সেইবোৰৰ সমাধান কল্পে অসম সাহিত্য সভাই কি কি ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব?

উত্তৰ : সাহিত্য সভাত নেথাকিলেও কব পাৰোঁ যে আগৰ প্ৰশ্নোত্তৰত কোৱা ধৰণৰ কামলৈ আমি ভালদৰে মনোনিবে কৰা নাই। জীৱন সম্বন্ধে গভী উপলব্ধি আমাৰ মাজত কম। ইয়া কাৰণে বিস্তৃত অধ্যয়ন আৰু সাধনা আৱশ্যক। জাতীয় চেতনাৰ পৰা এই সমাধানৰ উদ্ভৱ হব লাগিব। অসমীয়া সাহিত্যৰ উন্নতিত সহায় হবলৈ কিতাপ-পত্ৰৰ প্ৰচলন এতিয়াতকৈ বহুত বেছি হব লাগিব। কাকত পত্ৰৰ প্ৰচলন বাঢ়িছে, কিন্তু পাতলীয় ৰচনাৰ প্ৰতিহে আকৰ্ষণ বেছি। গভীৰ আৰু চিন্তাশীল ৰচনাৰ প্ৰচলনো বৃদ্ধি হব লাগে। সাহিত্য সভাই আৰ্থিক সচ্ছলতা লাভ কৰিলে নিশ্চয় পূৰ্ব দৰেই এই দিশত বৰঙণি যোগা পাৰিব।

প্ৰশ্ন : অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই মন্তব প্ৰকাশ কৰিছিল যে সাহিত্য সভাই কিছুমান অমূল্য বিদেশী গ্ৰন্থ অসমী য়ালৈ অনুবাদ কৰি অসমীয়া সাহি ত্যিক তথা পাঠক সমাজক দিলে যথেষ্ট উপকৃত হব। এই কাম সাহিত সভাৰ নেতৃত্বত কিমানদূৰ আগ বাঢ়িছে আৰু ইয়াৰ দ্বাৰা অসমীয়া সমাজ তথ পাঠকসকল কি ভাবে উপকৃত হব?

উত্তৰ : অৰ্থাভাৱত এই ধৰণৰ আঁচনি সাহিত্য সভাই হাতত লোৱা নাই। কামতে কৰিব পাৰিলে নিশ্চয় ভাল হব কাৰণ বিশ্বৰ বিভিন্ন ভাষাত কি বি



ভাল সাহিত্যৰ সৃষ্টি হৈছে তাৰ সন্ধান অসমীয়া মানুহে নিজৰ ভাষাতে পঢ়ি লব পাৰিব। আজিৰ যুগত বিশ্বখনক মোৰ বুলিবলৈ প্ৰেৰণা যোগোৱাও হব।

প্ৰশ্ন :—ৰাজনৈতিক ক্ষেত্ৰত এক আমূল পৰিবৰ্ত্তন ঘটাবলৈ হলে সাহিত্যিক সকলে কেনেকুৱা ভূমিকা লোৱা উচিত?

উত্তৰ :—কথাটো সহজ সাধ্য নহয়। ৰাজনৈতিক ক্ষমতা আজিকালি নানান প্ৰকাৰে হস্তগত কৰি ৰখা হয়। তথাপি সৰ্ব্বসাধাৰণ মানুহৰ অন্তৰত সোমাব পৰাকৈ সাহিত্যৰ ৰচনা আৰু প্ৰচলন কৰিব পাৰিলে সামাজিক পৰিবৰ্ত্তন অনাত সহায়ক হব পাৰে। 'আঙ্কল মিছ কেবিন' – এ আমেৰিকাৰ কৃষ্ণাঙ্গ সকলৰ মুক্তি লাভত আৰু "মাদাৰ" উপন্যাসে ৰুছ শ্ৰমিক ৰাইজৰ অৱস্থাৰ পৰিবৰ্ত্তনত সহায় কৰিছিল বুলি বিশ্বাস কৰা হয়।

প্ৰশ্ন : লেখকৰ সামাজিক দায়বদ্ধতা বুলিলে আপুনি কি বুজে? এই ক্ষেত্ৰত অসমীয়া লেখক সকলে কেনেধৰণে সামাজিক দায়বদ্ধতা পালন কৰি সাহিত্য চৰ্চা কৰিছে?

উত্তৰ :– সামাজিক দায়বদ্ধতা কথাষাৰৰ পৰা প্ৰথমতে দলীয় ৰাজনীতিক বাদ দি লৈহে কিবা কোৱা ঠিক হব। সমাজৰ প্ৰতি দায়িত্ব সকলোৰে আছে। লেখকৰো আছে। কিন্তু সাধাৰণ মানুহে সকলো সময়তে সমাজৰ কল্যাণৰ কথা ভাবি থাকিব নোৱাৰে। লেখকে কিন্তু যেতিয়াই লিখে তেতিয়াই এই কথা মনত ৰাখিবই লাগিব। সেই বাবে লিখা কামটো এটা বৰ ডাঙৰ দায়িত্বপূৰ্ণ কাম। কিছুমান অসমীয়া লিখকে ধন ঘটিবলৈ বা কেৱল চখতে কিতাপ-পত্ৰ লিখে। তেওঁলোকৰ কথা এৰিলে বাকীসকলে সমাজৰ কথা পাহৰি নেযাই বুলিয়ে মোৰ ধাৰণা।

প্ৰশ্ন :- বৰ্ত্তমান অসমৰ বজাৰত কবিতা, প্ৰবন্ধ, গল্প আৰু আন আন সাহিত্যিক সামগ্ৰীৰে যি সাহিত্য সৌধ নিৰ্মাণ হব ধৰিছে তাৰ দ্বাৰা সামগ্ৰীক ভাবে অসমীয়া জাতিৰ জাতীয় চেতনা উদ্বুদ্ধ হোৱা বুলি আপুনি ভাবেনে?

উত্তৰ : একেবাৰে নাই হোৱা বুলি কব নোৱাৰি। অৱশ্যে খুব উন্নত ধৰণৰ জাতীয় সাহিত্যৰ সৃষ্টি হৈছে বুলি কোৱা টান। হয়টো সময় যোৱাৰ লগে লগে চেতনাই এটা শুদ্ধ আৰু গভীৰ ৰূপ গ্ৰহণ কৰিব, আৰু তেতিয়া তেনে সাহিত্য ওলাব পাৰে।

প্ৰশ্ন : প্ৰতি বছৰে অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ অধিবেশনখন মেলামুখী হোৱা বুলি কিছুমান মানুহে মন্তব্য কৰে। এই ক্ষেত্ৰত সাহিত্য সভাৰ পুঁজিৰে বিভিন্ন লেখকৰ অপ্ৰকাশিত সাহিত্য ৰাজিৰ প্ৰকাশ আৰু অসমীয়া ভাষা প্ৰচলন নোহোৱা অসমৰ বিভিন্ন ঠাইত অসমীয়া ভাষা-সাহিত্যৰ প্ৰচলনৰ

আঁচনি ললে কেনেকুৱা হয় ?

উত্তৰ: মেলামুখী হোৱাটো সাহিত্য সভাৰ বাৰ্ষিক অধিবেশনৰ প্ৰকৃতিয়েই। ইয়াক বন্ধ কৰিব নোৱাৰি। কেৱল সাহিত্যৰ কাৰণেই লাখ লাখ মানুহৰ সমাগম বাৰ্ষিক অধিবেশনত নহয়। ভাষা আৰু জাতীয়তাৰ কাৰণেও হয়। ভাষা আৰু জাতিৰ গৌৰৱ অনুভৱ কৰিব পৰা অন্য কোনো ডাঙৰ অনুষ্ঠান অসমত নাই। তথাপি কিছু ধন ৰাহি কৰি সাহিত্য প্ৰকাশ আৰু ভাষাৰ প্ৰচাৰত ব্যয় কৰিব পাৰিলে বেয়া নহয়। পিছে অধিবেশনৰ ধন সকলোখিনি অভ্যৰ্থনা সমিতিয়েহে সংগ্ৰহ আৰু ব্যয় কৰে।

প্ৰশ্ন:—অসমীয়া আধুনিক কবিতা দুৰ্বোধ্য বুলি প্ৰায় শুনা যায়। এই অভিযোগ সঁচানে? আপোনাৰ আধুনিক কবিতা সম্পৰ্কে ধাৰণা কি ?

উত্তৰ:—ভাল কবিতা কেতিয়াও দুৰ্বোধ্য হব নোৱাৰে। জীৱনৰ জটিলতা সম্বন্ধে অসমীয়া কবি সকল ক্ৰমাৎ বেছি সজাগ হৈ আহিছে। সেই কাৰণেই তেওঁলোকৰ কবিতাও আগতকৈ জটিল হৈছে। দ্বিতীয় বিশ্বযুদ্ধৰ কিছু আগৰে পৰা এই জটিলধৰ্মিতা দেখিবলৈ পোৱা যায়।—প্ৰথম অৱস্থাত নতুন প্ৰচেষ্টাৰ মাজত হয়তো জটিলতা ফুটাই তুলিবলৈ যাওঁতে কিছু অসুবিধাই দেখা দিছিল। সেই কাৰণেই বহুত কবিতা দুৰ্বোধ্য যেন লাগিছিল। কিন্তু আজিকালি নকল আৰু অনুকৰণৰ কথা বাদ দিলে —দুৰ্বোধ্যতা নোহোৱা হৈ আহিছে বুলি কব পাৰি।

প্ৰশ্ন: আপোনাৰ দৃষ্টিত বৰ্ত্তমান উঠি অহা নবীন অসমীয়া সাহিত্যিকসকল ভবিষ্যতৰ সম্ভৱনাৰে পৰিপূৰ্ণ নে ?

উত্তৰ: নবীনসকল সদায়েই সম্ভৱনাৰে পৰিপূৰ্ণ। অধ্যয়ন আৰু অনুশীলন চলাই থাকিলে, তদুপৰি ক'লাত্মক আবেদনৰ কথালৈ আওঁকাণ নকৰিলে, আমাৰ এতিয়াৰ নবীন সাহিত্য সেৱী চামে নিশ্চয় আমাৰ দিনতকৈ উন্নত সাহিত্যৰ সৃষ্টি কৰিব পাৰিব।

———






তোমাৰ বুকুৰ বসেৰে বং বোলোৱা
    প্ৰেমেৰে হৃদয় জুৰুৱা
সেই দিনবোৰ, মনত আছেনে ?
    ঠিক চাবি বাজিছিল (!)
তুমি কৈছিলা,—"আজিলৈ থাকক কাইলৈ।"
    আৰু তুমি (!)
প্ৰেৰণাৰ স'তে পাঁচটি আধৰুৱা কবিতা লিখি
তুমি যোৱা ট্ৰেইনখনৰ ধোঁৱাবোৰ দেখিছোঁ।
    শূণ্যতাৰ আৰ্ত্তনাদ প্ৰাচীৰবোৰে

তোমাৰ কথাৰে মোক ভাগৰুৱা কৰে.
এটি সমাধান নোহোৱা "ইকোৱেশ্বনেৰে" ।
তোমাৰ মনত আছেনে ?
ঠিক চাবি বাজিছিল ( ! )
তুমি যে মোক শাৰীটি "কাৰেক্‌শ্বন" কৰি দিছিলা (!)
এইযে;--"Economics should be allowed
to make valued judgment about
the ends of human activity."
মনত ( পৰিছেনে ? ) পৰেনে ?
আৰু কৈছিলা,-- "আজিলৈ থাকক কাইলৈ ।"
অৰ্ধস্ফুটিত হাঁহিৰে দিয়া উচ্ছাস মোৰ
মনৰ মাজত প্ৰেৰণাহৈ জ্বলে,
মাথোঁ ষ্টেচনৰ ৰঙা সংকেতটিৰ স'তে ।

[ ৺হৰেন দাসদেৱৰ পবিত্ৰ স্মৃতিত ]

০০০

॥ দুটি কবিতা ॥

চৈয়দ থাইৰুল হুচেইন ।

## [১] প্ৰতিশ্ৰুতি ঃ

একো ভয় নাই বন্ধু
তোমাৰ লগত আমিও সংগ্ৰামী
কলিজাৰ তেজেৰে ধুই
নিকা কৰিম এই মাতৃভূমি ।

## (২) বান আকৌ আহিব কিজানি ঃ

সিহঁতৰ মগজুত
খুন্দিওৱা নাই এতিয়াও
শোষিত জনতাৰ মুক্তিৰ চিন্তা
ভূমিকম্পই কপাইছে মাথোন
শিলাময় হৃদয়খনি—
"বান আকৌ আহিব কিজানি !"

০০০



# সংহত সময়

অঞ্জলী দেৱী

আমাৰ জীৱন জোৰা
শ্ৰমৰ বিনিময়ত
দিনৰ পিছত দিন
পাওঁ যন্ত্ৰণা:
যন্ত্ৰণাৰ কাইটৰ আঁচোৰ
আমাৰ গাত।
ৰক্ত ভঙাৰ গান
এতিয়া আমাৰ কণ্ঠস্থ,
জানো;
হেৰাই যোৱা দিনবোৰ উভটি আহিব ।
আমি ঐক্যবদ্ধ--
সময় সংহত ।

:০০:

# আধামেলা দুৱাৰ ঃ

অমৰ কলিতা

এখন অৰ্ধমেলিত দুৱাৰ
বহুজন বহুবাৰ আহিছিল ওচৰলৈ,
তেওঁলোক আটায়ে ভিতৰ সোমাই
হয়টো জানিব খুজিছিল বহু ইতিহাস ।
তেওঁলোক সোমাইছিল; অথচ সম্পূৰ্ণ নোসোমাওঁতেই
হয়টো থমকি উঠিছিল কোনো এক অজান আতঙ্কত
তাৰ পাছত আঁতৰি আহিছিল এটি এটি ক'ই ।

কিন্তু:--
কোনেও নুবুজিলে আৰু নাজানিলেও
দুৱাৰখনৰ সিপাৰে কিয়েইবা কৰিছে বহন,
তাৰ কোনো এক কৰুণ ইতিহাস ?
সেয়ে —
আজিও সি অৱহেলিত হৈয়ে আছে
কোনে জানে,- হয়তোবা সম্পূৰ্ণ মুক্তিৰ অপেক্ষাত !

## তোমালোকৰ দৰেই

ৰমেশ ওৰাবী।

তোমালোকৰ দৰেই অহোৰাত্ৰি অস্থিৰতা মোৰ ক্ষোভ
তোমালোকৰ দৰেই মাটি ভেদি ওলোৱা উচ্ছৃংখল যৌৱন মোৰ
বাৰে বাৰেই শীতৰ নাঙঠ ডাৱৰীয়া পৰিশোধিত হোৱাৰ পিছত
কুসুমিত দাসত্বৰ শাণিত অস্ত্ৰৰ বুকুত
বাৰে বাৰেই মই বিক্ষোভ সমাৱেশ।
তোমালোকৰ দৰেই বিহ্বল মোৰ অঙ্কুৰিত উচ্ছলিত উন্মোচন
তোমালোকৰ দৰেই বুকু মোৰ অপৰিমেয় অপবাহ
বাৰে বাৰেই অন্ধকাৰৰ পাছতেই সূৰ্য্যস্নাত উজ্বল প্ৰভাত
শান্তিৰ মিছিল শপতত অন্তঃসত্ত্বা মই ছন্দোময় প্ৰাণ।
তোমালোকৰ দৰেই নিদ্ৰাহীন প্ৰকম্পিত হৃদয় মোৰ
তোমালোকৰ দৰেই ক্লান্তি আৰু পিয়াহত আতুৰ বিদ্ধ বুকু
একেদৰেই বছৰ বাগৰি যোৱা ঢৌত অৰ্ধমৃত প্ৰান্ত।
বাৰে বাৰেই মোৰ বুকুৰ পৰা জাগৰিত জীৱন ভৰা অংগীকাৰ
উৰ্দ্ধত মই উন্মুক্ত, সন্মুখ শাৰীৰ যুগ-যুগান্তৰ প্ৰেৰণা।
তোমালোকৰ দৰেই থৰক-বৰক সমদৰ্শিতা আৰু ভাৱসাগৰ লুকা-ভাকু খেলাৰ আ[...]
তোমালোকৰ দৰেই মই মাজনিশা সাৰ পাওঁ
বাৰে বাৰেই ধ্বংসস্তুপৰ মৰিশালি
খান্দি উলিওৱা মানুহৰ লুপ্ত অধ্যায় মই
আৰু এয়ে মোৰ চকুযুৰিত জুমখাই পৰা বিক্ষোভৰ ৰক্তাক্ত পৰিক্ৰমা।
তোমালোকৰ দৰেই অহোৰাত্ৰি অস্থিৰতা মোৰ ক্ষোভ
তোমালোকৰ দৰেই মাটিভেদি ওলোৱা উচ্ছৃংখল যৌৱন মোৰ।

—OO—






মিনতী প্ৰভা দাস

কল্পনাৰ পাখী মেলি
উৰি ফুৰা মোৰ মন
কি ডোলেৰে ৰাখিম বান্ধি?
অহৰহ হৃদয় তন্ত্ৰীত
বাজি আছে সশব্দে
বিষাদৰ করুণ ৰাগিনী।
তুমি নুবুজিবা সখা—
নুবুজিবা সেয়া কি সুৰ?
ভগা বীণত চিগা তাঁৰৰ
সেয়া সখা ৰাগিনী মধুৰ।
সুৰ সমলয়ৰ সেয়া
মাথো এটি ঐক্যতান
তুমি শুনিছানে বাৰু
সেই সুৰ সমলয়ে
নিতৌ কাক কৰে আৱাহন??
তুমি দেখিছানে বাৰু সখা—
সেয়া কি পূণ্য তপোৱন
য'ত পৰি বুল বুলে অহৰ্নিশে
মিলনৰ গাই জয়গান।
তুমি নুবুজিবা সখা—
বুজিও নুবুজা ভাওঁ লোৱা
কাতৰ স্বৰৰ সেই অস্ফুট—
ৰাগিণীবোৰৰ মাথো
তুমি নীৰৱ শ্ৰোতা হোৱা।
কোৱাচোন প্ৰিয় সখা—
কাহানি তুমি ল'বা
বকুলৰ তলসৰা ফুল?
কাহানি গাঠিবা মালা
চেনেহ জৰীৰে বাৰু
চিত মোৰ কৰি বিয়াকুল??

— o —

## মোৰ চেতনাৰ পৰা —মোৰ চেতনাৰ পৰা

তিলক দাস

পাপবোধ যদি  নেথাকে মনত
লাগে জানো জীৱন সুন্দৰ,
বনৰীয়া ফুলৰ সুবাসত হৃদয় ভৰিলেও
সেই ক্ষণ পলৰীয়া।
স্বাৰ্থৰ মকৰা জালত
ওলমি ৰয় মানুহৰ সততা
সেয়ে মনৰ মাজত জমা হয়
মাথো কলুষতাৰ আৱৰ্জনা
তথাপি মানুহৰ অন্তৰৰ মাজত থাকে
অমৃতৰ সুবাস;
যি সুবাসে দিয়ে বহুতকে
জীয়াই থকাৰ উচ্ছাস।

* * * *

## সেঁতু

দীপক ডেকা।

সিহঁত আগবাঢ়ি আহে—
অতীতৰ হাঁ-হুমুনিয়াহ,
দুখ-বেদনাবোৰ গৰকি
বৰ্ত্তমানৰ নিৰাশাৰ ফাঁকে-ফাঁকে
আশাবোৰত ভেজা দি—
অনাগত ভৱিষ্যত
উজ্বল, ৰঙীন, সুন্দৰ
কৰাৰ প্ৰয়াসেৰে।

****






মোৰ ভাববোৰ
মোৰ কবিতাবোৰ
তোমাৰ বাবেই--।
তোমাৰ হুমুনিয়াহবোৰ,
মোৰ কলিজাত ঠেকা খাই
আলোড়িত কৰে
হৃদয়ৰ নিভৃত কোণত
এটি বিপ্লবী সুৰ।
কৈশোৰত আছিল
তীব্ৰ যন্ত্ৰণা--
যৌৱনত উদ্গীৰিত জ্বালামুখী।
টোপনি ভাগে--
তোমাৰ হাতুৰীৰ শব্দত।
প্ৰাতঃ ভ্ৰমণৰ মধুৰতা
বোধহয় প্ৰতাৰণা--
যেতিয়া দেখো তুমি গৈছা
পথাৰলৈ-- নাঙল আৰু কোৰ ল'ই
বিজুলীঃবিচনীৰ বাঁ।
বোধহয়-- উত্তপ্ত লাভা
তোমাৰ মূৰৰ ঘামবোৰ—
মোৰ ডিঙিত মেৰাই ধৰে—
যেন এটি ফেঁটীসাপ।
মোৰ সান্ধ্য ভ্ৰমণ--
সেয়ে গাঁৱলৈহে
আৰু—
মই নিতে মুখৰিত কৰিম
তোমাৰ বাবেই
আকাশে বতাহে
তোমাৰেই জয়গান।

০ ০ ৫ ০ ০

## এজাউৰি কবিতা

জ্যোতিৰ্ময় কলিতা

[১] ব্যৰ্থ উপভোগী সি
অৰ্থত
তাৰ চৈধ্যতা সন্তান।
[২] সূৰ্য্যৰ ৰশ্মিৰ প্ৰখৰতাক নেওচি
সি হাত মেলে সূৰ্য্যলৈ
ৰুটি এখনৰ আশাত।
[৩] গছৰ পাতে
তাৰ শৰীৰ ঢাকিব পাৰে নেকি
তাৰ উৎকট চিন্তাত?
[৪] মেঘৰ গাজনিত
তাৰ
ভগা পঁজা কঁপে
ধুমুহাৰ ভয়ত।
[৫] কেইদিনমান পিছত
মৃত্যুৰ তালিকাত আৰু এজন;
অনাহাৰত।

—০—



## এজাক বৰষুণ অহা হলে

শ্ৰীৰমণী ৰাজবংশী

ফাগুনৰ পচোৱাজাকে
থানবান কৰি যোৱা
মোৰ ফুলনি ড'ৰাৰ
ডালে ডালে
পাতে পাতে
জীৱনৰ সেউজীয়া বোল
ছটিয়াবলে'
এজাক বৰষুণ অহা হলে! ....
মোৰ মনাকাশৰ
শুকুলা মেঘৰ
আঁৰে আঁৰে
লুকাই থকা জোনালীজনীয়ে
দিলেহেঁতেন কিজানি
ছটিয়াই বং একাজলি
সেই ফুলৰ পাহে-পাহে
তুলিবলৈ নিষ্প্ৰাণ জীৱনলৈ' মোৰ বসন্তৰ স্পন্দন
এজাক বৰষুণ অহা হলে ... !
মৰহি শুকাই যোৱা
মোৰ হিয়াই
বসন্তৰ কুঁহিপাতে পাতে
বুটলিলেহেঁতেন
পাৰহে যোৱা
বহু নিশাৰ সপোন
দিঠকত হাতে হাতে
জীৱনৰ বাটে বাটে।

—০—

# ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা

কাৰ্য্যকাল : ইং ১৯৮৪-৮৫ চন



বহি বাওঁ ফালৰ পৰা—শ্ৰীদীপক দাস ( সাধাৰণ সম্পাদক ), অধ্যাপক নৱেন্দ্ৰ কলিতা ( তত্বাৱধায়ক ), অধ্যাপক ভবেন ডেকা, ( তত্বাৱধায়ক ). অধ্যাপক উমেশ গোস্বামী ( তত্বাৱধায়ক ), শ্ৰীযুত নীলকান্ত মহন্ত (অধ্যক্ষ, সভাপতি), অধ্যাপক গদাধৰ ফাটোৱালী ( উপ-সভাপতি ), অধ্যাপক ফায়াজুল হক ( তত্বাৱধায়ক ), চান মহম্মদ ( সদস্য ), নেকিব আহমেদ ( সম্পাদক, খেল বিভাগ ), সীমান্ত শালৈ, ( সম্পাদক, কলেজ আলোচনী )।

থিয় হৈ বাওঁফালৰ পৰা—ৰামেশ্বৰ কলিতা ( সম্পাদক, সমাজ সেৱা ), মামনি কলিতা ( সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা ) অমূল্য নাৰ্জাৰী ( সম্পাঃ তৰ্ক-সাহিত্য ), আফজাল হুচেইন (সদস্য), খগেন কলিতা (সম্পাদক সাংস্কৃতিক), মতিউৰ ৰহমান ( সম্পাঃ ছাত্ৰ জিৰণি কোঠা ), বাহাৰুল ইছলাম ( সদস্য ), গিয়াছুদ্দিন আহমেদ (সদস্য), মদন গোস্বামী ( সদস্য ), ৰমণী ৰাজবংশী ( সদস্য )।

ফটোত দেখা নগ'ল— অধ্যাপিকা নিলীমা ডেকা ( তত্বাৱধায়িকা ), অধ্যাপক হীৰেন শৰ্মা (তত্বাৱধায়ক), অধ্যাপক চফিউদ্দিন আহমেদ ( তত্বাৱধায়ক )।

# ০····০দিনলিপিৰ এখিলা পাত০····০

শ্ৰীনীলকান্ত মহন্ত

সদৌ ভাৰত প্ৰাচ্যবিদ্যা সন্মিলন ( All
dia Oriental Conference) এক পণ্ডি-
সভা। তাহানি ইংৰাজী ১৯৬৫ চনতে
াহাটীত অনুষ্ঠিত উক্ত সন্মিলনত যোগদান কৰাৰ
বে পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্বনামধন্য
ক্তন জৱাহৰলাল নেহৰু অধ্যাপক ডঃ মহেশ্বৰ
ওগদেৱৰ উদ্‌গণিত এই সন্মিলনৰ সভ্য ভৰ্ত্তি
ৱাব সুযোগ পাওঁ যদিও নানা কাৰণত
ৰতৰ উন্নত বিশ্ববিদ্যালয়বোৰত নানা সময়ত
ষ্ঠিত হোৱা সকলোবোৰ অধিবেশনত যোগদান
ৰৰ নোৱাৰিলেও একাধিক অধিবেশনত
গদান কৰাৰ সুযোগ লাভ কৰি নিজকে
মানিছোঁ।

ইং ১৯৮৪ চনৰ ডিচেম্বৰ মাহৰ ২৮ তাৰিখৰ
। ৩০ তাৰিখলৈ গুজৰাটৰ আহমেদাবাদ
ানগৰীত অনুষ্ঠিত হ'বলগীয়া সন্মিলনৰ অধি-
শনৰ বাবে যথাসময়ত নাম ভৰ্ত্তিৰ আবেদন
ক মাচুল আদি পঠিয়াই দিওঁ; কিন্তু সেই
য়ত গুজৰাটত সাম্প্ৰদায়িক সংঘৰ্ষ চলি থকাৰ
ৰ এই অধিবেশন ইং ১৯৮৫ চনৰ নবেম্বৰ
হলৈ পিচুৱাই দিয়া হয়।

যথা সময়ত ৰেহাই মূল্যত ৰেলৰ ভাড়াৰ বাবে আৱশ্যকীয় প্ৰপত্ৰ (form) অভ্যৰ্থনা সমিতিৰ কাৰ্য্যালয়ৰ পৰা পোৱা হ'ল। বিগত "ধাৰৱাৰ" অধিবেশনত যোগদান কৰাৰ অভিজ্ঞতাৰে, অসমৰ পৰা কোন কোন পণ্ডিত যাব, কেতিয়া, কেনেকৈ যাব আদি অনেকবোৰ বিষয়ৰ ওপৰত খা-খবৰ লৈ জানিব পাৰিলোঁ যে অসমৰ পৰা সদ্যহতে জনামতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ জন-সংস্কৃতি বিভাগ (Department of Folklcre)ৰ ড' প্ৰবীন দাস, ড নবীন চন্দ্ৰ শৰ্ম্মা. প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীভগৱান চন্দ্ৰ মৰল প্ৰমুখ্যে গুৱাহাটীৰ পৰা অক্টোবৰ মাহৰ ৩০ তাৰিখে যাত্ৰা আৰম্ভ কৰিব। অৱশ্যে অসমৰ পৰা আৰু অনেকজন ব্যক্তিও যে উক্ত অধিবেশনলৈ যাব সেই কথাও মই নিশ্চিত ভাৱে জানিব পাৰিছিলোঁ। বিশেষকৈ বজিয়া মহাবিদ্যালয়ৰ ডঃ ফাইয়াজুল হক. গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মূৰব্বী অধ্যাপক ডাঃ নগেন্দ্ৰনাথ আচাৰ্য্য আদি সতীৰ্থৰ নাম এই ক্ষেত্ৰত উল্লেখযোগ্য।

সময়ত গুৱাহাটী ষ্টেচনৰ পৰা যাত্ৰা কৰাৰ

অৰ্থে ৰেহাই মূল্যৰ টিকট কিনা হ'ল যদিও, ৰঙিয়াৰ পৰা যাত্ৰা আৰম্ভ কৰাৰ সিদ্ধান্ত কৰি সংৰক্ষিত আসনৰ বাবে গুৱাহাটী ষ্টেচনত চেষ্টা কৰাৰ মূৰকত বিফল হোৱাৰ ফলশ্ৰুতিত ৰঙিয়া জংচনৰ নিৰ্দ্ধাৰিত সংৰক্ষিত আসনৰ 'কোটা'ৰ (quota) পৰা মই শুই যাব পৰা আসনৰ বাবে অনুৰোধ কৰোঁ। কাৰণ গুৱাহাটীৰ ষ্টেচন কাৰ্য্যালয়ে যাত্ৰাৰ এদিন আগলৈ নিৰ্দ্ধাৰিত সংৰক্ষিত আসনৰ বাবে মোক কোনো নিশ্চয়তা প্ৰদান কৰিব পৰা নাছিল, কিন্তু ৰঙিয়া ষ্টেচনৰ আসন সংৰক্ষণ বিভাগৰ বিষয়া শ্ৰীপদ্মৰাম দাসৰ চেষ্টাত পোৱা আসনৰ ব্যৱস্থা হৈ উঠে আৰু সেই ৰূপে ৰঙিয়াৰ পৰাই মই গাড়ীত উঠিম বুলি সতীৰ্থসকলক জনাই থ'বলৈ আৰু লগতে গুৱাহাটী ষ্টেচন কৰ্তৃপক্ষকো কথাটো কাণ চুৱাই থ'বলৈ যাত্ৰাৰ আগদিনাখন গৈ দেখিবলৈ পাওঁ যে গুৱাহাটী ষ্টেচনতো মোৰ বাবে ৰহি আৰু শুই যাব পৰা আসনৰ ব্যৱস্থা কৰি ৰখা হৈছে। এনেবোৰ সু-ব্যৱস্থাত মই ৰেল কৰ্তৃপক্ষৰ শলাগ নলৈ নোৱাৰিলোঁ। আৰু জনাই থলো যে গুৱাহাটীৰ পৰা মোৰ আসন সংৰক্ষিত হলেও ৰঙিয়াৰ পৰাহে মই গাড়ীত উঠিম। এইদৰেই দুই ঠাইৰ পৰাই বেলেগ বেলেগ ডবাত মোৰ বাবে আসন সংৰক্ষিত হৈ থাকিল।

আমাৰ টিকটত গুৱাহাটীৰ পৰা পোনে পোনে দিল্লী হৈ তাৰ পৰা আহমেদাবাদলৈ আৰু একে টিকটেৰে ঘৰমূৱা হোৱাৰ ব্যৱস্থা কৰা হৈছিল। সেইমতে ইং ১৯৮৫ চনৰ ৩০ অক্টোবৰ তাৰিখে আবেলি ২-৩১ মিনিটত দিল্লী মেইলখন ঠিক সময়তে ৰঙিয়া জংচনত প্ৰৱেশ কৰিলে। মেইলখন সময়মতে ৰঙিয়া জংচনত প্ৰৱেশ কৰাৰ লগে যাত্ৰীসকলৰ মাজত উঠা-নমাৰ বাবে হেতা লাগিল। তাৰ মাজতেই মই বিশেষ অ ভোগ নকৰাকৈ মোৰ নিৰ্দিষ্ট ডবা আৰু বিচাৰি বহি ল'লো। মোৰ সতীৰ্থসকল ডবা বা তেওঁলোকক বিচাৰি পোৱাৰ সু আৰু পোৱা নহ'ল। যাত্ৰাৰ সময়ত আগবঢ়াই থবলৈ অহা মোৰ জ্যেষ্ঠ ল'ৰা গৌতম মাজু ল'ৰা শ্ৰীমান ৰূপম আৰু সং আসনৰ বাবে আগধৰি বন্দোবস্ত কৰি শ্ৰীপদ্মৰাম দাসক বিদায় দিয়াৰ লগে মেইলখনে উকি দি মুহূৰ্ত্তৰ ভিতৰতে ক্ষিপ্ৰ গতি কৰিলে। অৱশ্যে ৰঙিয়া জংচনত কলেজৰ প্ৰাক্তন ছাত্ৰ আৰু ব্যৱসায়ী শ্ৰী চিত্তৰঞ্জন দাসো দিল্লীলৈ সহ-যাত্ৰী বুলি পাৰি একেলগে ৰেলত উঠিছিলোঁ। যদিও মা ভীৰৰ মাজত তেওঁ একেবাৰে হেৰাই গ আন এজন প্ৰাক্তন ছাত্ৰ শ্ৰীমান ৰমণী দাসে চিঞঁৰি চিঞঁৰি মোৰ সতীৰ্থসকল ডবাটো দেখুৱাই দিলে যদিও তালৈ মোৰ যে সময় নহল। মুহূৰ্ত্ততে গাড়ীয়ে তীব্ৰ গতি ল ডবাৰ ভিতৰত টিকট পৰীক্ষাকাৰী বি (T.T.E.) মই তিনিখলপীয়া আসনৰ ও নে তলত আসন গ্ৰহণ কৰিম সুধিলে। ক'লোঁ। যে ওপৰতেই ভাল হ'ব। দেখুৱাই লগে লগেই মই ওপৰ-খলপত বিছনা-পাতি লৈ লগতে যাৱতীয় বস্তু-বাহানি ঠিক-ঠাক লৈ তলৰ এঠাইত বহি লৈ বাহিৰৰ নয়নাভি দৃশ্যবাজি প্ৰাণভৰি উপভোগ কৰিবলৈ ধৰিলে গাড়ীৰ তীব্ৰ গতিত, বাহিৰৰ দৃশ্যবাজিয়ে ছবিৰ দৃশ্যবাজিৰ দৰে মুহূৰ্তে মুহূৰ্তে নৱ নৱ ৰূপেৰে দৃশ্যপট সলাই থাকিল। সহ-যাত্ৰী প্ৰাক্তন ছাত্ৰজন আৰু বিশ্ববিদ্যালয়ৰ সতীৰ্থসকলৰ পৰা আঁতৰি থাকিবলগীয়া হলেও মোৰ মনোজগতত এক সহজাত আনন্দৰ সৃষ্টি হ'ল। মনোজগতত এই পৃথিৱীৰ সকলো প্ৰিয়জনৰ পৰা আঁতৰি থাকিবলগীয়া হলেও সময়ত যে প্ৰৱল বানে, ৰিক্ত অঙ্কুল মুহূৰ্ত্ততে ওপচাই পেলোৱাৰ দৰে নিঃসঙ্গ জীৱনত প্ৰিয়জনৰ সঙ্গ মুহূৰ্ততে সম্ভৱ হৈ উঠে। এনেকুৱা অভিজ্ঞতা আগতেও অনেক সময়ত অনেক প্ৰসঙ্গত লাভ কৰিছিলোঁ। মুহূৰ্ততে দেখা পালোঁ। নিচেই ওচৰতে এক নৱ-দম্পতীয়ে নিজৰ একমাত্ৰ শিশুটিক নানা যত্নেৰে আহাৰ খুৱাব লাগিছে আৰু পুৰুষজনে মাজে মাজে মোলৈ চাই পঠিয়াইছে। ময়ো তেওঁলোকৰ যুগ্ম-জীৱনৰ এনে নিবিড়-যাত্ৰা আৰু এটি স্বাস্থ্যবান নৱজাত ল'ৰা সন্তানৰ সান্নিধ্য লাভ কৰি, তাৰ প্ৰতিপালনৰ দিহা কৰাৰ লগতে দম্পতীৰ মনৰ এক আপুৰুগীয়া উলাহত, তেওঁলোকৰ তেনে যাত্ৰাই মোৰ মনোজগতত অফুৰন্ত আনন্দৰ সৃষ্টি নকৰাকৈ থকা নাছিল। পুৰুষজনে মাজে মাজে মোৰ ফালে একোবাৰকৈ চাইছিল যদিও মুখেৰে হলে একো কোৱা নাছিল।

গাড়ীৰ গতিবেগ ইমানেই তীব্ৰ আছিল যে অতি কম সময়ৰ ভিতৰতে একো একোটি ডাঙৰ ষ্টেচন বা জংচন অতিক্ৰম কৰি গৈছিল। আবেলি ৫ বজাত নিউ-বঙ্গাইগাওঁ জংচন পোৱাৰ লগে লগেই বাহিৰৰ পৃথিৱীখন অন্ধকাৰত ডুব গ'ল। মোৰ আৰু বাহিৰৰ দৃশ্য-পট চোৱাৰ সৌভাগ্য কণো হেৰাই গ'ল। লগে লগেই ওপৰৰ বিছনাতে শুই পৰিলোঁ। নিশা ৭-৩০ মিনিটত ঘৰৰ পৰা সজাই নিয়া ৰুটী, আনুসঙ্গিক খাদ্য-সম্ভাৰ, লগতে এগিলাচ পানী খাই নিদ্ৰা দেৱীৰ কোলাত আশ্ৰয় ল'লোঁ।

ইং ৩১-১০-৮৫ তাৰিখে ৰাতিপুৱা ৫ বজাত পশ্চিম বঙ্গৰ বিখ্যাত মালদহ ষ্টেচনত গাড়ীখন ৰয়হি। হিচাপ কৰি দেখিলোঁ নিউ-বঙ্গাইগাওঁ জংচনৰ পৰা পশ্চিম বঙ্গৰ মালদহ ষ্টেচনলৈ দিল্লী মেইলত যাওঁতে পূৰা ১২ ঘণ্টা সময় লাগিল। মালদহৰ পৰা গৈ লাহে লাহে পশ্চিম বঙ্গৰ সীমা অতিক্ৰম কৰি বিহাৰত প্ৰৱেশ কৰিলোঁগৈ। শৰত কালৰ ৰাতিপুৱাৰ দৃশ্যবাজি অতি মনোৰম। মুখ-হাত ধুই যথা সম্ভৱ আচমনীয় কৰি ইষ্ট-দেৱতাৰ স্মৰণৰ অন্তত খিৰিকিৰ মুখত বহি ল'লোঁ আৰু আগদিনাৰ লেখীয়াকৈ বাহ্য-জগতৰ মনোৰম দৃশ্যবাজি চাই চাই গৈ থাকিলোঁ। বিহাৰ ৰাজ্যত প্ৰৱেশ কৰাৰ লগে লগেই অসম বা পশ্চিম বঙ্গৰ গছ-গছনি, মানুহ, জীৱ-জন্তু বা প্ৰাকৃতিক দৃশ্যৰ পট-পৰিৱৰ্তন হ'বলৈ ধৰিলে। ডাঙৰ ডাঙৰ বৃক্ষ, বাঁহ গছ, তামোল গছ আৰু আন প্ৰাকৃতিক দৃশ্যাৱলীয়ে মোৰ পৰা বহুদূৰ আঁতৰি গ'ল আৰু তাৰ ঠাইত তাল, খেজুৰ, সৰু সৰু ডুপুৰা গছ আৰু মাজে মাজে জীৰ্ণ-শীৰ্ণ-শুকান নৈ, জান-জুৰি আদি মোৰ দৃষ্টিত ধৰা পৰে।

ৰাতিপুৱা ৭-১১ বজাত বিহাৰৰ সাহেবগঞ্জ জংচন পাৰ হৈ গাড়ীখনে ৮-১০ বজাত ভাগলপুৰ চহৰত উপস্থিত হয়। ষ্টেচনত জনতাৰ অত্যন্ত ভীৰ। ল'ৰা-বুঢ়া, ডেকা-ডেকেৰী আৰু অনেক দম্পতীয়ে ঠেলা-হেঁচা কৰি ৰেলত উঠা-নমাৰ যি

দৃশ্য চকুত পৰিল তেহেলৈ ক'ব লাগিব জীৱনটোই এক সংগ্ৰাম। এইদৰেই গৈ গৈ ৯-৪৫ বজাত জামলিপুৰ আৰু দিনৰ দিনটো গৈ গৈ ৪-৪০ বজাত বহৰ চহৰ পাৰ হৈ গধূলি ৫-১৫ বজাত মোগল চৰাই জংচনত উপস্থিত হ'লো। মোগল চৰাই আৰু বেনাৰচ প্ৰায় একেখন ঠাইকে বুলি কব পাৰি; কেৱল মোগল চৰাই জংচনৰ মাজেৰে ব্ৰড্‌গজ লাইন পাৰ হৈ গৈছে। বেনাৰচলৈ যোৱা যাত্ৰীয়ে ইয়াতে নামি মটৰেৰে বা আন-বাহনেৰে ওচৰতে থকা সেই চহৰলৈ যায়। গধূলি ৫-২০ বজাত আমাৰ গাড়ীয়ে মোগল চৰাই এৰে আৰু নিশাৰ আন্ধাৰ ঠেলি ঠেলি ৮-০ বজাত এলাহাবাদ ষ্টেচনত ক্ষন্তেক সময়ৰ বাবে বিশ্ৰাম লয়। প্লেটফৰ্মত নামিয়েই সতীৰ্থসকলক বিচাৰি কাকো ক'তো দেখা নাপালোঁ। আগতে বন্দোবস্ত কৰি থোৱা মতে, লগ লাগিব বুলি কোৱা, বৰ্ড়িয়া কলেজৰ অধ্যাপক ড$^0$ ফাইয়াজুল হকক বিচাৰি চৌদিশে দৃষ্টি নিক্ষেপ কৰিলোঁ। যদিও ক্ষন্তেকতে গাড়ীয়ে উকি মাৰি তীব্ৰ গতি লোৱাত সকলো আশা জলাঞ্জলি দি ডবাৰ ভিতৰত প্ৰৱেশ কৰি নিজৰ নিৰ্দিষ্ট আসনত বহি নিশাৰ আহাৰ গ্ৰহণ কৰাৰ অন্তত শুই পৰিলোঁ। যদিও অন্তৰ-ৰাজ্যত তাহানি পঢ়া ইংৰাজ কবি ওৱাৰ্ডচ্‌ওৱাৰ্থ (Wordsworth)ৰ দৰে অতীত স্মৃতিয়ে ভূমুকি মাৰিবলৈ ধৰিলে। কিছু সময়ৰ পিছত মই টোপনিত লালকাল দিলো।

হঠাৎ সাৰ পালোঁ। জনতাৰ হুলস্থূল। হাত ঘড়ীলৈ চালোঁ। সাত বাজিছে। জানিব পাৰিলোঁ এতিয়া আমি দিল্লী ষ্টেচনত। প্লেটফৰ্মত নামি দেখোঁ আটাইবোৰ সতীৰ্থই এটিটৈকে হাত বাউলি দি মোৰ ওচৰলৈ আহিবলৈ ধৰিছে। অলপ সময়ৰ বিশ্ৰামৰ অন্তত নতুন দিল্লী ষ্টেচনৰ যাত্ৰীৰ জিৰণি কোঠালৈ আমি গতি কৰোঁ। নতুন দিল্লী ষ্টেচনৰ যাত্ৰীৰ জিৰণি কোঠাটো যে কিমান সুন্দৰ আৰু চাফ্-চিকুণ তাক ভাষাৰে বৃজাব নোৱাৰি। আমি আটায়ে গা-পা ধুই নিত্যকৰণীয় কৰ্ম কৰি চাহ-জলপান খাই পুনৰ দিল্লী ষ্টেচনলৈ গ'লোঁ। কাৰণ তাৰপৰা আহমেদাবাদলৈ পোনে পোনে গাড়ী ধৰিব লাগে। দৌৰা-দৌৰিকৈ দুখন ডাঙৰ অটোৰিক্সা লৈ পুৰণি দিল্লী ষ্টেচনৰ যাত্ৰীৰ জিৰণি কোঠালৈ গৈ যিসকলে স্নান কৰা নাছিল সেই সকলেও স্নান কৰি নিৰামিষ আহাৰ গ্ৰহণ কৰাৰ অন্তত এঘণ্টামান জিৰণি লোৱাৰ পিছতে আবেলি ৪ বজাত (ইং ১-১১-৮৫) 'জয়ন্তী এক্সপ্ৰেছ' গাড়ীত যাত্ৰা কৰি পিছদিনাখন অৰ্থাৎ ইং ২-১১-৮৫ তাৰিখে আবেলি ঠিক ৪ বজাত আহমেদাবাদ চহৰত উপস্থিত হওঁ।

গাড়ীৰে যাওঁতে আগদিনাখনৰ প্ৰায় ২ ঘণ্টা আৰু পিছদিনাখনৰ প্ৰায় ১২ ঘণ্টা কাল খিৰিকিমুখত বহি হাৰিয়ানা আৰু ৰাজস্থান ৰাজ্যৰ অনেক অঞ্চলৰ দৃশ্যবোৰ দেখি আনন্দ উপভোগ কৰি গৈ আছিলোঁ। আমাৰ গাড়ীখনে হাৰিয়ানা আৰু ৰাজস্থানৰ মাজেদি গতি কৰোঁতে সেই সেই প্ৰদেশৰ জলবায়ু, মাটি, পানী, গছ-গছনি তৰু-তৃণ, পশু-পক্ষী আৰু মানুহৰ জীৱিকা সম্পৰ্কে ব্যাপক অভিজ্ঞতা লাভ কৰিছিলোঁ। গৰু-ম'হবোৰ ডাঙৰ-দীঘল, শকত-আৱত আৰু মানুহবোৰো সেই ধৰণে ওখ আৰু বেছ স্বাস্থ্যৱান, লগতে কঠোৰ পৰিশ্ৰমী। অনুমান হয় যে কৰ্মই তেওঁলোকৰ জীৱন-সঙ্গী। অনেক ঠাইত চকুত পৰিল মুনিহ-তিৰোতা, ল'ৰা-ছোৱালী আটায়ে পথাৰত শ্ৰমৰত। হাৰিয়ানা আৰু ৰাজস্থানৰ জলবায়ু অসম বা পশ্চিম বঙ্গতকৈ সম্পূৰ্ণ বিপৰীত। ডাঙৰ বৃক্ষ, নাৰিকল, তামোল, গছ-গছনি ভৰা নৈৰ পানী একেবাৰে আমাৰ চকুত নপৰিল। মাজে মাজে মাথো জুপুৰা-জুপুৰি গছ, কোনো ঠাইত এটি নিজৰা আৰু শুকান তৃণময় ভূমি। সকলো ঠাই কেৱল বালিময়। ৰাজস্থানৰ শ শ মাইল ব্যাপি কেৱল বালি কঙ্কৰযুক্ত শিলাময় অঞ্চল দেখিলে হিয়া ফাটি যায়। জীৱিকাৰ বাবে মানুহৰ কি যে কষ্ট! প্ৰকৃতিৰ লগত যুঁজ কৰিয়ে সদায় বাসিন্দাসকলে জীৱন-ধাৰণ কৰিব লাগিছে। মাজে মাজে একোটি কুৱা আৰু চৰকাৰ কৰ্তৃপক্ষৰ পৰা যোগান ধৰা বৈদ্যুতিক যন্ত্ৰ চালিত নলী-নাদ আদিৰে পানী যোগান ধৰি কোনো কোনো ঠাই সেউজীয়া কৰি তোলা হৈছে। খেতিৰ ভতৰত গম, যৱ আলু, মাকৈ, এৰাগুটি, বাদাম, তিচি, নানা প্ৰকাৰৰ মাহজাতীয় শস্যৰ পথাৰ চকুত পৰিছিল। কাজি আঘোণ মাহতো ইমান খৰাং বতৰ আৰু ফলস্বৰূপে সেই অঞ্চল মৰুময় হলেও মানুহ বা পশু-পক্ষী আদিৰ স্বাস্থ্য অধিক উন্নত।

দিল্লীৰ পৰা আহমেদাবাদ চহৰ, মেইল গাড়ীত গ'লে ২৪ ঘণ্টাৰ পথ। গুজৰাট প্ৰদেশৰ মানুহৰ চাল-চলন, আচাৰ-ব্যৱহাৰ, জ্ঞান-গৰিমা প্ৰশংসনীয়। আহমেদাবাদ ষ্টেচনটো নতুন দিল্লী বা পুৰণি দিল্লীৰ দৰে, সুন্দৰ, অথচ দিল্লী চহৰৰ মাটি কালিতকৈ আহমেদাবাদৰ মাটিকালি অধিক। থকা-খোৱা, গা-ধোৱা সকলো বিষয়তে সু-ব্যৱস্থা বৰ্ত্তমান। আহমেদাবাদ এখনি মহানগৰী। সাগৰীয় বতাহে গোটেই নগৰ অহৰ্নিশে ধুৱাই থাকে। জলবায়ু আৰু পানীৰ বাবে মানুহৰ স্বাস্থ্য উত্তম।

আহমেদাবাদ ষ্টেচনত কিছুসময়ৰ বাবে আমাক জিৰাবলৈ দি অধ্যাপক ড$^0$ দাস আৰু ড$^0$ শৰ্মাই ওচৰতে থকা এখন বৈষ্ণৱ হোটেলত দুনিশাৰ বাবে থকা-মেলাৰ ব্যৱস্থা কৰিলে। পিছ মূহুৰ্ত্ততে আটায়ে ৰংমনে "অজন্তা বৈষ্ণৱ হোটেল"ত উঠিলোগৈ। ওপৰ মহলত থকা-খোৱা, গা-ধোৱা, কাপোৰ ধোৱাৰ সুন্দৰ ব্যৱস্থা। চাফ্-চিকুণ, পৰিষ্কাৰ-পৰিচ্ছন্ন। শ্যামচৰণ নামৰ মাৰোৱাৰী ল'ৰা এজনক আমাৰ আল-পৈচান ধৰিবলৈ নিয়োগ কৰা হৈছিল। নবেম্বৰৰ দুই তাৰিখে ৰাতিটো 'অজন্তা বৈষ্ণৱ হোটেল'ত কটাই পিছদিনা পুৱাই, আগদিনা গধূলি বন্দোৱস্ত কৰি থোৱা মতে এখন সৰু টেক্সী গাড়ী লৈ আমি আহমেদাবাদৰ পৰা "লোথল" নামৰ এখন ঠাইলৈ যাওঁ। পুৰাতত্ব বিভাগৰ দ্বাৰা খনন কাৰ্য্য কৰি এক উন্নত সভ্যতাৰ নিদৰ্শন বিচাৰি উলিওৱা হৈছে।

আহমেদাবাদ মহানগৰীৰ পৰা ৭ কি. মি. পথ পকী, পোন। পথৰ দুয়োকাষে নানা জাতীয় সৰু সৰু গছ, মাজে মাজে ধাননি, ঘেহু খেতি আদি দেখিবলৈ পালোঁ। ঠায়ে ঠায়ে গৈ থকোতে অনেকবোৰ ভেৰাৰ পাল, গৰু-ম'হৰ পাল, কোনো কোনো ঠাইত আকৌ উটৰ পাল, ছাগলীৰ পাল, কোনো ঠাইত আকৌ ম'ৰা চৰাইৰ জাক। জলবায়ু অতি স্বাস্থ্যকৰ। গা-মন জুৰ পৰি যায়।

ৰংমনে গৈ গৈ ৰাতিপুৱা ১০ বজাত লোথলত

উপস্থিত হওঁগৈ। ঠাইখন সৰু ; কিন্তু ঐতিহ্য মহান। সৌ মাত্ৰ কুৰি বছৰ আগতে আৱিষ্কৃত হোৱা ঠাইখনে গুজৰাটৰ ইতিহাসত এক নতুন আলোকপাত কৰিছে। খৃঃ পূঃ ৩০০০ চনৰো আগৰ হৰপ্পা আৰু মহেঞ্জোদাৰো সভ্যতাৰ নিদৰ্শনলৈ এই সভ্যতাই আঙুলিয়ায়। পুৰণি কালত এইখন এখন ধুনীয়া নগৰ আছিল। পুৰাতত্ত্ব বিভাগৰ দ্বাৰা খাণ্ডি উলিওৱা এখন সমৃদ্ধিশালী ঠাই। দেখিলোঁ গুৱাহাটীৰ দীঘলীপুখুৰীৰ দৰে আকৃতিৰ এটি ডাঙৰ পুখুৰী, পাৰকেইটি ইটাৰে গঁথা। ভূমিকম্প বা কোনো প্ৰাকৃতিক দুৰ্যোগৰ বাবে শ শ বছৰ হয়তো মাটিৰ তলত পোত খাই আছিল। সু-পৰিকল্পিতভাৱে গঢ়ি তোলা এই নগৰৰ বাট-পথ, পানীৰ কুৱা ঘৰ সমূহ, স্নানাগাৰ আৰু জুইশালেৰে সমৃদ্ধ। মন কৰিবলগীয়া কথা যে উক্ত পুখুৰীৰ পাৰত নগৰখন অৱস্থিত হ'লেও পুখুৰীৰ এটি পাৰৰ মাজেদি ৭ মিটাৰ বহল এটি সুঁতি ওচৰেদি বৈ যোৱা 'ভোগৱো' নামৰ নদীৰ জল সংযোজিত কৰাৰ স্পষ্ট ছবি জিলিকি আছে। সম্ভৱ সেই পথেদি নাৱিক বিলাকে এই অঞ্চলৰ মাল-বস্তু লৈ নদীয়েদি গৈ আৰব সাগৰৰ নাৱিকবিলাকৰ লগত বেহা-বেপাৰ কৰিছিল। ইয়াত এটি যাদুঘৰো (Museum) দেখিলোঁ। তাত নানা প্ৰকাৰ মোহৰ, তিৰোতাৰ অলংকাৰ-পাতি, মণি আৰু নিত্য ব্যৱহাৰ্য্য সামগ্ৰীও চকুত পৰিল। অনেকবোৰ অৱশ্যে মাটিৰে নিৰ্মিত। যাঁড় গৰু আৰু ঘোঁৰাৰ ছবি মহেঞ্জোদাৰো আৰু হৰপ্পাৰ দৰে একে। মাটিৰে গঢ়া ডিঙিৰ হাৰ, খাৰু, মাদুলিৰ সৈতে গলমণি, হাতী দাঁতৰ মণি, তামৰ, ৰূপৰ আৰু কোনো কোনো ক্ষেত্ৰত সোণেৰে গঢ়া অলংকাৰ-পাতি, নানা আকৃতিৰ বেজী, খাপৰ, বৰশী, বিয়াত ব্যৱহাৰ কৰা দাপোণ, চৰাই-চিৰিকতিৰ নানা আকৃতিৰ মূৰ্ত্তি, মাটিৰে গঢ়া ডাঙৰ ডাঙৰ হাতী, পাটকো, তাবিজ, শংখ, জন্তুৰ হাড়েৰে গঢ়া গজাল, মাটিৰে গঢ়া পানীৰ চাৰিকূট ওখ ডাঙৰ ডাঙৰ পাত্ৰ, অনেকবোৰ আকৌ ৰং কৰা, চিত্ৰ অঁকা লগতে অসমীয়া মানুহে ব্যৱহাৰ কৰা উঘা, চেৰেকি, টাকুৰী আদিও আৱিষ্কৃত হৈছে। আঙুঠি, নানা জন্তুৰ মাটিৰ মূৰ্ত্তি, জুখিবৰ কাৰণে দগা-পাল্লা, মানুহৰ নানা প্ৰকাৰ মাটিৰ মূৰ্ত্তি, লগতে শিলেৰে সঁজা ; নাওঁ আদি বান্ধিবৰ কাৰণে লঙ্গৰ (Anchor), যুগ্মভাৱে মতা-মাইকীৰ শুই থকা অৱস্থাৰ নৰকংকাল আদিও আৱিষ্কৃত হৈছে। অসমীয়া শৰাই, মাটিৰ চামুচ, মাটিৰ চাকি, উৰৰ তৈয়াৰ কৰা কিস্তি আদি অসম বা ভাৰতৰ আন আন ঠাইত আজিও ব্যৱহৃত হোৱা অনেক আৱিষ্কৃত সামগ্ৰী সংগ্ৰহালয় (Museum)ত সংৰক্ষিত হৈছে।

খান্দি উলিওৱা লোথল চহৰখন ভালদৰে চাই-চিতি আমি ঘূৰি আহিলোঁ। আৰু ওচৰতে থকা এখন হোটেলত নিৰামিষ আহাৰ খোৱাৰ অন্তত খন্তেক বিশ্ৰাম লৈ "নল-সৰোবৰ" দৰ্শনাৰ্থে আগ বাঢ়োঁ। "নল-সৰোবৰ"টো এটি চৰাই নিবাস (Birdsanctuary)। ই আহমেদাবাদ নগৰৰ পৰা প্ৰায় ৭১ কি. মিঃ দূৰৈত অৱস্থিত। প্ৰায় গোটেই বছৰ ধৰি নানা প্ৰকাৰৰ চৰাই এই সৰোবৰত নাচি বাগি থাকে যদিও ইংৰাজী নবেম্বৰ আৰু ফেব্ৰুৱাৰী মাহৰ মাজৰ সময়খিনিত
...ক জাতৰ চৰাই উমলিবলৈ আহে। ঠাইখনৰ
... অতি মনোৰম। প্ৰায় ৬০।৭০ বৰ্গমাইল
...ি এক বিস্তৃত জলাভূমি ঠাই। পানীৰ মাজত
...খাগৰি, মঠা জাতীয় তৃণৰাজি, মাজে মাজে
...ৰ দৰে সৰু সৰু ভূ-ভাগ বৰ্তমান, কেই-
...পাগান গছ গছনিৰে আবৃত। প্ৰতি দিনে
...লাক্ষ খাবলৈ অহা অনেক দলৰ উপবিও
...াখীৰ ভীৰ বেছ মন কৰিব লগীয়া। সৰো-
... পাৰত অতিথিশালা (Guest-House আৰু
...ওকালে উদ্যানসমূহ নানা ধৰণৰ ৰাবে-বৰণীয়া
...পাতেৰে সুশোভিত। পাৰৰ নয়ন জুৰাই
...া দৃশ্য অতি আকৰ্ষণীয়। নৌকা বিহাৰৰ
...ৰ নাৱৰীয়াই যাত্ৰীক মাতিয়েই আছে। আমি
...টকা ভাড়া দি নৌকা-বিহাৰৰ বাবে ওলাই
...াৰৰ মাজেদি প্ৰায় দুই মাইল গৈ আন
...ইত এখন বাথানত ওলালোঁগৈ। জাকে
...ক ম'হ। আন আন ঠাইৰ পৰা গোৱাল-
...ৰে ম হ বিলাক আনি বছৰৰ অধিক সময়
...ত ৰাখে। দেখিলোঁ তাত গাখীৰ যথেষ্ট
...মাণে উৎপন্ন হয়। আমি গোৱালৰ ঘৰত
...নকৈ খীৰোৱা গাখীৰ খালোঁ ; লগতে মাখন।
...ম তৃপ্তিৰে আমি গোৱালবিলাকৰ লগত
...ৰীৰে মনৰ কথাৰ আদান-প্ৰদান কৰিলোঁ।
...ৱালবিলাকেও ভঙা ভঙা হিন্দীৰে তেওঁলোকৰ
...ন্তৰৰ চেনেহ যাচিলে। ম'হবিলাক ইমান শান্ত
...কৃতিৰ যে আমি অচিনাকী ঠাইৰ পৰা যোৱা
...হক দেখিয়েই পানীৰ পৰা ৩০।৪০ জনীমান পেৰী
...হ উঠি আহি আমাৰ ওচৰত ঠিয় হৈ আমাক
...ৌতুহলেৰে চাবলৈ ধৰিলে। আমি ম'হবিলাকৰ
...নকুৱা আচৰণত সন্তোষ পালোঁ। চকুত পৰিল
গোৱালবিলাকে ম'হবিলাকক ঘাঁহপানীৰ যোগান ধৰিছে। লগতে ১ কি; গ্ৰাঃ কপাহৰ গুটি আৰু খলিহে মিহলাই অলপ ঘাঁহ দিলেই একোজনী ম হৰ আহাৰ হৈ যায় বুলি গোৱালবিলাকে ক'লে। প্ৰত্যেকজনী পেৰী ম'হে ১০।১৫ লিটাৰকৈ গাখীৰ দিয়ে।

নল-সৰোবৰৰ বিস্তৃত জলভাগৰ দৃশ্য, ফল-ফুল আৰু চৰাই-চিৰিকতি আদিৰ যি মনোৰম দৃশ্য চকুত পৰিল সেইবোৰ দেখি অন্তৰত নানা ভাৱৰ হেন্দোলনি উঠিল। মনত পৰিল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ "কীৰ্ত্তন'ত বৰ্ণিত পদবোৰলৈ। তেৰাই "কীৰ্ত্তন"ৰ "হৰমোহন'ত বৰ্ণনা কৰা বিষয়ৰ ছবিটি মোৰ মনোজগতত ভুমুকি মাৰিবলৈ ধৰিলে, —

"শিৰীষ সেউতী তমাল মালতী
লবঙ্গ বাগী গুলাল।
কৰবীৰ বক কাঞ্চন চম্পক
ফুল ভৰে ভাঙ্গে ডাল॥"

আকৌ নানা বৰণীয়া চৰাইবোৰ দেখি মনলৈ আহিল, —

"কোণ্ডা কঙ্ক বক বিবিধ চটক
ভ্ৰমন্ত নিৰ্ভয় ভাৱ।
অমৃত সমান জল কৰি পান
তেজে সুললিত ৰাৱ॥"

সৰোবৰৰ মনোৰম দৃশ্য উপভোগ কৰি গধূলি প্ৰায় ৭ বজাত একেখন টেক্সীৰে ঘূৰি আমাৰ বিশ্ৰামাগাৰ "অজন্তা বৈষ্ণৱ হোটেল"ত নিশাটো কটাই দিওঁ। পিছদিনাখন (৪ নবেম্বৰ, '৮৫) পুৱাই কিছুদূৰ পথ ৰেলগাড়ী আৰু কিছুপথ বাছেৰে গৈ "মধেৰা" নামৰ ঠাইখনলৈ যাত্ৰা

কৰি ৰাতিপুৱা ১০ বজাত উক্ত ঠাইত উপস্থিত হওঁ। আহমেদাবাদৰ পৰা ১৩৪ কিঃ মিঃ দূৰত এই ঠাইখন "সূৰ্য্য মন্দিৰ"ৰ বাবে ভাৰত প্ৰখ্যাত। ১০২৬ চনতে চোলাঙ্কী যুগতে ভীমদেৱ নামৰ ৰজাই সজোৱা এই "সূৰ্য্য মন্দিৰ"টো এটা জীৱনত দৰ্শন কৰিব লগীয়া মন্দিৰ। নানা দেৱ-দেৱীৰ মূৰ্ত্তি খোদিত এই মন্দিৰটোৰ সৌন্দৰ্য্য ভাষাৰে বৰ্ণনা কৰিব নোৱাৰি। গজনিৰ মামুদে সোমনাথ মন্দিৰ ধ্বংস কৰাৰ সময়ত এই মন্দিৰটোৰো অনেক ভাগ ধ্বংস-স্তুপত পৰিণত কৰি গৈছে ; কিন্তু সম্পূৰ্ণৰূপে ধ্বংস কৰিব নোৱাৰিলে। এতিয়াও ইয়াৰ যি কাৰুকাৰ্য্য, ভাস্কৰ্য্যৰ নিদৰ্শন আছে তাৰ তুলনা পাবলৈ নাই। গাতে লগা এটা অতিথিশালা আৰু বাগিছা সমূহে ঠাইখন জাতিষ্কাৰ কৰি ৰাখিছে যদিও মন্দিৰৰ ভাস্কৰ্য্যৰ যি নিদৰ্শন সিয়েহে যুগে যুগে ভাৰতীয় ঐতিহ্যৰ গৌৰৱ ঘোষণা কৰি আহিছে। দিনৰ দিনটো মন্দিৰ আৰু ইয়াৰ চৌহদ লগতে পৰিত্যক্ত ৰাজ হাউলী আৰু মোগল যুগৰ হিন্দু ৰাজকাৰেঙৰ ওপৰত প্ৰতিষ্ঠা কৰা মছ্‌জিদলৈ লক্ষ্য কৰিলে মনলৈ আহে কালৰ কি কু*লা গতি। দিনৰ দিনটো ঠাইবোৰ চাই চাই গধূলি বাছেৰে আমি আকৌ শান্তি-নিবাস "অজন্তা" লৈ উভতিলোঁ।

৫-১১-৮৫ ইং তাৰিখে পুৱাই এখন টেক্সী ভাড়া কৰি গোটেই আহমেদাবাদ মহানগৰীখন চাই লোৱাৰ পৰিকল্পনা কৰি জয় জয়তে মহাত্মা গান্ধীৰ ভাৰত বিখ্যাত সৱৰমতী আশ্ৰম দৰ্শন কৰিবলৈ যাত্ৰা কৰোঁ। সৱৰমতী নদীৰ পাৰত প্ৰাকৃতিক দৃশ্যৰে ভৰপূৰ ; মহানগৰীৰ পৰা মাত্ৰ ৭ কিঃ মিঃ দূৰত্বত এই আশ্ৰম অৱস্থিত। মানৱ মহাত্মা গান্ধীয়ে ১৯১৫ চনতে সত কাৰণে স্থাপন কৰা এই আশ্ৰমখন অনেক ৰ ৰাজনৈতিক কাৰ্য্যকলাপৰ কেন্দ্ৰ হৈ পৰি মহাত্মা গান্ধীয়ে ১৯৩০ চনতে ইংৰাজসকলে এ কৰা "লোণ কৰ আইন" ভঙ্গ কৰাৰ ইয়াৰ পৰাই সাগৰলৈ বিখ্যাত "দাণ্ডি কৰিছিল। এই আশ্ৰমক "হৃদয়-কুঞ্জ" না অভিহিত কৰা হৈছিল। ইয়াত এটা গান্ধী কেন্দ্ৰ আৰু গ্ৰন্থাগাৰ স্থাপন কৰা হৈছে। এটা অতিথিশালাও বৰ্ত্তমান। আশ্ৰমখন ম আৰু আন আন বিবিধ মূল্যবান গছ-বি সুশোভিত। লগতে এটা সংগ্ৰহালয়ত গান্ধীৰ নিত্য ব্যৱহাৰ্য্য সামগ্ৰীসমূহ যুগু থোৱা আছে। আশ্ৰমখনত দিনৌ শ শ বিদেশী দৰ্শনাৰ্থীৰ ভীৰ পৰিলক্ষিত হয়। দুঘণ্টা সময় আশ্ৰমত কটাই বৰ ততাতৈ নগৰৰ বুকুতে থকা চিৰিয়াখানাটো চাই কংকৰীয়া হ্ৰদ দৰ্শন কৰোঁ। চুলতান কুতু ১৪৫১ খৃঃত এই হ্ৰদ খন্দাইছিল। হ্ৰদৰ ম এটা গ্ৰীষ্ম নিবাস। ফুল-কলেৰে জাতিক হ্ৰদৰ দৃশ্যও অতি মনোৰম। আমি প্ৰায় ২ আমাৰ শান্তি-নিবাস "অজন্তা"লৈ ঘূৰি আবেলি চাৰি বজাত গুজৰাট বিশ্ববিদ্য চৌহদত আগতীয়াকৈ যুগুতাই ৰখা আৱ কাগজ-পত্ৰ লৈ অভ্যৰ্থনা সমিতিৰ নিদে তিনি মহলীয়া ছাত্ৰাবাস এটিত থাকিবলৈ

৬-১১-৮৫ তাৰিখে পুৱাই গা-পা ধুই পুৱাৰ আহাৰ খাই মুকলি অধিবেশনত বহে তাতে অসমৰ পৰা যোৱা সতীৰ্থসকল ড' শ্ৰীকনক চন্দ্ৰ ডেকা, অধ্যাপক চিত্ত বেজবৰুৱা, ৰঙিয়া মহাবিদ্যালয়ৰ ড° ফাইয়াজুল হক, ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক আৰু বৰ্ত্তমান ভূপাল চৰকাৰী মহাবিদ্যালয়ৰ অধ্যাপক ডঃ আব্দুল আলীক লগ পাওঁ। মুকলি অধিবেশন পুৱা ঠিক ৯ বজাত আৰম্ভনী সংগীতেৰে আৰম্ভ হৈ দুপৰীয়া ১২ বজাত সামৰণি পৰে। এই অধিবেশনত অভ্যৰ্থনা সমিতিৰ সম্পাদকৰ আদৰণি ভাষণ, কেন্দ্ৰীয় কমিটিৰ সভাপতিৰ অভিভাষণ আৰু মুখ্য অতিথিৰূপে যোগদান কৰা গুজৰাটৰ তেতিয়াৰ ৰাজ্যপাল শ্ৰীবি, কে, নেহৰুৰ ভাষণ সদস্যসকলৰ কাৰণে উপভোগ্য হৈছিল।

দুপৰীয়া ১২ বজাৰ পাছতেই দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰাৰ অন্তত আবেলি ২ বজাৰ পৰা বিভাগীয় বিষয়ৰ ওপৰত আলোচনা চক্ৰবোৰ অনুষ্ঠিত হয়। ৰাতি হ'লে সাংস্কৃতিক অনুষ্ঠান। পিছদিনাখনো পুৱাবেলা আৰু আবেলি আলোচনা চক্ৰসমূহ নিয়াৰিকৈ চলে।

৭-১১-৮৫ তাৰিখে পুৱাবেলা আলোচনা চক্ৰৰ অন্তত প্ৰায় ১২ বজাত নতুন বিষয়ববীয়াৰ কমিটি গঠিত হয়। মন কৰিব লগীয়া যে সেই নিৰ্বাচনতে আগন্তুক কলিকতা অধিবেশনৰ বাবে সকলোবোৰ বিষয়ৰ (sectional Meetings) সভাপতিসকলক নিৰ্বাচিত কৰা হয়। বৰ গৌৰৱৰ বিষয় যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপক ডঃ নগেন্দ্ৰ নাথ আচাৰ্য্যদেৱ "বুৰঞ্জী শাখাৰ বাবে আৰু ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যাপক ডঃ ফাইয়াজুল হক "পশ্চিম এছীয় অধ্যয়ন" ( West-Asian Studies) শাখাৰ বাবে সভাপতি নিৰ্বাচিত হয়। অসমৰ পৰা যোৱা সদস্যসকলে এই কথাত আনন্দ প্ৰকাশ কৰে। ৮-১১-৮৫ ইং তাৰিখে গধূলি ৪-৩০ বজাত অনুষ্ঠিত হোৱা এখন চমু অধিবেশনেৰে সন্মিলনৰ সামৰণি পৰে।

সেইদিনাই গধূলি প্ৰাচ্যবিদ্যা সন্মিলনৰ অন্তত নিশা ভাত-পানী খাই-বৈ উঠি ১০-১৫ বজাত আহমেদাবাদ চহৰৰ পৰা নিশাৰ বাছত উঠি জুনাগড়লৈ বুলি যাত্ৰা কৰি ৰাতিপুৱা ৫ বজাত জুনাগড় পাওঁ। 'মুৰলীধৰ স্বামীনাৰায়ণ" নামেৰে এটি অতিথিশালাত গা-পা ধুই চাহ-পানী খাই আমি দুখন অটোৰিক্সা লৈ শ্ৰীনিমিনাথ ভগৱানৰ মন্দিৰ, গোমুখী গঙ্গা, কমণ্ডলু কুণ্ড, দামোদৰ কুণ্ড আদি অনেক ঠাই দৰ্শন কৰি মহাৰাজ অশোকৰ এখন শিলালিপি দৰ্শন কৰি ধন্য হওঁ। জনা যায়, তিনিহাজাৰ বছৰ আগতে এই অঞ্চলতেই যাদৱসকলৰ বসতি আছিল। কিন্তু সহস্ৰাৰ্জুনৰ ভয়ত যাদৱসকল মথুৰাকৈ আহিবলৈ বাধ্য হয়। ইয়াৰ পৰাই শ্ৰীকৃষ্ণৰ সময়ত কাল-যৱন আৰু জৰাসন্ধৰ ভয়ত যাদৱসকল সৌৰাষ্ট্ৰলৈ আহে। পৰবৰ্ত্তী কালত মৌৰ্য্য আৰু গুপ্ত ৰজাসকলেও এই অঞ্চল শাসন কৰিছিল। পিছলৈ গুজৰাটৰ চুলতান আৰু ইয়াৰ পিছত দিল্লীৰ চুলতানসকলে এই অঞ্চল শাসন কৰিছিল। ইয়াৰ পিছত বাহাদুৰ ছাহে জুনাগড়ত বাবী বংশ প্ৰতিষ্ঠা কৰি প্ৰায় দুশ বছৰ কাল ৰাজ্য শাসন কৰিছিল। আমি সেইদিনাই সোমনাথলৈ বুলি যাত্ৰা কৰো। জুনাগড়ৰ পৰা সোমনাথলৈ দূৰত্ব ৭৫ কিঃ মিঃ। সোমনাথ মন্দিৰ সাগৰৰ পাৰতেই অৱস্থিত। ই এটা ভাৰত বিখ্যাত শিৱ-মন্দিৰ। কথিত আছে যে এই মন্দিৰ চন্দ্ৰ দেৱতাই নিজে সজাইছিল।

৭ বাৰকৈ এই মন্দিৰ আক্ৰমণ কৰা হৈছিল আৰু পৰৱৰ্তী কালৰ পুনৰ্নিৰ্মাণ কৰা হৈছিল। ১০২৬ খৃঃ ত গজনিৰ মামুদে এই মন্দিৰ ধ্বংস কৰি অলেখ ধন-সোণ লুটি নিয়া কথাটো ভাৰত বুৰঞ্জীৰ প্ৰতিজন ছাত্ৰই জানে। ওচৰতে ইন্দোৰৰ অহল্যা বাঈ হোল্কাৰে এটি বিতোপন মন্দিৰ সজাই দিছে। ৯-১১-৮৫ তাৰিখে ওপৰত বৰ্ণোৱা মতে দিনৰ ১২ বজাত জুনাগড় এৰি আবেলি ৩ বজাত সোমনাথ মন্দিৰৰ চৌহদত উপস্থিত হওঁ। সাগৰৰ পাৰতে অৱস্থিত এটি ধৰ্মশালাত আবেলি চাৰি বজাত গা-পা ধুই আবেলিৰ আহাৰ গ্ৰহণ কৰি প্ৰায় ডেৰ-দুই মাইল ব্যাপি থকা সোমনাথ মন্দিৰৰ ধ্বংসস্তূপবোৰ, লগতে আন আন মন্দিৰবোৰো চাবলৈ ধৰোঁ আৰু গধূলি নৱনিৰ্মিত মন্দিৰৰ আৰতি চোৱাৰ সুযোগতে সম্পূৰ্ণ সাগৰৰ পাৰতে অৱস্থিত মন্দিৰৰ গাতে লাগি থকা উদ্যানত বহি সাগৰৰ দৃশ্য, সূৰ্য্যাস্তৰ মনোমোহা দৃশ্য আৰু সহস্ৰজনৰ আগমন আৰু প্ৰস্থানৰ দৃশ্যাৱলী উপভোগ কৰি অশেষ আনন্দ উপভোগ কৰোঁ। গধূলি আনন্দ মনেৰে নিৰামিষ আহাৰ গ্ৰহণ কৰি 'সোমনাথ ট্ৰাষ্ট' নামৰ দুমহলীয়া ধৰ্মশালাত নিশাটো আনন্দেৰে কটাই পুৱা সাত বজাত ৰাজ্যিক বাছেৰে পোৰবন্দৰলৈ যাত্ৰা কৰোঁ। দিনৰ ৯-২০ মিনিটত পোৰবন্দৰত উপস্থিত হওঁ। এই যাত্ৰা সাগৰৰ পাৰে পাৰে প্ৰায় দুশ মাইল ভ্ৰমণ। বাছ আড্ডাতে ক্লক ৰুমত বিচনা-পত্ৰবোৰ সুৰক্ষিতভাৱে ৰাখি পোৰবন্দৰ চহৰখন চাবলৈ বুলি দুখন অটো-ৰিক্সাৰে যাত্ৰা আৰম্ভ কৰোঁ। পোৰবন্দৰত জৱাহৰলাল প্লেনেটৰিয়াম বা তাৰামন্দিৰ, ভাৰত মন্দিৰ, গান্ধী স্মৃতি গৃহ, গান্ধীৰ পিতৃগৃহ আৰু মহাত্মা গান্ধীৰ জীৱনীৰে সমৃদ্ধ কীৰ্ত্তি-মন্দিৰ, নগৰখনৰ বুকুতেই থকা এটা সংগ্ৰহালয়, মহাত্মাৰ শৈশৱকালৰ বাসস্থান আদি ভালদৰে চাই-চিতি লওঁ। সাগৰৰ পাৰত অৱস্থিত পোৰবন্দৰ এখন বিতোপন নগৰ। দৃশ্য অতি মনোৰম। সাগৰৰ ঢৌৱে অহৰ্নিশে নগৰখন ধুৱাই ৰাখিছে। ইয়াৰ পৰাই পুৰণি কালৰে পৰা আৰব, আফ্ৰিকা আৰু পাৰস্য আদি দেশসমূহৰ ব্যৱসায়-বাণিজ্য চলি আহিছে।

আমি সেইদিনাই ৰাতি বৰ কষ্টেৰে বাহৰ টিকট কাটি ৰাতি-৮-৪৫ বজাত বাছেৰে ভগৱান শ্ৰীকৃষ্ণৰ লীলাভূমি দ্বাৰকালৈ বুলি যাত্ৰা আৰম্ভ কৰোঁ আৰু ৰাতি ২ বজাত দ্বাৰকাত উপস্থিত হওঁ আৰু সেই মাজ নিশা "মুৰলীধৰ' নামেৰে এখন দুমহলীয়া ধৰ্মশালাত স্নান-পান আদি কৰি নিশাটো কটাই ৰাতিপুৱা গা-পা ধুই আহাৰাদি সমাপন কৰি পুৱা সাত বজাত চৰকাৰী পৰ্য্যটক বাছ এখনত উঠি দ্বাৰকা নগৰীখন দৰ্শন কৰিবলৈ যাওঁ। দিনৰ দিনটো দ্বাৰকাৰ সাগৰৰ মাজত অৱস্থিত ভগৱান শ্ৰীকৃষ্ণৰ আবাস ভূমি আৰু লীলা ভূমি, দ্বাৰকাৰ মন্দিৰ পিত্ পিত্‌কৈ চাই লওঁ। সাগৰৰ নীলা পানীৰ মাজতেই পাৰৰ পৰা প্ৰায় দুই মাইলমান আঁতৰত এটা দ্বীপৰ দৰে শিলাময় স্থান। ইয়াত ভগৱান শ্ৰীকৃষ্ণৰ মূল নিবাস আছিল বুলি কোৱা হয়। আমি জাহাজেৰে সাগৰৰ মাজৰ উক্ত স্থানলৈ গৈ প্ৰায় তিনি ঘণ্টা কাল ধৰি কটাই ইয়াৰ মঠ-মন্দিৰবোৰ ভালকৈ চাই সাগৰৰ পাৰলৈ উলটি আহি আকৌ সাগৰৰ পাৰতে প্ৰায় ছয়-সাত মাইল ব্যাপি জুৰি থকা ইতিহাসে গছকা ধ্বংসস্তূপত পৰিণত হোৱা পুৰণি দ্বাৰকা নগৰীখন চোৱাৰ লগতে এটি সুন্দৰ ৰুক্মিণী মন্দিৰো আমি পৰিদৰ্শন কৰোঁ। কথিত আছে, এই মন্দিৰতেই ভগৱান শ্ৰীকৃষ্ণই ভীষ্মক ৰজাৰ জীয়ৰী ৰুক্মিণী দেৱীক হৰণ কৰি লৈ গৈ যথাবিধি বিবাহাদি কৰাই এই মন্দিৰতেই ৰাখিছিল। এই মন্দিৰতো ভগৱান শ্ৰীকৃষ্ণৰ দুটি আকৰ্ষণীয় মূৰ্ত্তি বিদ্যমান। কথিত আছে, ভগৱান শ্ৰীকৃষ্ণই মথুৰা, বৃন্দাবন এৰাৰ পাছত ইয়াত ৰাজত্ব কৰিবলৈ লৈছিল। খান্দি পোৱা সামগ্ৰীবোৰৰ পৰা এইটো জানিব পৰা গৈছে যে এই দ্বাৰকা নগৰী ছয়বাৰকৈ প্ৰতিষ্ঠা কৰা হৈছিল। আৰু নগৰীৰ ছয়ভাগৰ প্ৰায় পাঁচ অংশ কিবা প্ৰাকৃতিক দুৰ্য্যোগত সাগৰৰ তলিত পৰিলগৈ। ভাদ মাহত শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ সময়ত ইয়াত হাজাৰ-বিজাৰ মানুহৰ সমাগম হয়। ভিতৰৰ যি দ্বাৰকাধীশ মন্দিৰ বা নিজ মন্দিৰ, ই প্ৰায় ২৫০০ বছৰ পুৰণি। যাত্ৰী সকলে এই মন্দিৰত স্বৰ্গদ্বাৰেৰে সোমাই মোক্ষ দ্বাৰেৰে ওলাই আহে। এই সাগৰৰ বুকুত অৱস্থিত পাঁচ-মহলীয়া মন্দিৰটো সমগ্ৰ ভাৰতৰ ভিতৰতেই এটি বিশিষ্ট মন্দিৰ।

অষ্টম খৃঃত জগৎগুৰু শংকৰাচাৰ্য্যই স্থাপন কৰা চাৰিখন পীঠৰ ভিতৰত দ্বাৰকা পীঠো এখন পীঠ-স্থান। আমি দিনৰ দিনটো নগৰীখন চাই-চিতি আবেলি দুই বজাত ধৰ্মশালালৈ উলটি আহোঁ আৰু ১২-১১-৮৫ ইং তাৰিখে পুৱা সাত বজাত বাছেৰে আহমেদাবাদ অভিমুখে যাত্ৰা কৰোঁ। মাজতে অনেক গ্ৰাম, নগৰ এৰি এৰি ১০-৩০ মিনিটত জামনগৰ পাওঁ। ই জিলাৰ সদৰ। চহৰখন ডাঙৰ-ডাঙৰ গছ-গছনি, গৰু-মহৰ পাল, কল-কুঁহিয়াৰ আদি সকলো বস্তুৰে সমৃদ্ধ। এই নগৰ ১৫৪০ খৃঃত স্থাপন কৰা হৈছিল। ইয়াতেই ৰাজপুত শাসক জামে ৰাজত্ব কৰিছিল। ইয়াত এখন আয়ুৰ্বেদিক কলেজো বিদ্যমান। আমি কিছুসময়ৰ পাছতেই এই ঠাই ত্যাগ কৰোঁ আৰু গোটেই প্ৰদেশখনতে (গুজৰাট) অনেক গ্ৰাম, নগৰাদি ঠাই চাই গধূলি আকৌ আহমেদাবাদ মহানগৰীত উপস্থিত হওঁ। সৌভাগ্যক্ৰমে আমি এৰি যোৱা "অজন্তা বৈষ্ণৱ হোটেল"তেই নিশা প্ৰায় পাঁচ ঘণ্টা সময় বিশ্ৰাম কৰি শেষ নিশা চাৰি বজাত আহমেদাবাদৰ পৰা ৰেলত উঠি পিছদিনাখন গধূলি চাৰিমান বজাত দিল্লী ষ্টেচন পাওঁ আৰু গধূলি ৬ বজাত একে টিকটেৰে দিল্লী ষ্টেচনত "আসাম মেইল'ত উঠি একে অভিজ্ঞতাৰে ১৫-১১-৮৫ ইং তাৰিখে পুৱাবেলা ১১ বজাত ৰঙিয়া জংচন পাওঁ।

---

### অসমীয়া সংস্কৃতিৰ বিষয়ে ·······

"····· অসমীয়া কৃষ্টি হেজাৰ-বিজাৰ লাখ-বিলাখ বছৰৰ সাধনাৰে পৰিপুষ্ট ; এই অসমীয়া সংস্কৃতি ব্ৰহ্মপুত্ৰৰ দৰেই বিশাল গভীৰ। যেনেকৈ কোনো দুৰ্বাৰ শক্তিয়ে বিশাল ব্ৰহ্মপুত্ৰক ভেটা দি হেঙাৰ দিব নোৱাৰে, বিশাল, গভীৰ অসমীয়া সংস্কৃতিৰ কোবাল সোঁতকো কোনো চক্ৰান্তকাৰীৰ চক্ৰান্ত আৰু ষড়যন্ত্ৰকাৰীৰ ষড়যন্ত্ৰই ৰুধিব নোৱাৰে।"

বিষ্ণুৰাভা

আধুনিক কবিতাৰ বিৰুদ্ধে এটা অভিযোগ প্ৰায় শুনা যায়, সেইটো হ'ল ইয়াৰ দুৰ্বোধ্যতা। এইটো যিহেতু সৰ্ব্বসাধাৰণ পাঠকৰ অভিযোগ, আমি সহজে ধৰি ল'ব পাৰোঁ যে এই অভিযোগ তেনেই অমূলক নহয়। গতিকে আধুনিক কবিতা দুৰ্বোধ্য হয়নে নহয় সেই বিতৰ্কমূলক প্ৰশ্নৰ অৱতাৰণা কৰাতকৈ এই দুৰ্বোধ্যতাৰ কাৰণসমূহহে বিচাৰ কৰাটো বেছি যুক্তিসংগত।

# আধুনিক কবিতাত দুৰ্বোধ্যতা

শ্ৰীবিজুলী চক্ৰৱৰ্তী

সাহিত্যৰ সৃষ্টি মানুহৰ উদ্দেশ্যেই আৰু যদি সৰ্ব্বসাধাৰণ লোকে ইয়াৰ বিষয় বস্তু বুজিবলৈ অপাৰগ হয় তেনেহলে সাহিত্যৰ উদ্দেশ্য সফল হৈছে বুলি কব নোৱাৰি। ইলিয়টে তেওঁৰ 'ইউজ্ অব্ পয়েট্ৰি এণ্ড দি ইউজ্ অব্ ক্ৰিটিচিজিম্' নামৰ প্ৰবন্ধত কাব্যৰ জটিলতা আৰু দুৰ্বোধ্যতাৰ তিনিটা কাৰণ ডাঙি ধৰিছে। যেনে ;—

(১) কবিৰ ব্যক্তিগত কাৰণ অৰ্থাৎ কবিয়ে সহজতে নিজৰ ভাবক প্ৰকাশ কৰাত অভ্যস্ত নোহোৱা কাৰণে।

(২) প্ৰকাশ ভঙ্গীৰ অভিনৱত্বৰ কাৰণে।

(৩) পাঠকৰ মননশীলতাৰ অভাৱৰ কাৰণে।

আধুনিক কবিতা অৱশ্যে ৰোমান্টিক কবিতাৰ দৰে সহজসাধ্য নহয় ; কিন্তু এই দুৰূহতা জানো

জটিল যুগ মানসৰেই প্ৰতিবিম্ব নহয় ? ৰোমান্টি
কবিতাৰ ভাৱ চেতনাত শিক্ষিত হৈ থকা পাঠ
হয়তো ৰোমান্টিক স্বপ্নালু জগতখনৰ পৰা নামি
আহি বাস্তৱ কঠোৰ কবিতাৰ জগতখনক মৰুভূ
হেন দেখিছিল। সেই কাৰণেই আধুনিক কবিতা
সহজে মানি লব পৰা নাছিল। দৰাচলতে, মানুহ
মন পৰিবৰ্ত্তনশীল হ'লেও হঠাৎ আহি পৰাছে।
পৰিবৰ্ত্তনক সৰহভাগ লোকেই সহজে গ্ৰহণ কৰি-
বলৈ টান পায়। আনহে নালাগে উনবিং
শতিকাৰ শেষ আৰু বিংশ শতিকাৰ আদি স্তৰ
গা-কবি উঠা অসমীয়া ৰোমান্টিক কবিতাৰ ধাৰা
টোকো তৎকালীন পাঠক সমাজে সহজে গ্ৰহ
কৰিব পৰা নাছিল। আধুনিক কবিতা যদি
প্ৰকৃতপক্ষে জীৱন, সময় আৰু সমাজৰ প্ৰতিবিম্ব
হয় তেন্তে বিগত সহজ-সৰল জীৱন যাত্ৰাৰ স্থান
অধিকাৰ কৰা সাম্প্ৰতিক সমাজ সভ্যতাৰ জটিলতা
আৰু যুগ-যন্ত্ৰনাকাতৰ মানুহৰ আৰ্ত্তনাদ, বিনষ্টি,
নিঃসঙ্গতা, ক্লান্তি নৈৰাশ্য, সংঘাটে কবিতাক
যে কিছু জটিল কৰি তুলিব তাত সন্দেহ নাই।

আজিৰ ঠেক চিগা জীৱনৰ তীব্ৰ অশান্তি
আৰু অস্বস্তি প্ৰকাশৰ কাৰণেই যে নতুন ভাষা,
নতুন আঙ্গিকৰ মাজেদি আজিৰ কবিয়ে অগ-
তানুগতিক পথ লৈছে সেইটো দোহাৰিবৰ প্ৰয়ো-
জন নাই। ফলত সমাজ আৰু কালৰ ঘনীভূত
প্ৰকাশৰ মৰ্ম সহজে পঢ়ুৱৈ সমাজৰ বোধগম্য
নোহোৱাটোৱেই স্বাভাৱিক কথা।

আজিৰ মানৱ জীৱন হৈ পৰিছে জটিলা,
বিকৃত, কৃত্ৰিম। মানৱ ইতিহাসত ইমান জটি-
লতম মানসিক পৰিস্থিতিৰ সন্মুখীন মানুহে হৰ
লগা নহৈছিল। সেয়ে আজিৰ কবিয়ে ভাবে

সাম্প্ৰতিকৰ জটিল জীৱন যাত্ৰাত পৰি-
তিয়ে জগাই দিয়া আবেগক নিয়ন্ত্ৰিত কৰিবৰ
ৰে প্ৰয়োজন গভীৰ চিন্তন আৰু বুদ্ধিৰ দীপা-
। আজিৰ কবিয়ে নতুন দৃষ্টিৰে পৃথিৱীখন
হিছে বাবেই নতুন ভাবেৰে ভাবিব লগীয়া
ছে, নতুন ভাবেৰে ভাবিব লগীয়া হোৱা কাৰ-
ই প্ৰকাশ ভঙ্গীৰ নতুনত্ব আৱিষ্কাৰ কৰিব লগা
বহু বিচিত্ৰ ভাবনাৰ সোঁত আৰু কাল-
তন্যক ধৰি ৰাখিবলৈ কৰা কবিৰ কাব্যসৃষ্টিত
য়েহে জটিলতাৰ প্ৰকাশ নোহোৱা নহয়। ফলত
াজিৰ কবিতা দুৰ্বোধ্য, শিল্প বস্তুহীন, আৰু
টক এৰচাৰ্দ হৈ পৰিছে। পূৰ্বৰ নিৰ্জনতাপ্ৰিয়
বিয়ে আজি অলপ ভাৱনাৰ গজদন্ত মিনাৰৰ
ৰা নামি আহি জনগণৰ জীৱন চেতনা আৰু
াবেগৰ লগত মিলিত হৈছেহি। কাৰণ আজিৰ
গটো হ'ল "an age of speed age of
steel and age of fever." জনতাৰ আৰ্ত্তনাদ
নিবলৈ আজিৰ কবিয়ে হৃদয় উন্মুখ কৰি ৰাখিছে।
সাম্প্ৰতিকৰ কবি নখাগ্ৰ পৰ্য্যন্ত তীব্ৰ সচেতন,
াজিৰ কবিয়ে জীৱনৰ লগত ঘাম, ৰক্ত, মাটিৰ
গত কবিতাৰ সম্পৰ্ক ওচৰ চপাই আনিছে ;
কিন্তু কথাবোৰ সৰ্বসাধাৰণ পাঠকে মানি লব
নাৱাৰাৰ কাৰণ হ'ল, পুৰণিৰ প্ৰতি থকা মানুহৰ
হজাত মোহ আৰু জনগণৰ মাজত বিৰাজ কৰা
ব্যাপক নিৰক্ষৰতা। প্ৰৱল অনুভূতিৰ ঠাইত
বুদ্ধিমত্বাই আত্ম প্ৰকাশ কৰা কাৰণে বহু সময়ত
আজিৰ কবিতা দুৰ্বোধ্য হব পাৰে। যুগচেতনাৰ
মাজতেই নিহিত থকা এই অস্পষ্টতা আৰু দুৰূহ-
তাক কবিতাৰ মাজত দেখি তাৰ তাৎপৰ্য্য হৃদয়-
ঙ্গম কৰিব পৰা লোকৰ সংখ্যা সীমিত হবলৈ বাধ্য। ৱৰ্ডচ্‌ৱৰ্থে কৈছিল ; "Fit audience Let me find, though few." জনচনৰ মতেওঁ— 'Every author does not write for every reader''

অস্পষ্টতাৰ আৰু জটিলতাৰ অভিযোগেৰে কবিতাক নাকচ কৰিলে বিশ্বৰ বহু উৎকৃষ্ট আৰু স্মৰণীয় কবি আৰু কবিতাক আমি পৰিহাৰ কৰিব লাগিব, যিটো যি কোনো সাহিত্যৰ কাৰণে দুৰ্ভাগ্যজনক। ইলিয়টে সেয়েহে মন্তব্য কৰিছিল, "যি দুৰূহতাৰ জন্ম পাঠকৰ আলস্যতাৰ কাৰণে কবিক দোষাৰোপ কৰাটো অন্যায়।" চেপমেনেও কৈছিল, "অনভিজ্ঞ পাঠকৰ বাহুল্য মোৰ অনাৱশ্যক। অধ্যয়নে যি সকলৰ অনুসন্ধিৎসু মনক মহান কৰিছে মোৰ আচৰিত কবিতাখিনি তেওঁলোকৰ কাৰণেই।"

আমাৰ দেশত বিৰাজ কৰা ব্যাপক নিৰক্ষৰতাও কবিতাৰ দুৰ্বোধ্যতাৰ এক প্ৰধান কাৰণ বুলি ইতিপূৰ্বে কৈ অহা হৈছে। তাৰোপৰি কবিতা সৃষ্টিৰ ক্ষেত্ৰতে নহয় কবিতা উপলদ্ধিৰ ক্ষেত্ৰটো শিক্ষা তথা অনুশীলনৰ প্ৰয়োজন। লুনাচাৰ্চকিয়ে কৈছিল,—"We cannot bring all our literature down to the level of the just uncultured people. It will be very serious mistake."

দুৰ্বোধ্য কাৰণেই আৱৰ্জনা বুলি আধুনিক কবিতাক আলাই-আথানি কৰাৰ যুক্তি নাই ; কিয়নো কবিতাৰো লজিক আছে, ফৰমূলা আছে আৰু আছে অন্তৰ বিগলিত আৰু মগজু আলোড়িত কৰিব পৰা ক্ষমতা।

আধুনিক কবিতা দুৰ্বোধ্য হোৱাৰ প্ৰধান কাৰণ হ'ল প্ৰতীক আৰু উদ্ধৃতিৰ প্ৰয়োগ। শব্দ আৰু পদ বিন্যাসৰ নতুন ৰীতি; নতুন অৰ্থ ব্যঞ্জনাৰ সংযোগ, উপমা, চিত্ৰকল্প আৰু প্ৰতীকৰ নতুন ধৰণৰ ব্যৱহাৰ, প্ৰাচীন ভাৰতীয় আৰু মহাদেশীয় প্ৰসিদ্ধি সমূহৰ সঘন ব্যৱহাৰ, বৈজ্ঞানিক, ৰাজনৈতিক আৰু মনস্তাত্বিক দিশৰ পৰা সংগৃহীত শব্দ আৰু চিত্ৰকল্পৰ ব্যৱহাৰ, অতি বৌদ্ধিক পৰিৱেশৰ সংযোজনা, পাঠকৰ সাধাৰণ অভিজ্ঞতাৰ বাহিৰৰ বস্তুৰ বৰ্ণনা আৰু কবি সকলৰ নিজস্ব জটিল কৌশল আদি নানান কাৰণত আধুনিক অসমীয়া কবিতা জটিল হৈ আহিছে। তাৰোপৰি ছন্দৰীতিৰ গদ্য গন্ধী পদ্ধতিয়েও জটিলতাৰ সৃষ্টি কৰিছে।

চাৰি আলিত পুলিচ এটা ঠিয় হৈ আছে বুলি ক'লে আমি সকলো পাঠকেই সহজে বুজি পাওঁ, কিন্তু সেই কথাটোকে কবিয়ে যেতিয়া তেওঁৰ নিজস্ব শব্দ জ্ঞান আৰু ব্যঞ্জনা খটুৱাই কয়—"আলি দোমোজাই ক্ৰুচত দিয়ে পহৰী-য়াক"—তেতিয়া, ঠিক তেতিয়াই পাঠকৰ আউল লাগে। কবিয়ে কিন্তু পাঠকক আউল লগাবলৈ এনেদৰে লিখা নাই। কবিয়ে নিজৰ কাব্যিক প্ৰতিভাৰ উন্মেষত চাৰি আলিৰ 'কটা-কটি চিন-টোত আনি ক্ৰুচৰ ৰূপ কল্পহে আৰোপ কৰিছে। পাঠকে অলপ বুদ্ধি প্ৰয়োগ কৰি পাৰিলেই এই ৰূপ কল্পৰ আভাষ সহজে বুজিব পাৰে এইদৰেই—'বেলি মাৰ গল' এই সৰ্বজনগ্ৰাহ্য সহজ কথা-টোকে কবিয়ে নিজৰ ভাষাৰে কয়—"শূণ্যতাৰ হাতৰ পৰা খহি পৰিল দিনৰ হিৰন্ময় হৃদয় পাত্ৰ"—তেতিয়াও পাঠক বিমোৰত পৰে। দুয়োটা

বাক্যতে শব্দ শক্তিৰ অভিনৱ প্ৰয়োগ হৈ এই অভিনৱ প্ৰয়োগ পদ্ধতিৰ প্ৰতি স্নেহ আৰু উদাৰ হৈ পাঠকে বিচাৰ কৰিব পাৰি অৰ্থক দুৰ্বোধ্যতা সহজে আঁতৰি যাব।

বস্তু বিলাকৰ গুণ, ক্ৰিয়া, সংগতি আ ভাল জ্ঞান নহলে Private symbolয়ে বি স্থিৰহে সৃষ্টি কৰিব পাৰে। অলপতে অসমীয়া কবিয়ে গাভৰুৰ স্তনক ব'দৰ ত প্ৰতীক হিচাপে ব্যৱহাৰ কৰিছে। ব'দক ত প্ৰতীক হিচাপে গাভৰুৰ স্তনযুৰি... যি অসূৰ্য্যাস্পৰ্শা বস্তু—কিয় ব্যৱহাৰ কৰিব লগা সি আমাৰ অজ্ঞাত। এনে ব্যৱহাৰে কা কৃত্ৰিমতাহে দিয়ে আৰু আমাক জটিলতাৰ কৰে। গন্দগন্ধী ছন্দৰীতিয়ে অসমীয়া আধু কবিতাক ৰোমান্টিক যুগৰ কবিতাৰ তুল খহটা যেন দেখুৱাইছিল। স্পন্দিত গদ্য ত মুক্তক ছন্দৰ ৰীতিক প্ৰথমেই পাঠক সকলে সহজে ল'ব পৰা নাছিল; কিন্তু যোৱা পঁয় বছৰ ধৰি হোৱা (১৯৪০-৭৫) এই সজাৰ ছন্দৰ বৰ্ত্তমানে পাঠকৰ আপোন হৈ পৰিছে। ক্ষেত্ৰত কবি নৱকান্ত বৰুৱাই কৰা প্ৰচে প্ৰশংসনীয়। কবি বৰুৱাই মুক্তক ছন্দৰ সম লিখা প্ৰবন্ধ সমূহে কবিতাৰ ছন্দৰীতিৰ প্ৰ পাঠকৰ অযথা ভয় আঁতৰোৱাত সমৰ্থ হৈছি তেওঁৰ কবিতাৰ মাজে মাজে দুই এটা ইংৰা শব্দও প্ৰয়োগ কৰা দেখা যায়। বোধক অসমীয়া প্ৰতিশব্দতকৈ সেই শব্দবোৰে মনৰ বেছি ভালদৰে প্ৰকাশ কৰিব পাৰে, নাইবা আ কোনো কাব্যিক সুবিধাৰ বাবেও সেইবোৰ বে উপযোগী।

...আমি কিছুমান কবিতা আলোচনা কৰিলে আমি দেখিম যে প্ৰায় আধুনিক কবিয়েই অত্যন্ত সমাজ সচেতন আৰু তেওঁলোকৰ মূল উদ্দেশ্য হ'ল যি ব্যাধিয়ে সমাজক তিল তিল কৈ খাবলৈ উপক্ৰম কৰিছে সেই ব্যাধি চিনাক্তকৰণ কৰা। সৰ্বসাধাৰণ মানুহেও গম পোৱা যে কিবা এটি অশান্তিয়ে তেওঁলোকক দগ্ধ কৰিছে। তেওঁলোকে জানকি ভোৰভোৰায়; কিন্তু সেই ভোৰভোৰণি প্ৰকৃততে কিহৰ বাবে তেওঁলোকে ক'ব নোৱাৰে। Gerontion'ৰ আলোচনা প্ৰসংগত আমি দেখিছোঁ। কেনেদৰে তাত "ঘৰটো"ক সভ্যতাৰ প্ৰতীক হিচাপে ঠিয় কৰোৱা হৈছে; 'ইহুদী'ক মিশ্ৰিত সংস্কৃতিৰ প্ৰতীক ৰূপে প্ৰয়োগ কৰা হৈছে আৰু 'মকৰা' আৰু শস্যৰ পোকক ধ্বংসৰ প্ৰতীক হিচাপে লোৱা হৈছে।

এইবোৰৰ অৰ্থ সহজতে বুজিবলৈ হ'লে অসমীয়া পাঠকৰ সম্যক সাহিত্যানুশীলনৰ প্ৰয়োজন। তেনে হ'লে তেওঁলোক কেতিয়াও দুৰ্বোধ্যতা সমস্যাৰ সম্মুখীন নহয়। স্কুল-কলেজৰ সাহিত্য-শ্ৰেণীত কবিতা নিশিকিলে আমাৰ পাঠক সকলে কবিতা শিকাৰ উপায় নাই; কিন্তু দুখৰ বিষয় যে আজি পৰ্য্যন্ত আধুনিক অসমীয়া কবিতাক স্কুল-কলেজৰ পাঠ্য কৰাৰ ব্যৱস্থা হোৱাই নাই। কবিতাৰ আলোচনা সভা, কবিতাপ্ৰেমীৰ ক্লাব, কবিতাৰ ৰেকৰ্ড আদি আজিও আমাৰ নহ'ল, এনে অৱস্থাত কবি আৰু পাঠকৰ আত্মীয়তা স্থাপনেই বা হয় কেনেকৈ? তদুপৰি আমাৰ আধুনিক কবিতাৰ উপযুক্ত মূল্যাংকন কৰি, সিবোৰক পাঠকৰ চকুৰ আগত ডাঙি ধৰি প্ৰচাৰ কৰিবলৈ আমাৰ মাজত কোনো ফ্ৰেজাৰ (G. S. Fraser) লীবিচ (F. R. Leavis বা (George B. Pough), নাই, দীপ্তি ত্ৰিপাঠী নাই। এইটো কম পৰিতাপৰ কথা নহয়।

...খিনিতে এটা কথা কৈ থব বিচাৰিছে। যে পাঠক সমাজত কবিতাৰ আধুনিকতা সম্পৰ্কেও কিছু জিজ্ঞাসা নথকা নহয়। আধুনিক যুগনো কোনটো? আধুনিক কবিতা কি? এইবোৰ প্ৰশ্নৰ সমাধান পোনপটীয়াকৈ দিব নোৱাৰি। নিজ নিজ সময়ত প্ৰতিটো যুগেই আধুনিক যুগ। কালিদাসৰ কাব্য তেওঁৰ সময়ত আধুনিকতম বুলি সকলোৱে স্বীকাৰ কৰি লৈছিল। সেইদৰে বিদ্যাপতি, চণ্ডীদাস আৰু আমাৰ ভোলানাথ দাস, ৰমাকান্ত চৌধুৰীৰ কবিতাও আছিল তেওঁলোকৰ জীৱন কালৰ আধুনিক কবিতা। এইদৰে দেখা যায় যে বিভিন্ন যুগত বিভিন্ন কবিৰ কবিতাই সেই সময়ৰ সম-সাময়িক সমাজত আধুনিক কবিতাৰূপে সমাদৃত হয়। কাৰণ ব্যাপক অৰ্থত আধুনিক শব্দটো অধুনা অৰ্থাৎ বৰ্ত্তমানৰ লগত জড়িত। এনে দৃষ্টি কোণৰ পৰা আমি যাক আধুনিক কবিতা বুলি আখ্যা দিও সিও প্ৰাচীন কাব্যধাৰাৰে এটি নতুন কল্লোল। গতিকে আধুনিক কি, প্ৰাচীন কি এনেবোৰ প্ৰশ্নৰ অৱতাৰণা কৰাটো অবান্তৰ। প্ৰকৃতপক্ষে ইয়াৰ দ্বাৰা এনে এটা বস্তুক খণ্ডিত কৰা হৈছে যি নেকি কালস্ৰোতৰ দৰে সদা প্ৰৱাহমান।

কিছু সংখ্যক লোকে দুৰ্বোধ্যতাকে আধুনিকতা বুলি সাব্যস্ত কৰে। দুৰুহতাই আধুনিকতানে? ইয়াৰ উত্তৰত ইয়াকে ক'ব পাৰি যে দুৰ্বোধ্যতাকে আধুনিকতা বুলি ধৰি লোৱাটো ভ্ৰান্তিকৰ; কিয়নো কবিতাৰ আধুনিকত্ব আৰু

প্ৰাচীনত্ব নিৰ্ণয় কৰা যায় তাৰ জটিলতা আৰু সৰলতাৰে নহয়—কবিতাৰ অন্তৰ্নিহিত গুণগত বৈশিষ্ট্যৰ দ্বাৰাহে। কবিতা আধুনিক হোৱাৰ আগতে কবিতা হ'ব লাগিব যত থাকিব যুগৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰা দীক্ষিত কবিৰ চিন্তাৰ সফল প্ৰতিফলন। এনে কবিতা সৰল বা জটিল যিয়েই নহওঁক সি অৰ্থপূৰ্ণ হয় আৰু তাৰেই মাজত সন্নিবিষ্ট হৈ থাকে চিৰন্তন কাল আৰু সমাজৰ প্ৰতিচ্ছবি।

আধুনিক কবিতাৰ বিৰুদ্ধে এটি অভিযোগ হ'ল যে সাম্প্ৰতিকৰ কবিসকল বৰ বেচি অনুকৰণপ্ৰিয়; কিন্তু কবি সকলে অনুকৰণ কৰোঁতে চোৱা উচিত যাতে তাত দেশৰ মাটি, মানুহ, মন, প্ৰাণ, ঐতিহ্য-পৰম্পৰাৰ গোন্ধ থাকে: কিয়নো আত্মকৰণবাদ আৰু অনুকৰণবাদ একে বস্তু নহয়। আধুনিক কবিসকলে মনত ৰখা উচিত যে শব্দৰ কাচবাজিৰে আগ গুৰি নোহোৱাকৈ সজাই দিলেই কবিতা নহয়। কবিতা এক বৃহত্তৰ কলা। গতিকে এই কলাৰ সমূচিত উন্নতিৰ আমি সকলোৱে চকু দিয়াটো এটা ডাঙৰ কৰ্তব্য।

—

'যিদৰে ৰং ৰেখাৰ অবিহনে চিত্ৰৰ কথা বা তাল-মান-লয় অবিহনে সঙ্গীতৰ কথা ভাবিব নোৱাৰি সিদৰে শব্দৰ অবিহনে কবিতাৰ কথাও মনলৈ নাহে।

কবি—দেশকাল মানুহৰ ইতিহাস চেতনাই সৃষ্টি কৰা এক বিশিষ্ট কণ্ঠ। সমাজ আশ্ৰয় কবিয়েই গঢ়ি উঠে শিল্প-সাহিত্য। সমাজ কবিৰ পাঠশালা। জীৱন যাৰ প্ৰধান শিক্ষক।"

[অসম সাহিত্য সভাৰ দ্বি-পঞ্চাশতম্ অধিবেশনৰ কবি সন্মিলনৰ সভাপতি হীৰেণ ভট্টাচাৰ্য্যৰ অভিভাষণৰ পৰা ]।



# সুকবি নাৰায়ণদেৱৰ দৃষ্টিত বেউলা

শ্ৰীনৰেন্দ্ৰ কলিতা
অধ্যাপক, অসমীয়া বিভাগ।

সুকবি নাৰায়ণদেৱৰ ৰচিত পদ্মা পুৰাণৰ অন্ত-
ত "বেউলা-লখিন্দাৰ" কাব্যখনৰ নায়িকা হৈছে
জনি সাহে ৰজাৰ জীয়াৰী আৰু চম্পক নগৰৰ
ন্দ সদাগৰৰ বোৱাৰী—সতী বেউলা। বেউলা
পে-গুণে অতুলনীয়া; সেই কালৰ আদৰ্শ ৰমণী
াৰু সতীত্বৰ জলন্ত দৃষ্টান্ত ৰূপে কাব্যত অঙ্কিত
হছে। নায়ক লখিন্দাৰ আৰু নায়িকা বেউলা
য়োটিয়ে পূৰ্বতে সৰগৰ গন্ধৰ্ব্ব আৰু অপেস্বৰা
াছিল। উষা আৰু অনিৰুদ্ধৰূপে তেওঁলোক
জনে জন্ম গ্ৰহণ কৰিছিল আৰু এই জনমতো
দ্মাৱতীয়ে নিজৰ অভীষ্ট সিদ্ধিৰ কাৰণে এওঁলোক
জনক ইন্দ্ৰৰ পৰা ভিক্ষা কৰি আনিছিল।

লখিন্দাৰৰ জন্ম-জন্মান্তৰৰ লগৰী ৰূপে বেউ-
াই বিয়াৰ ৰাতিতে বিধৱা হোৱাটো এটি করুণ-
ম কাহিনী। এই কাহিনীত পদ্মাৱতী, নেতাৱতী,
হাদেৱ, পাৰ্ব্বতী প্ৰমুখ্যে দেৱ-দেৱীৰ তীক্ষ্ণ প্ৰভাৱ পৰিছে। মৃত স্বামীক পুনৰ জীৱন দিয়া কাহিনী এটি অলৌকিক আৰু এটি দৈৱিক সমস্যা হৈ পৰিছে। বেউলাই উল্লেখিত দেৱ-দেৱীৰ সহায়ত অসাধ্য সাধন কৰি সতীৰূপে জগতত জনাজাত হৈছে। আমাৰ আলোচ্য কাব্যত মনসা দেৱীয়ে বেউলা-লখিন্দাৰৰ কাহিনী নিয়ন্ত্ৰণ কৰিছে। বেউলাক আমি বিয়াৰ দিনা ৰাতি মেৰঘৰত পোন প্ৰথমতে লখিন্দাৰৰ লগত প্ৰেমালাপ কৰি থকা অৱস্থাত লগ পাওঁ। ইয়াৰ পিছত বেউলাই স্বামীৰ মৃত্যু শোকত কাতৰ হৈ কিদৰে কলৰ ভেলত উটি ভাহি গৈ নেতাৰ সহায়ত দেৱতাৰ পুৰী পালেগৈ তাৰেই বিপদ শঙ্কুল দীঘলীয়া যাত্ৰাৰ মাজত পদে পদে বেউলাৰ বুদ্ধি আৰু পাৰদৰ্শিতাৰ নিদৰ্শন পাওঁ। বেউলাৰ চৰিত্ৰত একাগ্ৰতা আৰু কৰ্তব্য নিষ্ঠাৰ উৎকৃষ্ট দৃষ্টান্ত পৰিলক্ষিত হৈছে।

"পদ্মা-পুৰাণ"ৰ অন্যান্য পদৰ পৰা আমি জানো যে বিয়াৰ আগতে বেউলাই বন্ধা-বঢ়া আৰু বোৱা-কটাত পাৰ্গতালি দেখুৱাইছিল। চান্দসদাগৰে বেউলাৰ বন্ধন বিদ্যা দেখি প্ৰসংশা কৰিছিল। বেউলাৰ নৃত্য-গীত নিপুণতাই মৃত স্বামী লখিন্দাৰৰ পুনৰ জীৱন লাভত বিশেষকৈ সহায় কৰিছিল।

বেউলাৰ জীৱন ধৰ্য্য আৰু সাহসৰো এক উজ্জল চানেকি। বিয়াৰ ৰাতিতে বিধবা হ'ল যদিও বেউলাই ধৰ্যৰ চাৰি সীমা পাৰ হৈ যোৱা নাছিল আৰু পূৰ্ব্বজন্মৰ কথা সুঁৱৰিব পৰা গুণে অদম্য সাহসেৰে স্বামীৰ মৃত দেহ লৈ দেৱতাৰ পুৰীলৈ যাব ওলাইছিল। চন্দ্ৰধৰ আৰু সোনেকাৰ বাধা নিষেধ, ৰতি ধাইৰ আপত্তি সকলোকে অতিক্ৰম কৰি কলৰ ভুৰত বেউলাই যাত্ৰা আৰম্ভ কৰিছিল। যাত্ৰা-পথত অনেক বাধা-বিঘিনি, নিজৰ ককায়েকৰ আপত্তি আদিও নেওচি বেউলাই মানসিক দৃঢ়তা, সাহস আৰু ধৰ্য্যৰ পৰিচয় দিবলৈ সক্ষম হৈছিল।

বেউলাৰ এই অসাধ্য সাধনৰ প্ৰচেষ্টাত নেতাৱতী, মহাদেৱ আৰু পাৰ্ব্বতীয়ে অনুকূল ভূমিকা গ্ৰহণ কৰিছে। আনপক্ষে পদ্মাৱতী, চন্দ্ৰধৰ আৰু বহুতেই বাধা বিঘিনিৰ সৃষ্টি কৰি প্ৰতিকূল ভূমিকা গ্ৰহণ কৰা দেখা গৈছে। প্ৰথমতে, নেতাৰ মন্ত্ৰণাৰ ফলতেই পদ্মাৱতীয়ে চন্দ্ৰধৰ আৰু বেউলাৰ সৰ্ব্বনাশ সাধন কৰিছিল; কিন্তু বেউলাৰ সতীত্বৰ প্ৰভাৱ আৰু ৰূপ-গুণত মুগ্ধ হৈ নেতাৱতীৰ অন্তৰতো একেৰি হলেও দয়াৰ ভাৱ উদ্ৰেক হ'ল। সেইবাবে বেউলাই যেতিয়া কাপোৰ ধুই থকা অৱস্থাত নেতাক কাকুতি-মিনতি কৰে, তেতিয়া নেতাৰ অন্তৰ সহানুভূতিৰে ভাবাক্ৰান্ত হৈ পৰে আৰু বেউলাক সহায় কৰিবৰ কাৰণে সকলো প্ৰকাৰে যত্নপৰ হোৱা দেখা গৈছে। মহাদেৱ আজ্ঞামতে পাৰ্ব্বতী, ইন্দ্ৰ, নাৰদ আৰু পদ্মাৱতী প্ৰমুখ্যে আন দেৱ-দেৱীৰ সন্মুখত বেউলাই অপূৰ্ব নৃত্য-গীত পৰিৱেশন কৰি সকলোকে মোহিত কৰিলে। নানা চল-চক্ৰান্ত কৰিও পদ্মাৱতী বেউলাৰ উদ্দেশ্য সাধনত সন্মতি দি লখিন্দাৰক পুনৰ জীয়াই দিবলৈ বাধ্য হ'ল। অকল স্বামী লখিন্দাৰকে নহয় ছয়জনা ভাই-শহুৰ, চান্দ সদাগৰৰ চৈধ্যখন ডিঙা, ধ্বনন্তৰী ওজা আৰু অন্যান্য সম্পত্তিও পুনৰপি উদ্ধাৰ কৰিলে। এনেদৰে বেউলাৰ অভীষ্ট সিদ্ধি হোৱাৰ লগে লগে পদ্মাৱতীও পূজা পোৱাৰ অঙ্গীকাৰ বেউলাৰ পৰা আদায় কৰিছে। লখিন্দাৰ, বেউলা, ছয় ভাই শহুৰ সহিতে চম্পক নগৰলৈ প্ৰত্যাৱৰ্ত্তন কৰাৰ লগে লগে আমাৰ কাব্যখনৰ কাহিনীৰো পৰি সমাপ্তি ঘটিছে। এই পুনৰ জীৱনৰ কাহিনী শোক, আবেগ, আনন্দ, ৰোমাঞ্চকৰ পৰিবেশ সৃষ্টি কৰাৰ লগে লগেই পদ্মাৱতীতকৈও বেউলাৰ অধিক বুদ্ধিমত্তা আমাৰ দৃষ্টি গোচৰ হৈছে,

"সত্য কাঢ়ে বেউলাই পদ্মাৰ গোচৰে।
নৱ লক্ষ বলি দি পূজিব শহুৰ সদাগৰে॥
যদিবা নুপূজে তোমাক শহুৰ সদাগৰে।
তবে পূজা কৰিবো মোৰ স্বামী লখিন্দাৰে
যদিবা নুপূজে তোমাক স্বামী লখিন্দাৰে।
পুনৰপি স্বামী মোৰ যাইবো যম-ঘৰে॥
এহি শুনি পদ্মাৱতী হৰষিত মন।
লখাইক জীয়াইতে প্ৰতি কৰিলা যতন॥"

এই প্ৰসঙ্গত এটা কথা উনুকিয়াব পাৰি



সতী সাৱিত্ৰীৰ দৰে বেউলাৰ চৰিত্ৰও সুকবি নাৰায়ণদেৱে পৌৰাণিক আদৰ্শৰে ভাৰতীয় জনসাধাৰণৰ মানসত গুণৱতী, ৰূপৱতী সতী-সাধ্বী ৰূপে অঙ্কণ কৰিছে। বেউলাই মেৰ ঘৰত লখিন্দাৰৰ মৃত্যু হোৱাৰ পিছতো কপালৰ ৰঙা সেন্দুৰৰ ফোঁটটো মচি পেলোৱা নাছিল; কিয়নো পূৰ্ব্ব জন্মৰ কথা স্মৰণ কৰিব পৰা বেউলাই নিজৰ সতীত্বৰ বলত স্বামীক পুনৰ জীৱিত কৰিবলৈ নিজৰ ওপৰত যথেষ্ট বিশ্বাস ৰাখিছিল; সতীত্ব, প্ৰেম আৰু সৌন্দৰ্য্য ৰমণী চৰিত্ৰৰ ভূষণ। যুগে যুগে কবিসকলে এনেবোৰ গুণৰ দ্বাৰা আদৰ্শ ৰমণীৰ সৃষ্টি কৰি আহিছে। বেউলাৰ চৰিত্ৰ গঞাঁ কবিৰ হাতত চিত্ৰিত হৈছে যদিও ই কোনো গুণে আদি কবি বাল্মীকিৰ সীতা নাইবা পৌৰাণিক ঋষি-মুনিসকলৰ সাৱিত্ৰী আদিৰ তুলনাত কোনো গুণে নিৰ্‌ক্ৰিয় হোৱা নাই।

বেউলাই বাধা-বিঘিনিৰ মাজেদি দেৱ-পুৰীলৈ যোৱাৰ বাটত দোকানী, শিয়াল, গধা আদি অনিষ্টকাৰী শত্ৰুৰ সন্মুখত নানা ভাৱে বুদ্ধি প্ৰয়োগ কৰি আত্ম ৰক্ষা কৰিবলগীয়া হৈছিল। আনকি বিয়াৰ ৰাতি কামাতুৰ স্বামী লখিন্দাৰক মৃত্যু-ভয় দেখুৱাই বুজাই-বঢ়াই মদন-পীড়াৰ পৰা আৰোগ্য কৰা কথাখিনিতো বেউলাৰ বুদ্ধি আৰু চোকা মনৰ পৰিচয় পোৱা যায়,—

"অবাইচা গৰুক প্ৰভু জুৰি বাৱে হাল।
নষ্ট কৰে নাঙ্গল যুৱলি নষ্ট কৰে ফাল॥

আকৌ,—

"যদি সত্য নষ্ট প্ৰভু কৰাহা আমাৰ।
তেবেঁতো নাহিৰ প্ৰভু জীৱন তোমাৰ॥
মৰণৰ কথা শুনি বণিক-নন্দন।
মনক থাপিয়া লখাই কৰিলা শয়ন॥"

গতিকে দেখা গ'ল যে বেউলাৰ চৰিত্ৰৰ লগত কাব্যখনৰ আনি আন মূল চৰিত্ৰ যেনে পদ্মাৱতী, চন্দ্ৰধৰ, লখিন্দাৰ, মহাদেৱ আদিৰ ঘনিষ্ঠ সংযোগ আছে। লখিন্দাৰতকৈও বেউলাৰ চৰিত্ৰ বেছি মনোগ্ৰাহী আৰু ক্ৰিয়াশীল। বেউলাই সক্ৰিয়ভাৱে কাব্যৰ আদিৰ পৰা অন্তলৈকে বিভিন্ন অনুকূল-প্ৰতিকূল পৰিৱেশত উপযুক্ত কাৰ্য্য কলাপ দেখুৱাইছে। মহাদেৱে বেউলাক নাতিনী সম্বন্ধ ধৰি বিয়া কৰাৰ খোজাত, চন্দ্ৰধৰে লখাইক পানীত ভহাই দিব খোজা আৰু কেইডালমান কলগছ দিবলৈ অসন্মত হোৱা আদি অৱস্থাত বেউলাই যথেষ্ট বুদ্ধি আৰু ধৰ্য্যৰ পৰিচয় দিছে। এইদৰে বেউলাৰ চৰিত্ৰই জনসাধাৰণক কান্দি কন্দুৱায়, হাঁহি হহুৱায় আৰু নাচি নচুৱায়।




"শিলে শিলে ঠেকা খালে নিজৰাৰে পানী ·· এচেৰেঙা বঙা বঁদে বং দিলে সানি ।" কৰ্ণ-কুহৰত ধ্বনিত হোৱা এই গীতটোৱে মোক মানসলৈ টানি নিয়ে। পানীৰ মাজে মাজে ওলাই থকা শিলবোৰৰ ওপৰেদি দেও দি বগাইছিলো হাতত ধৰা ধৰিকৈ। পিচলি পৰিব খুজি---- মোৰ হাতৰ মুঠিত বৈ গৈ··· মানসীয়ে খিল্ খিলাই হাঁহি দিছিল। মই চাইছিলোঁ, ভাগৰ লাগিছিল মানসীৰ। কপালত, নাকৰ গুৰিত ঘাম বিৰিঙিছিল। গাল দুখন বক্তিম হৈ পৰিছিল। চকুহাল কিন্তু চঞ্চল হৈ আছিল। মই মানসীৰ চকুহাল থুউৰ চাওঁ; যিদৰে মাঁ ··মাঁ · মম্ মী ·· মম্ মী কৰিব পৰা হোৱা শিশু সকলে জোনটো চায়। মানসীৰ চকুযুৰি চাওঁ, ···চাই থাকোঁ ·· চাই থকাৰে ইচ্ছা হয় অৱসাদ নাই··· । কিয় চাওঁ,···চাই কি পাওঁ····কব নোৱাৰো কব পাৰিলৈ মই ভৱাই নাই কেতিয়াও। ভাল লাগে সিমান জানো। কিয় ভাল লাগে ·· কব নোৱাৰোঁ।

"এই ··এনেকৈ কি চাইছা?" মানসীয়ে মোৰ তন্ময়তা ভাঙিবলৈ মোৰ হাতখন জোকাৰি দিলে।

'মানসীৰ চকুযুৰি··· ।'

"পাগল··· !" মানসীয়ে হাঁহি দিলে।



"কিয় ·· ?" মোৰ সহজ আশ্চৰ্য্য।

"এই চকুযুৰি জানো প্ৰথম দেখিছা? আজি সাত বছৰে দেখিছা।'

"কিন্তু, মইওতো মোক বাল্যকালৰে পৰা আয়নাত চাইছোঁ; তথাপি জানো এতিয়াও নাচাওঁ? আৰু চাই—সদায় নতুন, নতুনে লাগি থাকে। মইতো চাবৰ সময়ত সদায় পাহৰি থাকো; মই নতুন নহয় নেকি !!!"

"বলা আগুৱাই যাওঁ।" মানসীয়ে মোৰ হাতখন টানিলে।

"উহুঁ,···আমি অকণ জিৰাম ইয়াত বহি ।'

"কিয় ·· ?"

"কাৰণ মানসীৰ ভাগৰ লাগিছে।"

"কোনে কলে?"

"হৃদয়ে ।'

"হৃদয়ত কৰ পৰা কি আছে ?

"তুমি মানসী ।"

ডাঙৰ শিল এচতাত মানসীয়ে বহি ললে; মোৰ কাষতে।

"তুমি কেৱল মোৰ কথা ভাৱি থাকা ·· ।"

"থাকো।"

"কিয়?"

"তোমাক মই বুলি ভৱাৰ পাছত তোমাৰ কথা ভাৱিলেও মোৰ কথা ভৱাই হয়। সেই বাবে ।"

"পাগল ।"

"তুবাৰে বুলিলা । মই যদি সঁচাই পাগল হৈ যাওঁ, তেতিয়া—তোমাৰ বিপদ আছে।"

"ধেৎ ।"

"সঁচা; পাগল হৈ যদি আমাৰ প্ৰেম কাহিনী কৈ ফুৰোঁ ··· !!! মানসীজনী হাহিত যেন বাগৰিব।

"আচলতে কি জানা বাজু···তুমি এটি সৰু ল'ৰা হৈ আছা ।'

মানসীয়ে মোক বাজু সম্বোধনেৰে সৰু ল'ৰা-বোলাৰ দৰে মই নিজকে ডাঙৰ বুলি ভাৱিয়ে পোৱা নাই। ভাবো মই এজন নৱ-কিশোৰ। সময়ে কিন্তু মোৰ কৈশোৰক কেতিয়াবাই কাঢ়ি ললে। ভাৱো বহু কথা ··· । ভাৱিলেই মানসত ভাহি উঠে বহু ছবি ।

সিদিনা কলেজ আলোচনীখন ওলাল । তাত মোৰ গল্পটি—"সাগৰিকা"ও ওলাল। ওলাই এক প্ৰশ্নৰ সন্মুখীন কৰিলে মোক ভুপেনদাৰ গীতটো যে—"সহস্ৰ জনে মোক প্ৰশ্ন কৰে; মোৰ প্ৰেয়সীৰ নাম কি ?'

সাগৰিকা হেনো মোৰ প্ৰিয়া ·· । কোন তেওঁ ক'ত ? এজন ভাইটিয়ে মোক থকা-সৰকা নকৰিলেও মোৰ ওচৰত সমিধান বিচাৰিছিল।

ভাৱিলো পুনৰ এটি গল্পেৰে বুজাওঁ। হাতত কাগজ কলম ললোঁ। ভাৱিলোঁ ঠিক্ সিনানতে মনত পৰিল মানসীৰ সতে বাজুৰ কথা । মানসৰ কথা।

আজি বতৰটোও কিবা ন' কইনাৰ অভিমান যেন । ন' কইনা বেলিক মেঘে ওৰণি হৈ ঢাকিছে। বেলি ওলায় আমাক পোহৰ দিবলৈ। কিন্তু এই যে মেঘে ঢাকে বেলিটো লুকাই বৈ যায় লুকাই বৈ নাযায়···মেঘে লুকাই থয়।

সিদৰে মই "সাগৰিকা" কোন বুজাবলৈ যাওঁতে

যদি মোৰ ভাষাই "সাগৰিকা"ক ঢাকি থয়.... !! বেলিক মেঘে ঢকাৰ দৰে, আৰু নুবুজি, ভাইটিয়ে মোক খং কৰিলেও মই অসহায়। মেঘে ঢকাৰ পাছত বেলি যিদৰে অসহায় ; মোৰ ভাষাই "সাগৰিকা"ক ঢাকিলে মইও অসহায়।

নাভাৱিবা মই কুঁৱলীত হেৰোৱা ধোঁৱাৰ সাধু কথাৰ বকলা মেলা বুলি।

সাগৰিকাই মোলৈ বৈ থাকে....বাট চাই চাই.... । এবুকু আশালৈ বহু মৰম....অলপ অভিমান লৈ.... । তেওঁ তেনেকে বৈ থাকে.... । তেওঁৰ কবি....তেওঁৰ শিল্পীক আদৰিবলৈ। [লোৰ গড়ালৰ মাজত থাকি দুহাত প্ৰসাৰি]। তেওঁ বিচুবিয়াচ্‌ৰ সুপ্ত অৱস্থা।

মই যাওঁ কেক্‌টাচ্‌ ভৰা বাটটিৰে। কেক্‌টাচৰ কাইটবোৰ মই আতঁৰাই যাওঁ—মোক অনুসৰণ কৰা সকলৰ বাবে। দেহৰ অত তত কাইটে বিন্ধে। বিন্ধক। মোৰ গাত বহু কাইটে বিন্ধে। অৱসৰত উলিয়াই পেলাওঁ। অভ্যাস হৈ পৰিছে মোৰ। আৰু আজি কালি কেক্‌টাচ্‌ মই....সুদা ভৰিৰ তলৰ উলুৱনি বুলি ভাৱো। মই বোলাৰ দৰে....সময়ত অনেকে বুলিব, ভাবিব।

গগণমুখী ইউ-ক্লিপ্‌টাচ্‌ জোপাৰ তলত.... পিঠি ভৰা....চুলিৰে ; আৰু কেতিয়াবা দুৱৰি দলিচাত বহি....দুআঠুৰ মূৰত মূৰ থৈ অপেক্ষা কৰে মোক। আজি মই যোৱা নাই। তেওঁ মোক খুউব খং কৰিব। কব–'মই বৈ বৈ ভাগৰিলোঁ....তোমাৰ খৱৰে নাই।"

সিদিনা মই যাওঁতে বহি আছিল....দুৱৰিত।

"গুড্‌ ইভিনিং....নয়নদা.... !"

"অল দ্যা গুড্‌ টু উই.... "!!



"দেখিছোঁ, তুমি দিনে দিনে ধুনিয়াজনী হ ধৰিছা....সাগৰিকা।"

"ছোৱালীক হেনো ল'ৰাবোৰে এইৰ কথাৰে কাবু কৰিবৰ চেষ্টা কৰে.... ।" হাঁহিলে সাগৰিকাই।

"ছোৱালী-ল'ৰাৰ কথা বাদ দিয়া....ন নয়নে....তোমাক সাগৰিকাক কিহেৰে কাবু কৰা চেষ্টা কৰিছোঁ....?"

"চব কথা....তুমি তোমাৰ গাত কিয় মেৰা লোৱা....মই বেয়া পাওঁ - কিন্তু। তুমিতো আ ল'ৰাৰ দৰে নহয়। তোমাৰ—বৈশিষ্টতাই কাৰণ মই তোমাক ভাল পাওঁ।"

"সঁচা সাগৰিকা ... !!!

"ওঃ সঁচা।'

এই সাগৰিকাজনী এটি ফুল.... । এটি শু গোলাপ। কোমলতা আৰু লজ্জাৰে। আ কেতিয়াবা এপাহ পলাশ বহু ফুলৰ পৃথক.. । প্ৰায়ে তেওঁ এমোকোৰা হাঁহি থাকে। মই কওঁ...সাগৰিকা মোৰ কলিজা মহীচুণ্ডাৰ বক্তিমতা। মোৰ বক্ত কনিকা ..মো জীৱন। সাগৰিকা—সাগৰৰ....মহাসাগৰৰ। আ মই মৰুৰে গতি কৰা পথ ভ্ৰান্ত। সাগৰিৰ উচ্চাৰণত শব্দহীন এটি মধুৰ গান..সংগীতৰ ঝংকা ৰৰ দৰে।

আঁহতৰ তলৰ জুৰিৰ দৰে বৈ থাকে....মো বুকুৰেদি। হিৰিংজানৰ হৰিনাৰ দৰে দৌৰে মো ভাৱেদি। এটি পখিলাৰ দৰে জাকি মাৰি উ মোৰ মন ফুলনীত। জুৰিৰ ফটিক পানীত তে পূৰ্ণিমাৰ জোন....কহুঁৱাৰ আঁৰেৰে দেখা। হা জালে তেওঁ মোৰ পদূলিৰ নাহৰ জুপি হৈ।



"নয়নদা....এটা কথা সোঁধো.... ?"

"সুধিবা ; কিন্তু তাৰ আগতে ঘৰলৈ মাতা। ইয়াতে—পদূলিত ৰখাই থ'বা নেকি ?"

"ইচ্‌ কিয় থমনো....বলা।"

মই সাগৰিকাৰ পাছে পাছে গৈ ড্ৰয়িং ৰুমত বহিলোঁ। লেম্পৰ পোহৰত সন্ধিয়াৰ আন্ধাৰ খিনি আঁতৰি এক স্নিগ্ধ পোহৰে কোঠালীটো পৱিত্ৰ পৱিত্ৰ কৰিছে। ঠিক মৰমসনা চকুহালে সাগৰিকাক সদ্যস্নাতা ফুল কৰাৰ দৰে।

"নয়নদা, তুমি মাজে-মাজে এনেকে কি ভাৱৰ সোঁতত উটা,কিয় বাৰু ?"

"জানা সাগৰিকা তোমাৰ সান্নিধ্যই তোমাৰ নয়নক অন্য এজন মানুহ কৰে ; যি নিজক পাহৰি যায় । তোমাৰ মনত আছেনে আমাৰ প্ৰথম অৰ্পণ-অৰ্চনৰ কথা । এক শাৰদীয় সন্ধিয়া, যিটি সন্ধ্যাত প্ৰকাশ কৰিছিলা হৃদয়ৰ গোপন বতৰা 'আই লাভ ইউ নয়নদা।" আৰু মই যেন শুনিও শুনা নাছিলো। এবাৰ শুনিয়ে শান্ত হব পৰা নাছিলোঁ। বহুবাৰ শুনাৰ মন গৈছিল। তুমি কব পৰা শুনাবা বহুবাৰ ..এবাৰ কওঁতে তুমি কঁপিছিলা। পিচত জানিছো তোমাৰ কপনৰ কাৰণ। তুমি ভয় কৰিছিলা মই আন ছোৱালীক কৰা উপেক্ষা তোমাকো কৰিম বুলি।

মই যে ভীষণ গম্ভীৰ তথা লাজকুৰীয়া আছিলোঁ। আৰু তাতকৈ ডাঙৰ কথা কোনো গাভৰুকে মই কেতিয়াও বিচৰা নাছিলোঁ। মোৰ চিনাকি সকলো গাভৰুৱে মোক ভয়-লাজ সন্মান কৰিছিল। সম্ভৱতঃ মোৰ আত্মাই গোপনে তোমাক সজাইছিল।

"মই তোমাক ভাল পাওঁ নয়নদা কিয় কব নোৱাৰো। মই তোমাৰ কাষত থাকিব বিচাৰোঁ পলে-পলে, ক্ষণে-ক্ষণে।" "উহু...তুমি নহয় ; নয়নে সাগৰিকাক ভাল পায়। নয়নৰ নয়নে প্ৰতিটো দৃষ্টিতে সাগৰিকাক ধৰি ৰাখিব খোজে। সাগৰিকা তুমি মোৰ কবিতা মোৰ ছবি মোৰ জীৱন।"

পাছত এক সেই একে সন্ধ্যা ; শাৰদীয় – জোনালীত তুমি বৈ আছিলা—তোমালোকৰ পদূলিৰ শেৱালীৰ তলত। পলাশ—পলাশ নহয় কৰবীৰ ৰঙে ৰঙোৱা হালধীয়া সাঁজেৰে। চুলিতাৰী আউল-বাউল কৰি, বুকুত আশা, ওঁঠত ভাষালৈ মোৰ বাবে। মই তোমাৰ দুবাহুত, তোমাৰ দুকান্ধত মোৰ দুবাহু তুলি দিছিলোঁ। মুক্ত পতঙ্গ পাহিৰ দৰে তোমাৰ কপালত চুমা আঁকি—দিছিলোঁ মই। আত্মহাৰা তুমি মোৰ বুকুৰ মাজত সোমাই পৰিছিলা।

"মই তোমাৰ নয়নদা !!!

"উহু নহয় নয়ন তোমাৰ।"

মোৰ মনত আছে সময়ৰ সৰু-সৰু টুকুৰা ছবি – বহু কথা। নেথাকিব কিয় !! মই যে তোমাৰ প্ৰেৰণাৰ শিল্পী সাহিত্যানুৰাগী। সেই সময়ৰ মাজতে শিয়ালীহঁতৰ ধূৰ্তালি। সেই শিয়ালীহঁতে গাখীৰ গাখীৰ লগা মোজাম্মিল হক, অনিল বৰাৰ শেষ টুপি ৰক্ত চেলেকি খাইও শান্ত নহল। আৰু চুৰাঁপাতনিতে লুকাই ৰ'ল। মনত আছে লেলাওতি বোৱা ওঁঠত ভজা মাংস বিচাৰি নিজৰ ভনী-ভাতৃক—মাতৃক এছাম কুকুৰৰ আগত তুলি দিলে। অসম এটি নগন্য প্ৰশ্ন হ'ল। হৰই, টকাই অন্ধ কৰিলে ভনী যাৰ এটুকুৰা মাংস হৈ যায় ; তাৰ বাবে চেতনা

জাতি অনাৰ। ক্ষোভত হোৱা মোৰ অপমৃত্যুৰ কথা কাক কম? কিয় কম? পশুৰো নিজ প্ৰকৃতি আছে। এই মানুহৰ লোভ, কামনাই সিহঁতক অধম কৰিছে।

ব্যক্তিত্ব হীন ইহঁতে বেচো বেচো—বেচা যাওঁ বেচা যাওঁ কৰি থাকে। অসহায় তুমি তাৰে ইতিহাস। তুমি প্ৰৱাহমান লুণ্ঠনৰ বাস্তৱ ছবি। তুমি মোৰ দৰ্শন চকু।

নিশা শুই থকাৰ পৰা মই খক্-মকাই সাৰ পালেঁা। কি যে সপোন···মোৰ ডিঙি চেপাৰ আক্ৰোশেৰে দুখন হাত। পিছদিনা মই গলোঁ সাগৰিকাৰ ঘৰলৈ। বিচনাখনত সাগৰিকা শুই আছিল টোপনী যোৱা নাছিল। কোঠাৰ এক-মাত্ৰ চকিখনত বহি শুনিছিলোঁ সাগৰিকাৰ কথা—। এটা সময়ত সাগৰিকাৰ দুচকু চকু-লোৰে ওপচি পৰিছিল। গালেৰে নিগৰি সৰি-ছিল চকুলো টোপাল··। মই বৰকৈ ভাগৰি পৰিছিলোঁ। পুৰুষ বুলি চকুলো সম্বৰণ কৰিছিলোঁ।। দুচকু মোৰ পুৰিছিল। কওঁ কওঁ বুলি কব পৰা নাছিলো কথা। ডিঙি বিষাইছিল—ওঁঠ শুকাই গৈছিল। তথাপি সাগৰিকাৰ চকুলো মই সহিব নোৱাৰো নোৱাৰিলোঁ।

"সাগৰিকা,···আমি যাওঁগৈ বলা " !" মই কিবাকৈ কলো" " সাগৰিকা নিৰুত্তৰ। তেওঁ মোলৈ পিছ দি বালিচত মুখখন গুজি জোৰকৈ উচুপি উঠিল। মই মুক্ হৈ গলো। বুজিও নুবুজিলো সাগৰিকাৰ এই ক্ৰন্দনৰ কাৰণ। "সাগৰি কি হ'ল তোমাৰ সাগৰি প্লিজ বন্ধ কৰা তোমাৰ ক্ৰন্দন·· তোমাৰ চকুলো মই সহিব নোৱাৰো। মই ওভটি গৈ ঘৰ নেপাম···মই হেৰাই যাম সাগৰি···।"

বহি থকাতে মই নিথৰ হৈ গলোঁ। মই শূন্য হৈ গলোঁ। সাগৰিকাই এপলক চুপ হৈ থাকি বিচনাত শুই থাকিয়ে মূৰ তুলি মোলৈ চালে। এযুৰি উখহা চকু···। "নয়নদা তুমি হেৰাব নোৱাৰা। তোমাৰ বাবেই যে আছোঁ মই জীয়াই। এইয়া মোৰ আনন্দৰ চকুলো··· তুমি যে মোক কিমান ভাল পোৱা ···তাকে অনু-ভৱ কৰি ।' "সাগৰিকা, মই ভালপাওঁ তোমা স্নিগ্ধ হাঁহি "চকুলো নহয়, নহয় ··সা-গ-ৰি তোমাৰ হাঁহিৰ বাবে যে মই মোক নিজে প্ৰস্তুত কৰি ৰাখো।"

—মোৰ কথাত, শুই থকা সাগৰিকাই বি-নাতে উঠি বহিল। দুহাতে দুচকু মচি দুৰ্ব্বল হাঁহি মাৰিলে।

"এইয়া চোৱা নয়নদা মই হাঁহিছোঁ কোৱা, এতিয়া তুমি আৰু হেৰোৱাৰ ব নোকোৱা···।" দুৰ্ব্বল দেহৰ, দুৰ্ব্বল দুটি চ দাবী····।

"মই তোমাক ভালপাওঁ সাগৰি····।" সাগৰিকাৰ হাত দুখন মোৰ দুহাতৰ মাজত বিভোৰ হৈ চাইছিলোঁ। সাগৰিকালৈ···এই জন মোৰ সাগৰিকা····মোৰ মনক ৰামধনুৰ ৰং বোলোৱা। এই জনীয়ে মোৰ সাগৰিকা···

"য়েই···কি ভাৱিছা···?" সাগৰিকাই দুহাতৰ মাজত থকা তেওঁৰ হাতদুখন জোৰ মোক মোৰ তন্ময়তাৰ পৰা আতৰাই দিলে

"তোমাৰ কথা, সাগৰিকা।····"

"কি কথা····?"

"ভাৱিছো আৰু কিমান দিন·· কিমান মই তোমাৰ দুখ চাব লাগিব···কোন দিনা··· কলে···বলা নয়ন আমি যাওঁ।"

"প্ৰথমে তুমি তোমাৰ পঢ়া শেষ কৰা···তাৰ পাছত মোৰ কথা ভাবিবা····। তোমাক যাবলৈ দিবৰ মন নেযায়, কিন্তু নিশা বহু হ'ল যোৱাগৈ নয়নদা···পৰীক্ষা ওচৰত।"

"কিন্তু সাগৰিকা···মনত ৰাখিবা···তোমাৰ চকুলো যেন আৰু কাহানিও নেদেখো - নুশুনো····।'

সাগৰিকাই নামাতিলে···মাথো এটিবাৰ হাঁহি "বাই" বুলি মোক বিদায় দিলে। সাগৰিকা···· মৰমৰ প্ৰশান্ত—তাতোধিক! গভীৰতা আৰু সীমাৰ অন্ত নাই। অনন্ত। সত্যবাদৰ ৰূপত তেওঁ সুৰুষৰ প্ৰখৰতা। তেওঁ অনন্যা। দুটি অধৰত প্ৰাতঃ গোলাপৰ হাঁহি। দুচকুত এক সদ্যস্নাতা পদুম পাতৰ নিয়ৰ টোপালৰ তিৰ্-বিৰণি। তেওঁ যেতিয়াই মোক সম্বোধন কৰে—"নয়নদা" তেতিয়া খেলি যোৱা বিজুলী ধুমুহা স্তব্ধ হৈ যায়। ধুমুহাই মলয়াৰ ৰূপ লয় - বিজুলীয়ে জোনালীৰ। আৰু জোনালীয়ে মোৰ সাগৰিকাক এটি শুভ্ৰ গোলাপ কৰি তোলে।

আজি প্ৰায় কেইবাটাও পযেকৰ পাছত মই আৰু সাগৰিকা ওলাইছোঁ। ওলাইছোঁ আমাৰ চাৰ্টিফিকেট্ সম্বন্ধীয় এক সকামত। বাটতে পালোঁ মহাবিদ্যালয়ৰ এজন উদীয়মান ডেকাক। যুগৰ এজন নতুন পুৰুষক। শান্ত ভদ্ৰ এজন যুৱক। মহাবিদ্যালয় আলোচনী সম্পাদক। এনে উদাৰ মনোভাৱাপন্ন ডেকাৰ সংখ্যা বৃদ্ধি হলেই, এখন বিদ্যালয় তথা এখন সমাজে ন' গতি লব পৰা শক্তি পাব। শিক্ষা আৰু শিক্ষাৰ্থীৰ মাজত তথা বাৰুকৈ উঠি অহা ডেকা শক্তিৰ এক দিব্য পোহৰে পুনৰ আচল মানুহক জগাব পাৰিব।

মই মোক সাহিত্যিক বোলাৰ দুঃসাহস কৰিলে, সাহিত্যিকসকলৰ মৰ্য্যদাক আঘাট কৰা হব। কিন্তু প্ৰকাশৰ সুবিধা থকা এইজন আলোচনী সম্পাদকৰ দৰে, ডেকাপুৰুষে মোক আঁকোৱালি লব খুজিলে মইও কিবা এটা হব পাৰিম। তেওঁ মোক কৈছিল -

"নয়নদা···মই আপোনাক লগ পোৱাৰ খুউব আশা কৰি আছিলোঁ। আপোনাৰ গল্প এটা লাগে বি-সোনকালে।"

শুনি মই বাৰুকৈ অভিভূত হৈছিলোঁ। অনাম আনন্দ তথা প্ৰকাশিত "সাগৰিকা"ৰ প্ৰতি পঢ়ুৱৈৰ মনোভাৱ দেখি মোৰ তৃপ্তিৰ সীমা নাছিল। স্বয়ং সাগৰিকাও— তেওঁ মোক কৈছিল—

"জানা-নয়নদা, তোমাৰ ৰচনাই বহুতৰে মনত ৰেখাপাত কৰিছে; আলোচনা মই নিজ কাণে শুনিছোঁ। মই জানো এসময়ত তুমি খ্যাতি পাবাই।"

কিন্তু 'ডিস্কো"ৰ দিৱানা যুগত থি্, ডি, ৰ যুগত সকলোতে একশ্বন্ বিচৰা (প্ৰায়) সৰ্ব্ব-সাধাৰণক মোৰ দৰে অখ্যাত কাপীয়ে···কি দিম ??

এইয়া ১৯৮৮ চন। যোৱা ৮৫ চনৰ ২ জুনৰ নিশা ৰবিবাৰে সাগৰিকা আৰু মোৰ বিয়া হৈ গ'ল। আমি সম্পূৰ্ণ সুখী। বিয়াৰ ঠিক্ পাছত···· কেতিয়াবা নিশা মই শুই থকাতে সাৰ পাওঁ উচুপনি শুনি। চাওঁ মোৰ সগৰিকা জনী । তেওঁ কঁপিছে।

"কিয় কান্দিছা তুমি সাগৰিকা ?"

"মই অকলে থকা বুলি'''। ভয় লগা সপোন এটি দেখিছিলোঁ।"

"পাগলী ! এইয়াছোন মই ।"

মই সাগৰিকাৰ মূৰত হাত ফুৰাই গ'লো ।। তেওঁ মোৰ বাওঁ বাউসীত মূৰ থৈ ভিজিত সাৱটি শুই পৰিল। এনেকে বহু নিশা বিয়াৰ পাছৰ প্ৰায় এবছৰত তেওঁ উচাপ্ খাই উঠিছে। আৰু মই হুবাহুৰ মাজত বুকুত লৈ বুজাই দিছোঁ। "তুমি মোৰ হুবাহুত আছা সাগৰি !!

আৰু সাগৰিকাই মোৰ ওঁঠত ওঁঠ যুৰি লগাই আবেগ বিহ্বল ভাৱে উচ্ছাৰণ কৰে—

"উঃ "।

তেতিয়া মই ভাবিছিলোঁ। আমাৰ মাজলৈ এটি শিশু অহা উচিত। এটি শিশু আহিলে সাগৰিকাৰ শিশু মন মাতৃলৈ পৰিবৰ্ত্তন হব।

"সাগৰিকা,...আমাক এটি শিশু লাগে।" মোৰ কথাত তেওঁ লাজতে মুখ লুকালে মোৰ বুকুত। লিহিৰি দীঘল হাতৰ আঙুলিবোৰ বুলালে মোৰ বুকুত।

"ধেৎ'''তুমি বৰ নিলাজ'''।'

এনেকৈ দিনবোৰ গৈছিল আমাৰ'''সাগৰিকাৰ হাঁহি''মোৰ খং'''অভিমান। মুঠতে এক অনাবিল আনন্দৰ মাজেৰে। এদিন মই "ৰোজ মেটাৰ্নিটি হোম"ত ৱাৰ্ড নং পোন্ধৰৰ সন্মুখত বৰ উত্তেজনাৰে পদচালনা কৰিছোঁ। মোক ৱাৰ্ডত সোমাব দিয়া হোৱা নাই। ডাক্তৰ-নাৰ্চও ওলাই অহা নাই। নাৰীয়ে মাতৃ হওঁতে যিথন যন্ত্ৰণা ভুৱাৰ গছকে—তাক মই অনুভৱ কৰিব নোজানো। কিন্তু মই সহিব পৰা নাই'''সাগৰিকা জনী'''। মই অসম্ভৱ উত্তেজিত। ৱাৰ্ড দুৱাৰখন যেন ভাঙি পেলাম। দেহ মোৰ উত্তেজনাত কঁপিছে।

"ৱেল কাম্ টু চি ইউৰ প্ৰেতি গাৰ্ল "।

নাৰ্চ এজনীয়ে ৱাৰ্ড দুৱাৰখন খুলিলে। মই একে লৰে সাগৰিকাৰ কাষ পালোঁ। মাতৃত্ব আৰু লাজৰ আভাৰে বক্তিম হৈ পৰা গাল ওঁঠেৰে সাগৰিকাৰ মিচিকি হাঁহিটি খেলি গল।

"মাই চুইট্ হাৰ্ট এনিথিং বং !!"

"ন, ডিয়েৰ আই এম ৱেল ..।"

মই কব নোৱাৰাকৈ দুহাতৰ মাজত সাগৰিকাৰ মুখখন লৈ ওঁঠহুটি আগুৱাই নিলোঁ।

"য়ে-ই ।" সাগৰিকাই হুচকু মুদি দিলে। মই সাগৰিকাৰ ওঁঠ যুৰিত ওঁঠ যুৰি থ'লো। উথল-মাথল হিয়াৰে সাগৰিকাই মোৰ আউলবাউল চুলিবোৰ লিহিৰি আঙুলিৰে সজাই গল।

"য়েই ন-য়ন তুমি''' !!"

"কি, সাগৰিকা ?" মোৰ চুলিবোৰ লিৰিকি বিদাৰিয়ে সাগৰিকাই মুখখন ওফন্দাই পেলাইছে।

"তুমি বাৰু কিয় এনে কৰি ৰাখিছা চেহেৰা। সাগৰিকাৰ খং মোৰ ওপৰত।

"তুমি ঘৰত নাই যে। তুমি নাৰ্চিং হোমত থকাৰ পৰা মোৰ অকণো শান্তি নাই। তোমাৰ কথা ভাবি ভাবি ।"

চুলিবোৰ লিৰিকি বিদাৰি থকাৰ পৰা মোৰ মূৰটো ওচৰ চপাই নি সাগৰিকাই টপা-টপ্ চুমা খালে মোৰ গালে মুখে।

"তুমি এতিয়াওঁ সৰু ল'ৰাটো হৈয়ে আছা। তুমি কেৱল কথাকে ভাবি থাকা। এই কেদিন নতে চেহেৰা কি কৰি পেলাইছা। যোৱা কিবা এটা খাই'''ক্লিন্-চেফ্ কৰি আহা ।"

সাগৰিকাই মোক আদেশ কৰিলে।

"যাম দিয়া'''।"

"যাম নহয়'''যোৱা মোক একো উপহাৰ দিয়া''' ?"

মই বুজিছিলোঁ। সাগৰিকাৰ বুধিটো। সাগ-কাক উপহাৰ নেলাগে। মাথো মোৰ ক্লেচ্—বিচাৰিছে। এতিয়া যদি মই নেযাওঁ -ওঁ খং কৰি মুখখন ফুলাব। "যোৱা তোমাক াতো" বুলি খং কৰিব। মই নিবিছাৰো ওঁৰ খং। নাৰ্চিং হোমৰ পৰা কেতিয়া যে লজ দিব ভাৱি আছো। মোৰ এনে ভাৱ া কথাৰ বাবে মাজে মাজে ডাক্তৰ-নাৰ্চে হিছে।

মানৱীৰ জন্মৰ দুদিন পাছত মই সাগৰিকাক কৰিছিলোঁ। মই ঘৰত অকলে টান ইছিলোঁ।।

'সাগৰিকা, তুমি বাৰু ডাক্তৰক "যাওঁ" বুলি কোৱা কেলেই ?'

"ঘৰত গলে, তুমি যে উৎপাতখন আৰম্ভ বিবা'''বেবিটো আৰু মোৰ সতে'''।" ক সাগৰিকাই হাঁহিছিল। মোৰ কিন্তু াক খং উঠিছিল। সাগৰিকাই বুজিছিল। আৰু াৰ কান্ধত মূৰ থৈ বহু কথা কৈছিল।

"মই জানো ইয়াত শান্তিত আছোঁ...তোমাৰ তি জানো মোৰ দায়িত্ব নাই ??'

বৰ এটা বৰ লগা নহ'ল। আমি ঘৰলৈ াহিলো। ইতিমধ্যে মই বেবি মানবীৰ তথা াগৰিকাৰ বাবে অনেক বজাৰ কৰি পেলাইছলোঁ।

"অঃ'''বুজিছো, একেদিন তুমি এনেকে বজাৰে বজাৰে দৌৰি ফুৰিছা নহয় !!"

কত অভিযোগ সাগৰিকাৰ। মোৰ খোৱা-পিন্ধাক লৈ। এই অভিযোগৰ বিপৰীতে থকা মৰমবোৰে মোক সাগৰিকালৈ বেছি আবেগিক কৰি তুলিছিল।

সুখৰ সময়বোৰ বৰ সোনকালে যায়। আমাৰ মানৱী এতিয়া বহু ডাঙৰ হ'ল। তাই বৰ দুষ্টালি কৰা হল। মম্মীজনীৰ অৱস্থা নাই তাইক লৈ। মানৱী লৰৰি ফুৰে'''পাছে পাছে তাইৰ মম্মী। পাছে পাছে দৌৰি হায়ৰাণ। ফুলনীত এবাৰ সোমাব পালে মানৱীক আৰু পায় কোনে'''পখিলাৰ পাচত লপ্-থপাই দৌৰি থাকে। মম্মীয়ে মাতিলে তাই ফুল জোপোহাৰ আৰত লুকায়।

প্ৰতি প্ৰভাতত মই মানৱীক ফুৰাব লাগে। তাই বকুল তল পালেই মোৰ সমস্যা। পিট্ পিট্ কৰি ফুল বুটলিব। ঘৰলৈ ওভটাৰ নাম নাই, ফ্ৰকৰ কোচ্ ভৰাই এখন হাতেৰে ধৰি লব কোচত—আনখন হাতেৰে মোৰ হাতত। প্ৰায়ে সাগৰিকাই চাহ কৰি বৈ বৈ পদূলিলৈ ওলায় আহে। একোদিন খং কৰে ?

'বেবিৰ সতে তুমিও বেবি হৈ যোৱা নহয়নে ??'

"ইয়েচ্ মাডাম্ মই মাথোন কোচত ফুল ভৰাই পপ্পাৰ হাতত ধৰি নাহো ।"

"আজি দুয়োকে চাহ দিয়াত নাই''''।"

"দুয়োকে নেলাগে'''তিনিওকে দিবা সাগৰিকাক, মানবীক, আৰু নয়নক ''।"

প্ৰভাতৰ পৰা সন্ধ্যালৈ এনেকৈয়ে হাঁহি-ৰসেৰে আমাৰ সৰু সংসাৰখন আগ বাঢ়ে।

কেতিয়াবা মানৱী মোৰ পক্ষলৈ আহে।

"আমাৰ মম্‌মী বেয়া—সদায় পপ্‌পাক খং কৰে।"

"কেলেই নহয়নো" সোনজনী! দিনটো পপ্‌-পাইহে তোমাৰ পাছে পাছে লৰৱি····কঁপালে-মূৰে ঘঁাম বোৱায় ।"

"আচ্ছা আচ্ছা তোমালোকে তাৰ মানে দিনটো মাৰাথন দৌৰ খেলা হা··সাগৰিকা ?'

"তোমাৰ মূৰটো····মোৰ খং তোলাই নলবা।"

"অহ্‌ চৰি সোন তাৰ মানে এই পৰ্য্যন্ত খং উঠাই নাই হাউ-ৱেৰি গুড্‌ গুড গাৰ্ল্‌ছ আৰ্‌ এলাইক।"

এইদৰে আমি উটি যাওঁ সুখৰ নদীয়েদি। মোৰ গল্প কবিতা—ছবিৰ জন্ম হয়। প্ৰশ্ন হয় সাগৰিকাৰ ওপৰত,মনৰ মানুহৰ ওপৰত, ব্লেক্‌ ষ্টোনৰ ওপৰত, সেউজ ধৰৰ ওপৰত।

সাগৰিকা মোৰ মানস। মোৰ জীৱন। মোৰ জীয়াই থকাৰ প্ৰেৰণা। সাগৰিকা এটি বাস্তৱ কাহিনী। এক জীয়া গাভৰুৰ বিচিত্ৰ জীৱন গঠা। মোৰ হাতত কঁাপ্‌ উঠিলেই বচি যাম দেখুৱাই আমি পান কৰা পানীৰ মাজেদি আমি কি ভয়ানক বিজাণু পান কৰো। কেতিয়াবা মৰি যাওঁ—কেতিয়াবা মৰি মৰি জীয়াই ৰওঁ।

সাগৰিকাৰ পূৰ্ণাংগ ছবিখন চালে মোৰ ভাৱ হয়—আমি যেন মনে মনে কেইবা হাজাৰ বছৰ আগৰ অসভ্য জীৱন যাপন কৰিছো। মাথোন দেহত ৰাখিছো আজিৰ সঁাজ। খাইছো প্ৰণালী-বদ্ধ ৰন্ধা।

"নয়ন·· ।"

"হুঁ ঃ ·· ।'

"কাইলৈ মানৱীক স্কুলত নাম লগাই দিবা ঘৰত তাই মানৱটোক বৰ জুলুম কৰে।"

"মানৱীৰ বয়সও হৈছে।"

"উঃ···· ।"

"সাগৰি ·· ।'

"কি ?"

"মই ভাবিছো দুদিনমান চুটি লওঁ নেকি দুটামান গল্প আধৰুৱা হৈ আছে··· ।'

'উঃ ··লোৱা, ইমান নীৰৱতা ভাল নহয়

সাগৰিকাই প্ৰায়ে মোক কৈ আছে লি বলৈ। ভাবিছোঁ সময়ৰ গছকত জন্ম হৈছিল "ব্লেক ষ্টোন'ৰ। কিন্তু তাৰ জন্মৰ কাৰণ ত তাৰ জন্ম কাহিনী মোক কোনেও নুসুধিলে মনত আছে এটি প্ৰশ্ন -"অপৰাধী গল্পই মানুহ বিকৃতি আনিব পাৰে ·· ।"

কিন্তু ইতিমধ্যে বিকৃত হৈ থকাবোৰৰ ছ নেদেখিলে যে সাধাৰণ মানুহবোৰে সদায় অজ্ঞা বিকৃতৰ পথতে বলি হৈ থাকিব!! আচল সকলোবোৰ বেয়াকে মানুহে প্ৰত্যক্ষ ক উচিত। তেতিয়াহে ভালৰ মূল্যাঙ্কণ হব···জীয় ইও ৰব। নহলে যে প্ৰৱাহ-মান হৈ থাকি মানুহৰ মগজুত পশুৰ দৰে ভাব- য'ত মানুহে নিজৰ জন্মক ধিক্‌কাৰ দিব। নহলে টক আৰু দেহৰ ভোকে মানুহক ওভটাই নিব আ মানৱলৈ। নহলে জন্ম হব—হেজাৰ হাজী মষ্টা কাজীৰ, হেজাৰ জেক্‌ দি ৰিপাৰৰ। জন্ম হ টকা আৰু দেহৰ ভোকত বিকৃত হোৱা ব সহোদৰ ভনীৰ জীৱন গ্ৰাস কৰা ভাতৃৰ।

"মনে মনে বল'া:চোন ?" বহি থকা সাগৰিকাই মোৰ—কান্ধেৰে হাত দুখন ওলমা মোৰ মূৰত ধ্‌তুবিটো থ'লে।

"সাগৰিকা····তোমাৰ প্ৰেৰণাতেই আৰম্ভ কৰিছিলোঁ। লিখিম এইবাৰ পূনৰ নতুন গল্প ।'

"ও ঃ, লিখা····কিন্তু বাস্তৱক নেপাহৰিবা ·· ।"

"মানৱ-মানৱী দুয়ো শুই পৰিল নেকি সাগৰিকা— ?"

"ও ·· ।"

"এটা কবিতা ফঁাকি মনলৈ আহিছে শুনিবা ·· ??"

"নিশ্চয়···· ।"

"শুনা –

"তিমিৰত আছিলোঁ মই····

জ্যোতিষ্মান কৰিলা তুমি,

অনন্যা পৰশে চুমি···

গঢ়িলা মোক –

গঢ়িবলৈ সেউজ ভূমি,

তুমি সাগৰিকা····তুমি ·· ।"

"কিন্তু নয়ন, তুমি যে অনুৰাগী জন্মৰে ; এই কথাও মিছা নহয় ?'

"তোমাৰ মৰমৰ প্ৰতিশ্ৰুতি—"হৃদয় তোমাক সপিদিছো" সেয়া যে আৰু সঁচা সাগৰিকা। এই চাই সঁচাৰ বিশ্বাসতে মোৰ জীৱন।'

যেতিয়াই এটা ডাঙৰ শব্দ হয় -তাৰ বিপ-ৰীতেও প্ৰতিধ্বনিত হয়····কৰবাত নহয় কৰ-বাত। পৃথিৱীত বেছি ভাগ কাৰ্য্যৰে, বিপৰীতে প্ৰতিক্ৰিয়া হৈ থাকে। অকল চকুৰে নেদেখি ; অনুভৱ উপলব্ধি লাগে।

আজি আৰু নিশ্চয় প্ৰয়োজন নহব মানৱ বোলোৱা এশৰূপে ভৰা মানুহক "সাগৰিকা কোন" প্ৰশ্ন কৰাৰ। প্ৰশ্ন নহব "মানসৰ ছবি"ৰ ওপৰত। মোৰ ৰচনাৰ নায়িকা যে মোৰ জীৱন সতীৰ্থ। মই যে সাগৰিকাক মোৰ হৃদয়ত আসন দিয়ে শান্ত নহলো ; তাৰ প্ৰতিবাদ যদি হিনুৱে কৰে অথবা কোনো অমানুহে কৰে ··তেন্তে তাৰ বিপৰীতে মোৰ এটি মাত্ৰ প্ৰশ্ন হব। –

"মা, ভনী, বান্ধৱী, প্ৰেমিকা, স্ত্ৰী, গণিকা প্ৰত্যেকৰে আসন স্বকীয়া হয়নে নহয় ? প্ৰত্যেক জনী "নাৰী" হলেও প্ৰত্যেকৰে আসনো ভিন্ন—হয়নে, নহয় ??"

তাৰ পাচত কোনো উত্তৰ পাম আশা নকৰোঁ। আৰু প্ৰশ্ন হব আশা নকৰো। কাৰণ সকলো মানুহ ( বেছি ভাগ ) আত্ম-কেন্দ্ৰিক! আত্ম কেন্দ্ৰিক মানুহৰ বুকুত সুঁন্দৰৰ সাচিপাত, ৰহা ঢাৰিৰ লেখিয়া। কিন্তু সুন্দৰ তথাপিটো অম্লান–নক্ষত্ৰ—।

— —

"দেশক ভালপোৱা আৰু দেশৰ কাৰণে কাম কৰা অসমীয়া নথকা নহয় ; আছে আৰু যিমান আছে তাতকৈ বহুত বেছি আছে দেশৰ কাম কৰিছো বুলি ঢাক-ঢোল পিটি বা নিপিটি নিজৰ স্বাৰ্থ পূৰা কৰা অসমীয়া ;"

লক্ষ্মীনাথ ফুকন—

# ।। অসমৰ বিভিন্ন জনগোষ্ঠী আৰু সংহতি ।।

মিনু শৰ্মা

ভাৰতৰ সুমলী জী অসম অৰুণোদয়ৰ দেশ। বিনন্দীয়া প্ৰকৃতিৰ অনৱদ্য অৱদান সমূহৰে সুসজ্জিতা হৈ ৰূপহী অসমী প্ৰাচীন কালৰ পৰাই বিভিন্ন শ্ৰেণীৰ মানুহৰ মিলন তীৰ্থ হৈ আহিছে। ইয়াত বৈ আছে বিভিন্ন জনগোষ্ঠীৰ নিৰৱচ্ছিন্ন ধাৰা ঠিক মহাবাহু লৌহিত্যই বিভিন্ন শাখা-প্ৰশাখাৰে সমৃদ্ধ হৈ যোৱাৰ দৰে।

অসম দেশ আজি বহুধা বিভক্ত হৈ অতি ক্ষুদ্ৰ অঞ্চল এটিতে সীমাৱদ্ধ হৈ পৰিছে। সৌ সিদিনালৈ ভাৰতৰ সমগ্ৰ পূৰ্ব্বাঞ্চলকেই অসম বুলি অভিহিত কৰা হৈছিল। তাৰোপৰি বৰ্ত্তমানে নানা জাতি-উপজাতিৰ বিভিন্ন জনগোষ্ঠীৰ ভিন্নসুৰী কৃষ্টি-সংস্কৃতিৰ সমন্বয় ঘটি অসমে এক বৈশিষ্ট্যপূৰ্ণ ভৌগলিক তথা সামাজিক আসন পাইছে।

অসমীয়া সমাজ বুলিলে আমি বুজা মানুহখিনি আৰ্য্য-অনাৰ্য্যৰ সৰ্ব্বভাৰতীয় বিভিন্ন ভাষাভাষী, জাতি-উপজাতিৰ সমন্বয় মাত্ৰ। অসমৰ আদিম অধিবাসী বড়ো, কছাৰী, ৰাভা, লালুং, ডিমাছা, কাৰ্বি, বিয়া, মিচিং, মিৰি, কো অকা, ডফলা, মিচিমি, খামটি, দোৱনীয়া, শৰ নীয়া, দেউৰী, চুতীয়া, মিইতাই, মোনপা চাকমা লিম্বু, পালাং, মিজি, মণিপুৰী, ত্ৰিপুৰী, বিষ্ণুপুৰী আপতানি, টাই, ফাকিয়াল, মটক, মৰাণ, ৰাঙ্ক লেপচা, নগা, আবৰ, চিংফো, মিজো (ছেই আদি লোকসকল ইতিহাসে ঢুকি পোৱাৰ আগ পৰাই আছে। তেওঁলোকৰ প্ৰত্যেকৰেই নিজ নিজা ভাষা-সংস্কৃতি আৰু সামাজিক ব্যৱস্থ আছে। ইয়াৰ উপৰিও পাটকাই পৰ্ব্বত পাৰ হৈ সুদূৰ ব্ৰহ্ম দেশৰ পৰা আহিছিল আহোম সকল। বিজেতা হলেও অসমকে তেওঁলোকে নিজ দেশ বুলি গ্ৰহণ কৰিছিল আৰু ইয়াৰ কৃষ্টি-সংস্কৃতিৰ লগত লীন হৈ অসমীয়া জাতি বুলি পৰিচয় দিছে। এই আহোম সকলৰে কালক্ৰমত বিভিন্ন ঠাল বা ফৈদৰ অস্তিত্ব উপ লব্ধি কৰা যায়। ইয়াৰ পিছতেই পশ্চিমৰ পৰ অহা চতুৰ্বৰ্ণ ব্যৱস্থা থকা আৰ্য্যসকলে অসম অনাৰ্য্য সকলৰ লগত মিলি হৈ এক জাতিৰূপে চিনাকি দিছে। এই আৰ্য্যসকলৰ ভিতৰত ব্ৰাহ্মণ, ক্ষত্ৰিয়, শূদ্ৰ আৰু বৈশ্য নামে চাৰিটা ভাগ থাকিলেও তেওঁলোকৰ ভিতৰতো আৰু বহু ঠাল উপঠাল আছে। বিভিন্ন আক্ৰমণত অসমলৈ অহা সৰ্বভাৰতীয় জনগোষ্ঠীৰ বহুতো লোক অসমৰ ৰূপত আৱদ্ধ হৈ ইয়াত বৈ গৈছে। চাহ-শিল্পৰ উদ্ভাৱনৰ লগে লগেই অসমলৈ অহা চাহ বনুৱা সকল আৰু সম্প্ৰতি বাগান বস্তিত

সিঁচৰিত হৈ থকা অসমৰ দ্বিতীয় বৃহৎ জনজাতিসকলে কবনোৱাবাকৈয়ে সময়ৰ সোঁতত অসমীয়া সমাজৰ লগত মিলি, অসমীয়া লিখা-পঢ়া শিকি, অসমীয়া ভাষা-সাহিত্য কলা-কৃষ্টি-সংস্কৃতি আহৰণ কৰি অসমকে জন্মভূমি-কৰ্ম্মভূমি হিচাপে গ্ৰহণ কৰি অসমৰ আৰ্যসামাজিক জীৱনৰ অপৰিহাৰ্য্য তথা অবিচ্ছেদ্য অংগ হৈ নিভাঁজ অসমীয়া জাতিৰ পৰিচয় দিয়াৰ দক্ষতা অৰ্জ্জন কৰিছে। ইংৰাজৰ আমোলত আৰু স্বাধীনোত্তৰ কালতো জীৱিকাৰ সন্ধান বা আন আন কাৰণতো অসমলৈ অহা বিহাৰী, বঙালী, উড়িয়া, তামিল, মাৰোৱাৰী, পাঞ্জাৱী আদি বিভিন্ন জাতিৰ লোকে অসমতে স্থায়ীভাৱে বসবাস কৰিছে আৰু নিজকেই অসমীয়া বুলি স্বীকাৰ কৰিছে। সৰ্ব্বশেষত সাতসাগৰ তেৰ-নদীৰ সিপাৰৰ ইংৰাজ, আমেৰিকান আদি লোকো কমকৈ হলেও অসমীয়া সমাজত সোমাই পৰিছে। ইয়াৰ উপৰিও ত্ৰয়োদশ শতিকাৰে পৰা অসমলৈ ছুযৰ-এঘৰকৈ অহা, অসমৰ কেঁচা মাটিৰ গোন্ধে-আপোন-পাহৰা কৰা, অসমীয়া সংস্কৃতিৰ দীঘে-ানিয়ে সোমাই অসমীয়া জাতীয় সংস্কৃতিক াকোৱালি লোৱা মুচলমানসকলো অসমীয়া মূল াতিসত্বাৰ এক অবিচ্ছেদ্য অঙ্গ হৈ সামাজিক াৰু সাংস্কৃতিক জীৱনৰ সংগী হিচাপে নিৰৱচ্ছিন্ন ধৰ গঢ় দিছে। এই বিভিন্ন জাতি-উপজাতিৰ াষা-সংস্কৃতিৰ ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীক সাঙুৰি লৈ াজি বৃহৎ অসমীয়া জাতি এক স্বকীয় বৈশিষ্ট্য ল গঢ় লৈ উঠিছে।

এটা জাতিৰ জাতীয় সংহতিৰ প্ৰধান ভেটি হছে জাতিটোৰ সংস্কৃতি। সংস্কৃতিয়েই এটা জাতিৰ জাতীয় অস্তিত্বৰ নাড়ী নক্ষত্ৰ। সকৰৰ জান-জুৰি গোটখাই নৈ বৈ যোৱাৰ দৰে অসমত বাস কৰা বিভিন্ন জনগোষ্ঠীৰ সাংস্কৃতিক উপাদানৰ জান-জুৰিৰে অসমীয়া সংস্কৃতি গঢ়ি উঠিছে। সেয়ে অসমীয়া সংস্কৃতিত স্বাভাৱিকতেই সমন্বয় আৰু সংহতিৰ মাত্ৰা অধিক। এইখিনিতেই অতীতলৈ উভতি চোৱা যাওঁক! জ্যোতি প্ৰসাদে অসমীয়া জাতিৰ মাজত সমন্বয় তথা সংহতি স্থাপনৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। তাৰ উৎসও বিচাৰি পাইছিল মহাপুৰুষ শঙ্কৰদেৱৰ মাজত। বিষ্ণুৰাভা জ্যোতি প্ৰসাদৰ লক্ষ্য আছিল অসমীয়া কৃষ্টি **সভ্যতাক** পৃথিৱীৰ অন্যতম কৰি উজ্বলাই তোলা। কৃতকাৰ্য্য আৰু অকৃতকাৰ্য্যতাৰ হুয়ো পথেদি খোজ পেলাই জাতিলৈ থৈ গল—ঐক্য আৰু সংস্কৃতিৰ সফুঁৰা।

অসমীয়াৰ জাতীয় উৎসৱ বিহু অসমত জাতি, ধৰ্ম-নিৰ্বিশেষে সকলোৱে পালন কৰে। ঠিক তেনেকৈ কৰমপূজা, ঝুমুৰ নাচ, নৃত্য-গীত আদি এতিয়া অসমীয়া লোক-সংস্কৃতিৰ অঙ্গ হৈ পৰিল। অসমীয়া জাতি যিদৰে সমন্বয়ৰ জাতি ; সেইদৰে অসমীয়া সংস্কৃতিও সমন্বয়ৰ সংস্কৃতি। ফল-স্বৰূপে বিভিন্ন জনগোষ্ঠীৰ মাজত সংহতি সাধন হৈছে।

অসমত বাসকৰা নানা জাতি উপজাতিৰ সংমিশ্ৰণৰ মাজেৰে অসমৰ আদিম জন জাতিৰ শোণিত প্ৰৱাহিত সংহতি গঢ়ি উঠাৰ লগতে এক গোষ্ঠীবিহীন জাতীয় মনোভাৱ গাঢ়তৰ হোৱাটো তেনেই স্বাভাৱিক। চাকৰিৰ ক্ষেত্ৰত তথা নানা কামত অসমলৈ অহা লোকসকলে বিভিন্ন ঠাইত বসবাস কৰি অসমৰ খিলঞ্জীয়া জনজাতি তথা

অজনজাতিৰ সৈতে বৈবাহিক সূত্ৰে এক আত্মিক সম্পৰ্ক গঢ়ি উঠে। এই আত্মিক সম্পৰ্কই মহান অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত এক সুদূৰ প্ৰসাৰী সমন্বয় আৰু সংহতিৰ সূত্ৰপাত ঘটাই কৃষ্টি-সংস্কৃতিৰ মালাধাৰক বিচিত্ৰ বৰনেৰে অনৱদ্য কৰি তুলিলে।

পৌৰাণিক আখ্যান আৰু ধৰ্মীয় দৃষ্টিকোণৰ কালৰ পৰাও অসমত বাসকৰা বিভিন্ন জন-গোষ্ঠীৰ মাজত সংহতি বিৰাজমান। উদাহৰণ স্বৰূপে নগাৱত বসবাস কৰি থকা সুদূৰ পঞ্জাৱৰ পৰা অহা শিখ সম্প্ৰদায়ৰ লোকসকল অসমৰ ভাষা-কৃষ্টিত মোহিত হৈ অসমীয়া জাতি গঠনত এক বৃহৎ অৱদান আগবঢ়াইছে। এওঁলোকে অসমীয়া শিখ হিচাপে অসমৰ কৃষ্টি-সংস্কৃতিত বিলীন হোৱা নাই জানো? ইতিহাসৰ পাত লুটিয়ালেও আমি এনে উদাহৰণ অনেখ দেখিবলৈ পাওঁ। হিন্দু ধৰ্মৰ উদাৰতাই অসমলৈ অহা লোকক অসমীয়া কৃষ্টিত বিলীন হৈ সংহতি স্থাপনত অনুপ্ৰেৰণা যোগাইছে।

সেইদৰে অসম সাহিত্য সভাই অসমৰ সমূহ জনগোষ্ঠীৰ ভাষা-সাহিত্য, কৃষ্টি আৰু বাৰেবৰণীয়া সংস্কৃতিক প্ৰতিনিধিত্ব কৰি সমগ্ৰ অসম বাসীৰ সংহতি স্থাপনত সহায় কৰিছে।

মানুহে মানুহৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰাৰ দৰেই ভাষাই ভাষাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। ভাষাৰ লগত ভাষাৰ সংঘৰ্ষ আৰু সংস্পৰ্শৰ ফলত প্ৰকৃতিগত, বৰ্ণগত, বাক্‌ৰীতিগত আৰু শব্দ ভাণ্ডাৰগত সকলো দিশতে পৰিৱৰ্তন ঘটে। বিভিন্ন ভাষা-ভাষীৰ মিলন ভূমি অসমৰ এই ভাষাবোৰ পৰস্পৰৰ দ্বাৰা প্ৰভাৱান্বিত হৈ নতুন নতুন ৰূপত দেখা দিছে। ফলস্বৰূপে, অসমী ভাষাৰ প্ৰধান খুঁটিটো আৰ্য্য ভাষাৰ খুঁ যদিও অসমীয়া ভাষা বিকাশৰ পথত আৰ্য্যেত ভাষা-গোষ্ঠীৰ বিশেষ প্ৰভাৱ আছে। ফলত আ ভাষাত নোহোৱা নোপোজা নানান গুণে বিভূষিতা হৈ 'চিৰ চেনেহী মোৰ ভাষা জননী' স্বকীয়ত্ব প্ৰতিপন্ন কৰি নানা ভাষা-গোষ্ঠী, ভাষা উপভাষা আৰু দোৱানৰ মাজত সমন্বয়ৰ লগ সংহতি স্থাপনত সফলতা লাভ কৰিছে।

লুইতৰ বুকুৰে বহু পানী বৈ গ'ল। ৰজা দিন গ'ল, আধুনিক যুগ হ'ল। 'অসম প্ৰদে হ'ল। বিভিন্ন জনগোষ্ঠী মিলি 'অসমীয়া' জাতি গঢ়ি উঠিল। অসমীয়া জাতি হিচাপে চিনা নিদিওতেই যাৰ কৃষ্টি-সংস্কৃতিৰ ভেটি প্ৰতি হৈছিল তাৰ বাবে শঙ্কৰী যুগৰ ওচৰত ঋ এই শতিকা।

শেষত, গোষ্ঠীগত প্ৰৱণতা ত্যাগ কৰি অসম নিগাজীকৈ মিলাপ্ৰীতিৰে বসবাস কৰা হিন্দু মুছলমান, বৌদ্ধ, খৃষ্টান, শিখ, জৈন, অসমীয়া বঙালী, বামুণ, গোসাই, বৈশ্য, শূদ্ৰ, হৰিজন উপজাতি, জনজাতি, বড়ো, মেচ, ৰাভা, কছাৰী নগা, ডিমাছা? কাৰ্‌বি, সোনোৱাল, গাৰো লুচাই, খাচীয়া, জয়ন্তীয়া, কৈৱৰ্ত, বনিয়া, লালুং চিংফৌ, ফাকেয়াল, দোৱনীয়া, আহোম, টাই চুতীয়া, খাছীয়া, মিছিং, নিছি, মৰাণ, দেউৰী কোঁচ, কেওঁট, ৰাজবংশী, চাহবাগিছাৰ বনুৱা আৰু প্ৰাক্তন বনুৱা, মণিপুৰী, থলুৱা নেপালী ভাৰতৰ অন্যান্য ৰাজ্যৰ পৰা আহি অসমীয়া হোৱা লোক, আজান ফকিৰৰ দৰে বিদেশৰ পৰ আহি হাড়ে-হিমজুৰে অসমীয়া হোৱা লোক





ইত্যাদি সকলোৰে ঐক্যবদ্ধ হৈ মহান অসমীয়া জাতি গঢ়িলে পৃথিৱীৰ ভিতৰতে 'অসমীয়া জাতি' বৈশিষ্ট্যপূৰ্ণ জাতি হিচাপে পৰিগণিত হ'ব। জ্যোতি প্ৰসাদৰ সুৰেৰে ক'বলৈ হ'লে,—

"ময়েই অসমীয়া
মই জয়ন্তীয়া
ডফলা-আবৰ অঁকা
ময়ে চিংফৌ
ভৈয়ামৰ মিৰি
শোৱণশিৰীয়া ডেকা,
বিজয়ী আহোম কছাৰী কোঁচৰ
মেচৰ কুমাৰ মই
ৰাজবংশী ৰাভা
কপালত জ্বলে শত গৌৰৱৰ আভা।
মই লালুং,-চুতিয়া
লুচাই মিকিৰ-গাৰো
মিছিমি-খাম্‌তি
নগা আঙ্গামী বীৰ,
পৰ্বতে-পাহাৰে জ্বলিছে উচ্চ শিৰ,
সাম্য মৈত্ৰীৰ ময়ে বনুৱা
চাই বাগিছাৰ ময়ে বনুৱা
নৱ অসমীয়া মৈমনচিঙীয়া
থলুৱা নেপালী
নৃত্য কুশলী মণিপুৰীয়া মই।"

সমন্বয়ৰ ভেটি সৃষ্টি কৰা গুৰুজনাৰ প্ৰধান বাণীত "পৰৰ ধৰ্মক নিহিংসিবা কদাচিত' আৰু 'কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম।' জীৱ মাত্ৰেই ঈশ্বৰৰ একো একোটা অংশ। জাতিকে শ্ৰেণী-বিভাজন, বৈষম্য মানুহৰহে কৃত্ৰিম সৃষ্টি। গুৰু-জনাৰ প্ৰধান ভক্ত আছিল নগাৰ নৰোত্তম, গাৰোৰ গোবিন্দ, মুছলমানৰ চান্দখাঁ, ভোটৰ জয় হৰি, কায়স্থৰ মাধৱদেৱ, ব্ৰাহ্মণৰ দামোদৰ-দেৱ আৰু হৰিদেৱ, কছাৰীৰ বসা আৰু কাৰ্-বিৰ তোলাই আদিসকল কিমান সুমধুৰ সংমিশ্ৰণ আৰু পাৰস্পৰিক বিনিময়ৰ আছিল। এইদৰে যুগে যুগে অসমৰ সংহতিৰ বান্ধোনেৰে অসমীয়া-সকল একত্ৰিত হৈ আছে। সেয়েহে অসমীয়া জনগোষ্ঠী অসমীয়া মহাজাতি হিচাপে বিশ্বত জাকত-জিলিকা তথা উজ্বল-সুন্দৰ হৈ থাকি-বলৈ দৃঢ়তাৰে স্বাৱলম্বী হ'বলৈ হ'লে জাগ্ৰত, সদা-সচেতন, কৰ্ত্তব্য-পৰায়ণ আৰু সংঘবদ্ধ হ'বই লাগিব।

আহক! আমিও জ্যোতিৰ আদৰ্শৰ, গুৰু-জনাৰ সপোনৰ সংহতিৰ এনাজৰীৰে মহান অস-মীয়া জাতি গঢ়ি তোলাত আৰু প্ৰধানিমান বৰঙণি যোগাওঁ।

অসমীয়া যদি ভাৰত ভূমিত জীয়াই থাকিব
খোজে-খুজ কৰিবলৈ জীয়াই থাকিব লাগিব।"

৺প্ৰসন্ন লাল চৌধুৰী



# কক্ষচ্যুতি

দীপক দাস

[ ১ ]

সুশান্ত চৌধাৰীৰ পোহনীয়া কুকুৰ জিমিয়ে মগনীয়া এটাক কামোবাৰ বাবেই এখন বাক্-বিতণ্ডাৰ সৃষ্টি হ'ল। ইতিমধ্যে জিমিয়ে মগনীয়াটোক কামোৰা ঠাইত [চৌধাৰীৰ পদূলিত] বিশ-বাইশজন মানুহ গোট খাইছে। এক তৃতীয়াংশই চৌধাৰীৰ পক্ষ লৈছে যদিও বাকীবোৰ মানুহ পঙ্গু-মগনীয়াটোৰ ফালে।

প্ৰথম পক্ষৰ মতে,—"জিমি সম্পূৰ্ণ নিৰ্দ্দোষী। সি অন্ততঃ পগলা হোৱা নাই আৰু বাটে-পথে অবাবতে যাকে-তাকে কামুৰি ফুৰা Record তাৰ নাই। স্বভাৱতঃ সি অসন্তৱ শান্ত যদি প্ৰয়োজন সাপেক্ষে বনৰ হিংস্ৰবাজতকৈও নি হৈ পৰে। অৰ্থাৎ প্ৰভুৰ অনিষ্টকাৰীক কৰাটো তাৰ কৰ্ত্তব্যৰ সীমাৰ বাহিৰত। ফালৰ পৰা এই মগনীয়াটোকো সি বিনা দো কামোৰা নাই। নিশ্চয় কিবা এটা ইত্যাদি! ইত্যাদি!!

আভিজাত্যৰ ভঙ্গী সানি পোনপটীয়া কোৱা চৌধাৰীৰ মতে—"সি চুবি কৰিব অথবা তেনে কিবা এটা কু-মতলব লৈ মোৰ পদূলিত সোমাইছিল, নহলে জিমিয়ে তাক কেতিয়াও নাকামুৰিলেহেঁতেন। জিমিৰ এইটো গুণ সৰ্ব্বজন বিদিত।

বিপৰীত পক্ষৰ আচামী যেন নিৰ্জ্জীৱ পদাৰ্থহে। গোটেই ঘটনাটোৰ নায়ক হৈয়ো সি তাৰ উদাসীন চাৱনিৰে মাজে-মাজে ইফালে-সিফালে চকু ফুৰাই কুকুৰে কামোৰা ঠাইখিনিৰ পৰা নিৰ্গত অবিৰত তেজ মচাত ব্যস্ত।

কিন্তু তাৰ পক্ষৰ মতে,—"পঙ্গু মগনীয়াজন যে চোৰ নহয়; সেইটো সকলোৱে জানে। সি তেনেই হোজা, সহজ-সৰল মানুহ। আন্দোলনৰ কাৰ্য্য স্থচীত যোগ দি চি, আৰ, পি,ৰ গুলীত সোঁ-ভৰিখন হেৰুৱাই কোনোমতে ভিক্ষাৰ পাত্ৰটোকে লৈ সি নিঠৰুৱা জীৱনটো বচাই আছে। তাৰোপৰি তাৰ সেই অৰ্দ্ধমৃত দেহাটোৰে সি কি সাহসত চৌধাৰীৰ ঘৰলৈ দিন-দুপৰতে বেয়া মতলব লৈ আহিব! গতিকে চৌধাৰীয়ে মগনীয়াজনৰ চিকিৎসাৰ ব্যৱস্থা কৰোৱাৰ উপৰিও কুকুৰটোৰো এটা উচিত ব্যৱস্থা লব লাগিব। কাৰণ, এই কুকুৰটোৰ বাবেই এই অঞ্চলৰ মানুহে চৌধাৰীৰ ঘৰৰ আগৰ এই পথটোৰে এবিব লগা হৈছে। যিহে তাৰ উপদ্ৰৱ!

[ ২ ]

গোটেই ঘটনাটো মই গৈ শুনাৰ পিছত নিজে কাৰ পক্ষ লম ক্ষন্তেক ভাবিলোঁ। এইখন চহৰৰ এজন নতুন বাসিন্দা হিচাপে মই অন্ততঃ নভৱা-নিচিন্তাকৈ পটককৈ এফালে মাত মতাটো ভুল হ'ব। আনহাতে, মোৰ সীমিত পৰিচিত মানুহখিনিৰো ঘটনা স্থলীত এজনো নাই বুলিবই পাৰি। অৱশ্যে চৌধাৰীৰ বিষয়ে শুনামতে; তেওঁ এজন চহৰখনৰ ভিতৰতে হাত-দীঘল আৰু বেচ প্ৰতিপত্তিশালী মানুহ। সেয়ে তেওঁৰ সংস্পৰ্শ লৈ অহাৰ 'চান্স' এটা বিচাৰিয়ে আছিলোঁ। সাধাৰণতে যদিও মই সদায় সংখ্যাগৰিষ্ঠৰ পক্ষকে লওঁ [ অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামৰ সপক্ষেই যোৱা ছ'বছৰে মাত-মাতি অহাৰ দৰে ] আজি; সেই বিশেষ 'চান্স'টো লাভ হোৱাৰ আশাৰ ক্ষীণ ৰেঙনি এটা দেখি চৌধাৰীৰ পক্ষ লবলৈ ঠিক কৰিলোঁ। ['৮৩ত শাসনাধিষ্ঠিত অবৈধ চৰকাৰৰ লগটো মোৰ এনে কিছুমান 'চান্স'ৰ বাবেই গোপন সম্পৰ্ক এটা আছিল। অৱশ্যে দেশবাসীৰ চকুত মই আজিও দেশ মাতৃৰ শোকত ম্ৰিয়মান, লক্ষ্যত অটুত থকা এজন নিঃস্বাৰ্থ দেশ প্ৰেমিক।] মগনীয়াজনৰ পক্ষ লৈ মই মোৰ এই অমূল্য 'চান্স' হেৰুৱাটো মোৰ Principle'ৰ বাহিৰৰ কথা। তেনে এটা মূৰ্খামী মই সজ্ঞানে কেতিয়াও নকৰোঁ। ইয়াৰ বাবে মই কেতিয়াও সত্য-অসত্য, পাপ-পুণ্য, ন্যায়-অন্যায় কিম্বা দোষী-নিৰ্দোষী এইবোৰৰ বিষয়ে ভাবিবৰ দৰকাৰ বোধ কৰা নাই। সংখ্যাতকৈ আপাততঃ শক্তি কাৰ বেচি আৰু কাৰ পৰা মোৰ লাভ আছে সেয়াহে মোৰ দৰকাৰৰ গণ্ডীৰ ভিতৰত।

"ৰ'বচোন বাইজ, মোৰ কথা শুনক।" গোটেইবোৰ কথা তল-ওপৰকৈ চালি-জাৰি মই মোৰ মুখ লাহেকৈ খুলিলোঁ। মোৰ মাতটো যেন নিশাৰ নামঘৰৰ ৰবকঁাহৰ কোব এটাহে। সকৈকে কঁাহ এটা মৰাৰ চলে সকলোৰে ফালে চালোঁ—মোৰ মাতটোৰে কৰা ক্ৰিয়া জুখিবলৈ।

কাম দিয়া যেন লাগিল। দুয়োপক্ষই উৎসুক মুখমণ্ডল আগ্ৰহান্বিত হৈ ক্ষন্তেকতে মোৰ ফালে ঘূৰালে। পৰিবেশটোৱে সঁচাকৈয়ে মোক উৎসাহিত কৰি তুলিলে। মোৰ জয় যেন সুনিশ্চিত। তাৰোপৰি মোৰ বুদ্ধিৰ বৰশীটো বৰ চোকা। ভাল টোপ লগাই মই ভাল মাছকে বগৰাওঁ। সৰু মাছে মোৰ বৰশীৰ টোপটো দেখিলেই পলায়। গতিকে, বিচাৰি-খোচাৰি এটা ধুনীয়া-ডাঙৰ টোপ গাঠি দিলোঁ ; যাতে টোপটো দেখি সৰুবোৰ আঁতৰিবৰ বাধ্য হয় আৰু মই বিচৰাটো আকৰ্ষিত হয়। অৰ্থাৎ এটা গুলীৰে দুটা চিকাৰ।

"বন্ধুসকল! মই নিৰপেক্ষৰ ফালৰ পৰা এষাৰ কথা ক'ব খুজিছোঁ। শুনিব নিশ্চয়। আপোনালোকে মোক চিনি নাপাব। মই আপোনালোকৰ এই চহৰখনৰ এজন ন-বাসিন্দা। সেয়ে আজিৰ ঘটনাটোৰ লগত জৰিত সকলৰ কাকো মই চিনি নাপাওঁ। কাৰো স্বভাৱ-চৰিত্ৰও নাজানোঁ ; কিন্তু ঘটনাটোৰ বিষয়ে আপোনালোকৰ পৰা যিখিনি শুনি বুজিলোঁ তাৰ পৰা মই মগনীয়াজনৰ পক্ষকে দোষী সাব্যস্ত কৰিব খুজিছোঁ। কাৰণ… ; চাওঁক ; জিমি অৰ্থাৎ এই কুকুৰটোৰ দোষ মানে পগলা হোৱা অথবা, যাকে তাকে, য'তে-ত'তে কামুৰি ফুৰা ; কিন্তু তাৰ স্বভাৱ তেনেকুৱা হোৱা হ লে জানো ইমান সময়ে আমাকো খেদি আহি……।"

—"এ হৈছে-হৈছে ; থওঁক হেৰি আপোনাৰ বক্তৃতা। আমি আপোনাক ইয়ালৈ ওকালতি কৰিবলৈ মতা নাই।"

"মগনীয়াজনে দোষী হ'ল ? আৰু…কুকুৰটো নিৰ্দোষী ? শুনা তেওঁৰ কথা ??"

"ঐ আমাক বুৰ্বক্ পাইছ নেকি ?"—

— "বন্ধুসকল ; আপোনালোকে ভুল বুজিছে[...] আগতে মোৰ কথা শুনক।" বিপৰীত পক্ষ[...] ওপৰা-ওপৰি বিভিন্ন মন্তব্যত মোৰ অৱস্থা লাহে[...] অপমানে ডুব যোৱাৰ উপক্ৰম হওঁতেই [...] জোৰকৈ মই মাত দিলোঁ। মানে চিঞৰি[...] দিলোঁ। সেই সময়ত মোৰ দ্বিতীয় পথৰ ভিতৰ[...] ডাঙৰ আৰু বেছিকৈ কথা কৈ বাচিব পৰাটো আছিল অন্যতম্। অন্যহাতে এজন উকী[...] হিচাপে অন্ততঃ মই জানো যে কথাতে কী[...] নাযায়, বঁটাহে পোৱা যায়। [বিশেষকৈ মো[...] দৰে স্বভাৱৰ লোক হ'লে] গতিকে মোৰ বুদ্ধি[...] বৰশীত আন এটা টোপ গাঠি দিলোঁ। [...] হ'লেও মাছ চালু। টোপ্ মাছৰ আঁ[...] তিতকৈ ডাঙৰ হলেও খুটি-খুটি নষ্ট কৰে।

—"চাওঁক, প্ৰথম কথা হ'ল কুকুৰটো নিৰ্দোষী। আনহাতে, মই মগনীয়াজনকে Directly দোষী বুলি…I mean তেনেকৈ দোষ দিব খোজা নাই ; কিন্তু তেওঁৰ দোষৰ কাৰ[...] হ'ল কাষলতিৰ তলৰ পেং হুডাল।"

"পেং হুডাল। হেৰি, কি কয় আপুনি পেং হুডাল আকৌ দোষৰ কাৰণ হ'ল কেনেকৈ সেই হুডাল নহ'লেচোন সি খোজ কাঢ়িব নোৱাৰিব।"

"আপোনালোকে আগতে মোক কবলৈ দিয়কচোন। জিমি হ'ল প্ৰভুভক্ত। তাৰোপৰি সি এনে এখন সমাজত থাকি ডাঙৰ-দীঘল হৈ[...] অথবা তাৰ অভিজ্ঞতাৰ ভঁৰাল পূৰ্ণ কৰি[...] য'ত, সি পেং নামৰ তেনে লাঠি আদি [...] ফুৰা মানুহ দেখা নাই নতুবা অস্বাভাৱিক ৰূপত তেনেকুৱা মানুহক বেয়া মানুহ বুলিয়ে জানে। I mean পোনকৈ কথাটো হ ল—আমি কোনো মানুহে স্বাভাৱিকতে লাঠি আদি লৈ নুফুৰোঁ আৰু সিওঁ তাৰ প্ৰভুৰ ঘৰত নিশ্চয় কেতিয়াও তেনে মানুহ দেখা নাই। সেয়ে জিমিয়ে মগনীয়াজনক তেনে ৰূপত দেখি খেদি আহি কামোৰাটো একো আচৰিত কথা হ'ব নোৱাৰে। আনকি আমাৰ সৰু ল'ৰা-ছোৱালীবোৰেই তেনে মানুহৰ প্ৰতি আচৰিত ভাব দেখুৱায়। ভয় কৰে। যিটো স্বাভাৱিকো।

ক্ষন্তেক বৈ মই মুখখন মচাৰ ভঙ্গীত সকলোৰে ফালে লক্ষ্য কৰিলোঁ। চৌধাৰীৰ সমস্ত মুখমণ্ডলত বৈ পৰা আত্মসন্তুষ্টিৰ হাঁহিটো দেখি ডাঙৰ মাছটোৱে মোৰ টোপৰ আকৰ্ষণত আগবাঢ়ি অহা যেন লাগিল। মাহ বগৰাব পাৰিম নিশ্চয়। আগতে যেনি-তেনি খুটিয়াই টোপবোৰ নষ্ট কৰা সৰু-সৰু মাছবোৰ খেদিব পাৰিলেই হ'ল। তাৰো মৃদু সমৰ্থনৰ আভাষ এটা মোৰ চকুত পৰিল। অৰ্থাৎ ; সিপক্ষৰ চকুবোৰ ইজনৰ পৰা সিজনলৈ বাগৰি এবাৰ পঙ্গুজনৰ পেংহুডালত আৰু এবাৰ মোৰ ফালে কৰি আছে। মনোভাৱ যেন —"কথাটোতো ঠিকেই।"

বচ্। তাৰ পিছত আৰু বেছি সময় তৰ্ক কৰাৰ প্ৰয়োজন নহ'ল। সংখ্যাগৰিষ্ঠ হলেও সিপক্ষ মোৰ চোকা বৰশীৰ থুন্দাত পৰাজিত হৈ এজন-দুজনকৈ আঁতৰি গ'ল। অৱশ্যে দুই-এজনে মোক প্ৰায় ৰঙা চকুৰে আঘাট হানি আঁতৰ হ'ল যদিও চৌধাৰীৰ আত্মসন্তুষ্টিত উদ্ভাসিত হৈ পৰা মুখমণ্ডলে মোক সেইটো উৰাই দিয়াৰ শক্তি ক্ষন্তেকতে দি দিলে।

"হেৰি ডাঙৰীয়া ; আপুনি আজি মোক ভাল বচালে দেই। মোৰ মানে এই 'Third Class' বোৰৰ পৰা ইমান দিগদাৰি হৈছে।"

'নাই, নাই। মইনো বাৰু আপোনাক বচাব পাৰোনে ? দোষ থাকিলেহে বচোৱাৰ কথা আহে।'

অসহায় চাৰনিৰে পেং হুডাল কোনোমতে বহুৱাই আলিত উঠিব ধৰা পঙ্গু জনৰ ফালে চকু ৰাখিয়ে মই চৌধাৰীৰ কথাত সহাঁৰি জনালোঁ।

"ইচ্‌বাম ! দেখিছেনে মই কি অভদ্ৰৰ দৰে আপোনাক ইয়াতে থিয় কৈ ৰাখিয়ে কথা পাতি আছোঁ ! আহকচোন,—আহক ভিতৰত বহিয়ে কথা হওঁগৈ। পৰিচয়ো হওঁগৈ।'

"হব - হব।" মই মুখত তেনেদৰে ক'লোঁ। যদিও মোৰ মনেৰে কিন্তু বিচাৰি আছিলোঁ সেইটোকে।

"আপুনি জানো মোক অকৃতজ্ঞৰ শাৰীত পেলাব ? আহকচোন।"

নিৰুপায়ত পৰিহে যেন মই চৌধাৰীৰ কথা ৰাখিলোঁ। তেনে ভাব দেখুৱাই চৌধাৰীৰ আভিজাত্যৰ ৰং বোলোৱা 'ড্ৰইং ৰুম'ত সোমালোহি। সেইয়াই মোৰ 'ট্ৰিকচ্'……।

ইতিমধ্যে [প্ৰায় এমাহৰ পিছতে] মই চৌধাৰীৰ আভিজাত্যৰ ৰং বোলোৱা কোঠাতে সীমাবদ্ধ নাথাকি তেওঁৰ 'মইবৰ' অন্তৰবো নিভৃততম্ কোঠা পালোগৈ। আমাৰ দুয়োৰে বন্ধুত্ব বহুতৰ ঈৰ্ষাৰ কাৰণ হৈ পৰিল। মই কিন্তু মোৰ লক্ষ্যত অবিচল। মোৰ বুদ্ধিৰ চোকা

ৰৰশীটো মোৰ কাৰ্য্যৰ ধুনীয়া টোপটোৰে লুকাই ৰাখিয়ে মোৰ উদ্দেশ্য সাধন কৰা মোৰ 'Principle' চৌধাৰীৰ দৰে কম পানীৰ মাছে সেয়া বুজে মোৰ বৰশীত বিন্ধা খাই মোৰ হাতলৈ অহাৰ পিছতহে। চৌধাৰী অনায়াসে মোৰ হাতলৈ আহি গ'ল আৰু সেই বাবেই ডাঙৰ মাছৰ উপকাৰীতাই মোৰ কেতেবা লগা স্বাস্থ্য খুব কম সময়ৰ ভিতৰতে ইমান ধুনীয়া কৰি তুলিলে যে মই চহৰখনৰ ভিতৰতে সকলোৰে চকুত পৰা তথা আদৰ-শ্ৰদ্ধাৰ পাত্ৰ হৈ পৰিলোঁ। মোৰ নাম-দাম তথা গুণ আদিক লৈ সমালোচনা—বিতৰ্ক চলিল ; কিন্তু মই সাগৰৰ সন্ধানত। খাল, বিল, পুখুৰীৰ মাছে মোক আমুৱালে। সাগৰীয়া মাছৰ উপকাৰীতাওঁ ইবোৰতকৈ বেছি। সেয়ে মই মোৰ বৰশীত ন-টোপ লগাই সাগৰীয়া মাছৰ সন্ধানত আকৌ 'চান্স' বিচাৰি ফুৰিব ধৰিলোঁ।

[ ৩ ]

চৌধাৰীৰ পদূলিত অইন দিনাৰ দৰেই গাড়ীৰ পৰা নামি খোজ লৈছিলোঁহে, এনেতে দাৰোৱানজন আগবাঢ়ি আহি মোৰ চকুলৈ চালে। বুজিলোঁ, সি কিবা ক'ব খুজিছে। সেয়ে তাক এনেয়ে সুধিলো, "কি অ' চাহাব নাই নেকি ?"

"চাহাব আছে। মন্ত্ৰী চাহাবৰ লগত ভিতৰত বহি আছে।"

"মন্ত্ৰী চাহাব ?"

"হয়, পুৰণা মন্ত্ৰী বেদান্ত বৰুৱা নে-কি ! আজি জিমিয়ে অলপ আগতে মন্ত্ৰী চাহাবক কামুৰিলে নহয় !"

"কি, জিমিয়ে আজি বৰুৱাচাৰক কামুৰিলে ? ক'ত ? কেনেকৈ কামুৰিলে ?"

মোৰ মাতত সি চক্‌খায়ে উঠিল কিজানি।

"চাহাব, মন্ত্ৰী চাহাবে এইফালে কিবা সকামত আহোঁতে আমাৰ মিলৰ ওচৰত গাড়ীখনৰ কিবা হোৱাত গাড়ীৰ পৰা নামি ড্ৰাইভাৰজনক গাড়ীখন চাব দিছিল। তেনেতে জিমিয়ে খেদি গৈ ···।"

সি আৰু কি ক'লে মোৰ শুনাৰ ধৈৰ্য্য নহ'ল। একে উশাহে দৌৰিয়ে কিজানি চৌধাৰীৰ 'ড্ৰইংৰুম' পালোহি। অনাধিকাৰ প্ৰৱেশ হ'ল কিজানি ; কিন্তু তেনে এটা মুহূৰ্তত কাৰোবাৰ অনুমতি লৈ সোমোৱাটো আহে কিদৰে ? মোৰ মন সিফালে সোণালী সুযোগ লাভৰ টোৰে ।

"বহক, চলিহা।" হঠাতে মোৰ আগমনত কোঠাত উপস্থিত থকা দুয়োজনে অপ্ৰস্তুত হৈ পৰিল যদিও চৌধাৰীয়ে বিশেষ আগ্ৰহেৰে মোক চকী এখনলৈ আঙুলিয়াই দি বৰুৱালৈ চালে। মোৰ মনত তেতিয়া চৌধাৰী সেই পঙ্গুজনৰহে তুল্য। কিন্তু বৰুৱাদেৱ—প্ৰাক্তন মন্ত্ৰী, কোটি পতি ব্যৱসায়ী বৰুৱা চাহাব মোৰ আশাৰ ··· ভৱিষ্যতৰ মোৰ লক্ষ্যৰ । অসংলগ্নভাৱে মই ক্ষন্তেকতে বহুতো ভাবি আত্মবিভোৰ হৈ পৰিলোঁ যদিও লগে লগে এইটো কথাও মোৰ মনলৈ আহিল যে কোঠাটোত এক অসহ্য নীৰৱতা বিৰাজমান। চৌধাৰী আৰু বৰুৱা দুয়ো যেন কিবা এক দুৰ্ভেদ্য চিন্তাত মগ্ন আৰু সেই চিন্তাৰ কাৰণ যে "জিমি"য়ে মই সহজে বুজিব পাৰি মাত লগালোঁ, —"চাৰ, আপোনাক জিমিয়ে কামুৰিলে বোলে ? মই চাৰ, চৌধাৰীক কিমান

ন কলোঁ যে জিমিক মাৰি পেলাওঁক অথবা
ক বান্ধি ৰখাৰ ব্যৱস্থা কৰক। যাকে-তাকে
মোবাৰ বাবে চৌধাৰীয়ে তাক কি কাৰণত
জিলৈ পুহি ৰাখিছে ক'ব নোৱাৰো। এইবাৰ
পুনি কিবা এটা ব্যৱস্থা কৰাওক চাৰ।
হলে····।"

কিবা এটা উত্তৰৰ আশাত মই ক্ষন্তেক
লো। মোৰ ৰৰশীৰ খুন্দাই আজি চৌধাৰীক
তা-কেঁহা লগালেও বৰুৱাক আকৰ্ষণ কৰাবই
ক আকৰ্ষণ কৰিলেই তাৰ পিছত চৌধা-
য়ে কত পাত্তা পায় ; মই···মানে I mean
Chaliha···

"হেৰি, আপুনি কোন ? চৌধাৰী আৰু
ৰ ব্যক্তিগত কথাৰ মাজত আপুনি উপযাচি
গ লোৱাৰ দৰকাৰ কি ?"

বৰুৱাৰ কথাত মই যেন স্বৰ্গৰ পৰা সৰি
ৰ্ত্যৰ জঘন্য নাদতহে পৰি গ'লো ! কাৰণ,
ধাৰীয়ে তেনেকৈ ক'লে মোৰ ভাবিব লগা
কা নাছিল। কিন্তু ···।

"চাৰ, মই মানে আপুনি বোধহয় মোৰ
থা ···"

"Please আপুনি এতিয়া ইয়াৰ পৰা গ'লেই
মি সুখী হ'ম। আমাৰ আৰু কিছু ব্যক্তিগত
লোচনা বাকী আছে। চৌধাৰীৰ লগত
বা সকাম থাকিলে পিছত আহিব।"

বচ্‌। খেলা খতম। মোৰ মুখ গম আঠাৰে যেন বন্ধ কৰি দিয়ালে হঠাতে। নহলেও তদ্ৰূপ কিবা এটা পটককৈ ঘটি গ'ল। মোৰ বুদ্ধিৰ ৰৰশীটো সাগৰৰ টিমিয়ে চিগি লৈ গ'ল। মোৰ কাৰ্য্যৰ, লক্ষ্যৰ আশাভৰা জোলোঙা হাতৰ পৰা সৰি পৰিল আৰু মই ?

[ ৪ ]

মই এতিয়া চিন্তাত দিক্‌ বিদিক্‌ হেৰুৱাই অৱশ হৈ পৰিছো। মোৰ অতদিনৰ বুদ্ধিৰ চোকা বৰশীটো সাগৰীয়া মাছৰ সন্ধানত সাগৰত পেলাব গৈ হেৰুৱাই পেলালোঁ। সাগৰীয়া মাছৰ অলীক কল্পনাত মত্ত হৈ পাহৰি গৈছিলোঁ যে সাগৰৰ মাছ গভীৰ পানীৰ মাছ। তাৰোপৰি সাগৰত টিমিও থাকে। মোৰ ৰৰশীটোৰ সাগৰীয়া মাছৰ জোখাৰে শক্তি আছিল নে নাই প্ৰমাণ নোচোৱাকৈ পেলাব গৈ মই বৰ মূৰ্খামী কৰিলো। ফলত ৰৰশীটো হেৰুৱাই মই এতিয়া খাল-বিলৰ সৰু মাছ ধৰাৰ পৰাও বঞ্চিত। চিন্তাত মই ভাগৰি পৰিছোঁ।···পঙ্গু-মগনীয়াজনকো বহুদিন দেখা নাই। তাক এবাৰ লগ পোৱা হ'লে তাৰ স'তে কিন্তু সি বা আকৌ মোক কি ভাবে লয় ? ভাল ভাবে ললে হয়তো এইবাৰ সিহঁতৰ স'তেই লগ লাগি···

নতুবা Special Classৰ সপোনত থাকি Third Classও হেৰুৱাই মই বাৰু কিদৰে চলিম !!

——



৺প্ৰাণেশ্বৰ শৰ্ম্মা

[ ৰঙিয়া হাইস্কুলৰ অৱসৰ প্ৰাপ্ত প্ৰ শিক্ষক, ৰাষ্ট্ৰপতিৰ পুৰস্কাৰ প্ৰাপ্ত শিক্ষা ৰঙিয়া কলেজৰ ইংৰাজী বিভাগৰ প্ৰাক্তন অ প্ৰৱক্তা, কলেজ পৰিচালনা সমিতিৰ সদস্য, বি অনুষ্ঠান-প্ৰতিষ্ঠান আদিৰ লগত ওতঃপ্ৰোতভ জড়িত বিশিষ্ট সমাজ কৰ্ম্মী, কৃতী সাহি স্বৰ্গীয় প্ৰাণেশ্বৰ শৰ্ম্মা মহোদয়ে মৃত্যুৰ তিনিদিন আগতেই যুগুতাই লোৱা এই বিশ্লে ( analytical ) আলোচনামূলক প্ৰবন্ধটি তে তৰ পৱিত্ৰ স্মৃতিত শ্ৰদ্ধাঞ্জলিৰূপে নিবেদন হ'ল ]—সম্পাদক

## —ৰাষ্ট্ৰপতি ডঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণনৰ জীৱন দৰ্শন—

কোনো দেশৰ তথা জাতিৰ কাৰণে একোজন ক্ষণজন্মা ব্যক্তিৰ আবিৰ্ভাৱে সেই দেশৰ বা জাতিৰ পক্ষে গৰ্ব্ব আৰু অহঙ্কাৰৰ পটভূমি হৈ পৰে। ভাৰতবৰ্ষও একাধিক তেনে পুৰুষৰ ব্যক্তিত্বৰ দ্বাৰা গৌৰৱান্বিত। সেই সকলো পুৰুষৰ ব্যক্তিত্ব কেৱল কোনো এক স্বকীয় ক্ষেত্ৰতহে পৰিস্ফুট ; কিন্তু চাৰ সৰ্ব্বপল্লী ৰাধাকৃষ্ণণৰ যি বহুমুখী প্ৰতিভাৰ কথা ইয়াত আলোচনা কৰিব খোজা হৈছে, তাৰ এক অতি বৈশিষ্ট্যপূৰ্ণ কথা হৈছে, ৰাধাকৃষ্ণন ৰাজনীতি, ধৰ্ম্ম, দৰ্শন, শিক্ষা সকলোতে ওতঃপ্ৰোত ভাৱে জড়িত অথচ নীতিৰ পঙ্কিলতাৰ পৰা মুক্ত, ধৰ্ম্মান্ধকাৰৰ মুক্ত আৰু ব্যক্তি স্বাৰ্থ কলুষতাৰ পৰা উ মনীষী শ্ৰেষ্ঠ ডঃ ৰাধা কৃষ্ণনৰ অমৰ "প্ৰস্থানত্ৰয়ী' অৰ্থাৎ উপনিষদ, ভগৱদগীতা ব্ৰহ্মসূত্ৰৰ ওপৰত লিখা অমূল্য ভাষ্য আৰু দা মতবাদ অভ্ৰান্ত আৰু সকলো কৃতিত্বৰ বাবে ভাৰতীয় বিদ্যা ভৱনে বিনা দ্বিধাই ডঃ ৰাধাকৃষ্ণনক পূৰ্ব্বাচাৰ্য্য, মাধৱাচাৰ্য্য, ৰামানুজ, বল্লভাচাৰ্য্য আদিৰ সমপৰ্য্যায়ৰ মনীষী বুলি স্বীকৃতি দি "ব্ৰহ্মবিদ্যা ভাস্কৰ" উপাধিৰ দ্বাৰা সন্মানিত কৰিছে। অসাধাৰণ মনীষী "ভাৰত-ৰত্ন" ব্ৰহ্মবিদ্যা ভাস্কৰ' ডঃ চাৰ ৰাধা কৃষ্ণনে ৰাজনৈতিক, ধৰ্মনৈতিক আৰু সমাজ নৈতিক ক্ষেত্ৰত ৰাষ্ট্ৰপতিৰূপে, ৰাষ্ট্ৰদূত ৰূপে আৰু সংস্কাৰকৰূপে কাৰো ওচৰত নিজৰ বৈশিষ্ট্য তিলমানো বিক্ৰী নোহোৱাকৈ আত্ম প্ৰতিষ্ঠা কৰি জয়ী হ'ল তাকে ইয়াত ধাৰাবাহিক হিচাপে বিশ্লেষণ কৰাৰ প্ৰয়াস লোৱা হৈছে। ইয়াত যথাক্ৰমে চাৰ ৰাধাকৃষ্ণনক ৰাজনীতিজ্ঞ (ৰাষ্ট্ৰপতি), ধৰ্ম্ম দৰ্শনবিদ (ৰাষ্ট্ৰদূত), শিক্ষা সংস্কৃতিবিদ (সংস্কাৰক) ৰূপে আলোচনা কৰা কৰা হৈছে। আশা ৰাখিছোঁ, পঢ়ুৱৈ সমাজে ইয়াৰ গুণাগুণৰ সমাদৰ কৰিব।

ভাৰতৰ ৰাষ্ট্ৰপতি হিচাপে প্ৰথমবাৰ ইং ১৯৬৩ চনৰ জুন মাহত ডঃ চাৰ ৰাধাকৃষ্ণনে ইংলণ্ডত পদাৰ্পণ কৰাৰ পাচতে তেখেতক সেই সৰ্ব্বশ্ৰেষ্ঠ সন্মানৰ প্ৰতীক ( Order of Merit ) অৰ্পণ কৰা হয়, কিন্তু এয়েই আৱন্তনী নহয়, ইয়াৰ পটভূমিত বহুতো জানিবলগীয়া কথা আছে। ইয়াৰ বহুদিন আগৰে পৰা উপযুক্ত ভাৰতীয় ব্যক্তিক এই সন্মানেৰে বিভূষিত কৰাৰ উদ্দেশ্যে বৃটিচ পাৰ্লামেণ্টে তৎকালীন ভাইচৰয় লৰ্ড আৰ উইনৰ মতামত আৰু অনুমোদন বিচৰাত কলিকতা বিশ্ববিদ্যালয়ত অধ্যাপনা কৰি থকা ডঃ ৰাধাকৃষ্ণন সম্বন্ধে তৎকালীন বঙ্গ গৱৰ্ণৰৰ মতামত বিচৰাত গৱৰ্ণৰে "... the ... reports are against him, but I like him". —ইয়াত আৰু কোনো দ্বিমত নাই। ডঃ ৰাধাকৃষ্ণনৰ নাম অনুমোদিত হ'ল আৰু ইয়াৰে ফলশ্ৰুতি হৈছে ইং ১৯৬৩ চনৰ জুন মাহত ডঃ ৰাধাকৃষ্ণনক পাৰ্লামেণ্টৰ সৰ্ব্বশ্ৰেষ্ঠ সন্মান "Rt Hon'ble Sir" উপাধিৰে বিভূষিত কৰা হ'ল।

এই প্ৰসঙ্গতে ডঃ চাৰ ৰাধাকৃষ্ণনৰ জীৱনৰ আৰু জীৱনদৰ্শন সম্বন্ধে বেলেগ বেলেগ দৃষ্টিকোণৰ পৰা মূল্যাঙ্কন কিদৰে ৰূপায়িত হৈছে তাৰে পৰ্য্যবেক্ষণ কৰাৰ চেষ্টা হ'ব। Rt. Hon'ble Duncan Sandys, চেক্ৰেটৰী অফ ষ্টেটে উপাধি প্ৰদান কৰা সময়ত দিয়া ভাষণৰ চমু আভাস ইয়াত দাঙি ধৰা হ'ল—' আজি লণ্ডন নগৰীত আপোনাক অভ্যৰ্থনা জনাবলৈ পাই আমি ধন্য। অকল ভাৰত ৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি বুলিয়েই নহয়, আপোনাৰ ব্যক্তিত্বৰ গৌৰৱত আমিও মুগ্ধ। আপোনাৰ দাৰ্শনিক চিন্তাধাৰা শিক্ষা-নীতিৰ মৌলিকত্ব, ধৰ্ম্ম ব্যাখ্যাৰ অভ্ৰান্তত, সৰ্ব্বোপৰি ৰাজনৈতিক মতবাদৰ নিৰ্ভীকতাত আমি আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ। ভাৰতৰ একমাত্ৰ শ্ৰেষ্ঠ সন্তান বুলিয়েই নহয়, ব্যক্তিগত দৃষ্টি-ভঙ্গী আৰু ৰাজনৈতিক দূৰ দৃষ্টিয়ে আপোনাক সমগ্ৰ বিশ্বৰে শ্ৰেষ্ঠতম ব্যক্তি বুলি আমি আপোনাক নমস্কাৰ জনাইছোঁ। সেয়ে বৃটিচ মহাৰাণীৰ পক্ষৰ পৰা আপোনাক "Order of Merit" (... Hon'ble) উপাধি প্ৰদান কৰাত আমি অত্যন্ত সন্তুষ্ট।"

উপাধি পৰ্ব্বৰ অন্তত ভাৰতৰ ৰাষ্ট্ৰপতিয়ে যি প্ৰত্যুত্তৰ দিলে সি বৃটিচ পাৰ্লামেণ্টৰ ইতি-

হাসত এক আলোড়ণৰ সৃষ্টি কৰিলে ; কিয়নো কোনো ৰাষ্ট্ৰ মূৰব্বীয়ে কোনো দিনে পূৰ্ব্ব প্ৰস্তুত ভাষণ আৰু চৰকাৰৰ তৰফৰ পৰা নিজৰ দোষ-ত্ৰুটীৰ লুকঢাক কৰি চৰকাৰৰ গুণানুকীৰ্ত্তন কৰি প্ৰস্তুত কৰা ভাষণহে মূৰব্বীসকলে পাঠ কৰিছিল ; কিন্তু ভাৰতৰ ৰাষ্ট্ৰপতিৰ ক্ষেত্ৰত ই এক ব্যতিক্ৰম। চাৰ ৰাধাকৃষ্ণনে পূৰ্ব্ব প্ৰস্তুতি বিহীন অলিখিত ভাষণত স্পষ্ট ভাষাত নিজৰ মতাদৰ্শ দাঙি ধৰি সাব্যস্ত কৰিলে যে দুই শতাব্দীৰো অধিক কাল পৰাধীনতাৰ পাচত অতি অভিনৱ পন্থাৰে ভাৰতে স্বাধীনতা লাভ কৰিবলৈ যোগ্যবান হৈছে আৰু স্বাধীনতা লাভ কৰাৰ পোন্ধৰ বছৰৰ ভিতৰতে তিনিটাকৈ সাধাৰণ নিৰ্ব্বাচন, ভিন্ ভিন্ ভাষা-ভাষী, ভিন্ ভিন্ ধৰ্ম্ম আৰু ভিন্ ভিন্ সম্প্ৰদায়ৰ মানুহৰ মাজত পাৰ্থক্য থাকিলেও কোনো বিশৃঙ্খলা নোহোৱাকৈ সম্পন্ন কৰিব পাৰিছে।" আপোনালোকে জানে যে আমাৰ ভাৰতবাসীৰ প্ৰধান শত্ৰু হৈছে দৰিদ্ৰতা আৰু নিৰক্ষৰতা, তথাপি এইবোৰৰ পৰা মুক্ত হ'বৰ কাৰণে আমি আমাৰ গণতান্ত্ৰিক সংস্থাবিলাকৰ যোগেদি আমি নিয়াৰিকৈ পাৰ্য্যমানে চেষ্টা চলাই আছোঁ।" চাৰ ৰাধাকৃষ্ণনৰ এনে পূৰ্ব্ব প্ৰস্তুতি বিহীন (Extempore) আৰু অলিখিত (Unwritten) ভাষণে অকল যে বৃটিচ পাৰ্লামেণ্টৰী ইতিহাসত এক অভূতপূৰ্ব্ব আলোড়ণৰ সৃষ্টি কৰিলে সেয়ে নহয়, সেই মানুহজনৰ নিৰ্ভীক স্পষ্টবাদিতা আৰু নিৰ্ভেজাল দেশ-প্ৰীতি আৰু নিখুট ব্যক্তিত্বত বৃটিচ পাৰ্লামেণ্ট অভিভূত হ'ল।

চাৰ ৰাধাকৃষ্ণনৰ কাৰ্য্যপদ্ধতি এনে মুক্ত আৰু স্পষ্টগন্ধী যে বহু সময়তে তেখেতে কূটনৈতিক আড়ম্বৰৰ মেৰ পেচৰ পৰা আঁতৰি আহি protocolৰ নীতি ভঙ্গ কৰাটোও নীতি বিৰুদ্ধ বুলি ভবা নাছিল। তেনে এবাৰ হৈছিল যেতিয়া ইংলণ্ডৰ ৰাণীৰে সৈতে কূটনৈতিক আড়ম্বৰ আৰু নীতি অনুযায়ী আদৰণি জনোৱাৰ প্ৰস্তুতিৰ লগে লগে ভাৰতৰ ৰাষ্ট্ৰপতিয়ে সকলো নীতি উলঙ্ঘা কৰি তাত সমবেত ভাৰতীয় জনসাধাৰণৰ "নমস্তে" বুলি অভিবাদন জনাবলৈ ওলাই আহিল? Diplomatic Protocolৰ ফালৰ পৰা ই গৰ্হিত হলেও ৰাষ্ট্ৰপতিৰ সাৰল্য আৰু নিৰ্ভীক নিৰ্ভেজাল সত্বা দেখি কোনো ব্যক্তিয়ে তাত অসন্তুষ্টি প্ৰকাশ নকৰি বৰং ৰাষ্ট্ৰপতিৰ তেনে স্বাভাৱিক মাধুৰ্য্যত বহু ইংৰাজ ব্যক্তি ৰাষ্ট্ৰপতিৰ প্ৰতি আকৃষ্টহে হৈছিল।

ভাৰতৰ ৰাষ্ট্ৰপতিৰ সন্মানাৰ্থে ৰাণী এলিজাবেথে চৰকাৰ পক্ষৰ পৰা এচকটৰ পৰা Race Courseত আমন্ত্ৰণ দি কূটনৈতিক আড়ম্বৰেৰে অভ্যৰ্থনা জনালে। ঘোঁৰা-দৌৰৰ পৰা প্ৰত্যাৱৰ্ত্তনৰ পথত ভাৰতৰ ৰাষ্ট্ৰপতিয়ে Protocol নীতি বহিৰ্ভূত ভাৱে অন্য এক ব্যৱস্থাৰে তেখেতৰ গ্ৰন্থৰাশিৰ প্ৰকাশক Allen & Unwinৰ পোৱাত ৰাষ্ট্ৰপতিয়ে ৰাণীক এৰি গাড়ীৰ পৰা নামি Allenৰ থকা কোঠালীৰ সন্মুখত ঠিয় দিয়াত মিঃ চাগলাই দুৱাৰত টোক্কৰ দিয়াৰ লগে লগে Allen ওলায়েই ৰাষ্ট্ৰপতিক দেখি স্তব্ধ হৈ কলে, "মিঃ প্ৰেচিডেণ্ট, আপুনি আগতে জনোৱাহেঁতেন মই থিক ব্যৱস্থা কৰিলোহেঁতেন।' 'কোনো কথা নাই। মোৰ কিতাপবোৰৰ বিক্ৰী কেনে হৈছে জানো বুলি আহিলোঁ। এনেকুৱা কাৰ্য্যই প্ৰতিপন্ন কৰে যে যিজন ব্যক্তিয়ে Diplomatic Protocolৰ নীতি উলঙ্ঘা কৰি কোনো গৰ্হিত কাম কৰা হোৱা নাই বুলি ভাৱে সেইজন ব্যক্তি কিমান মহানুভৱ আৰু স্বাধীনচেতা। ৰাণী এলিজাবেথ ইয়াত তিলমাত্ৰ অসন্তুষ্ট নহ'ল বৰং ৰাষ্ট্ৰপতিৰ অতি উচ্চ আৰু উদাৰ মনোবৃত্তি দেখি বেছি আকৃষ্টহে হ'ল।

ভাৰতৰ ৰাষ্ট্ৰপতিৰ কমনওয়েলথ্ ৰাষ্ট্ৰ ভ্ৰমণত চাৰ ৰাধাকৃষ্ণনৰ উদাৰ আৰু চিন্তাশীল শিক্ষাবিদ, সংস্কাৰ মুক্ত ধৰ্ম্ম দৰ্শন ব্যাখ্যাত আৰু সৰ্ব্বোপৰি পঙ্কিলতাৰ পৰা উন্মুক্ত ৰাজনীতিজ্ঞ মনীষী হিচাপে প্ৰাচ্য আৰু প্ৰতীচ্যৰ মাজত সমন্বয় ৰক্ষী শ্ৰেষ্ঠ ভাৰতীয় ব্যক্তি বুলি পৃথিৱীয়ে স্বীকৃতি দিলে। ভাৰতৰ পক্ষে ই কম গৌৰৱৰ কথা নহয়।

চোভিয়েট ৰাষ্ট্ৰত ৰাষ্ট্ৰদূতৰূপে কাৰ্য্য নিৰ্ব্বাহ কৰি থকা বিজয়লক্ষ্মী পণ্ডিত হঠাতে যুক্ত ৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূত হবলগীয়া হোৱাত সেই খালি হোৱা ঠাই পূৰণ কৰিবলৈ নানা গুণাগথা কৰিবলগীয়া হৈছিল, বহুতে বহুত নাম প্ৰস্তাৱ কৰিছিল ; কিন্তু প্ৰধান মন্ত্ৰী নেহৰুয়ে ডঃ ৰাধাকৃষ্ণনৰ নামটোহে প্ৰস্তাৱ কৰিছিল। এই কথাত বহুতে নাক কোচাইছিল ; কিয়নো চোভিয়েট ৰাষ্ট্ৰ ঈশ্বৰ আৰু ধৰ্ম্মৰ নামৰ বৈৰী। আনহাতে ডঃ ৰাধাকৃষ্ণন আছিল ধৰ্ম্ম আৰু ঈশ্বৰৰ প্ৰথম স্তৱৰ ভক্ত আৰু সেই সময়ত অক্সফোৰ্ডত Comparative Religion and philosophyৰ ওপৰত অধ্যাপনত নিয়োজিত হৈ আছে। যেয়ে যি নকওঁক প্ৰধান মন্ত্ৰী নেহৰুয়ে লোৱা সিদ্ধান্তমৰ্মে ডাঃ ৰাধাকৃষ্ণন অক্সফোৰ্ডত ধৰ্ম দৰ্শনৰ অধ্যাপনা কৰাৰ উপৰিও চোভিয়েট ৰাষ্ট্ৰত ৰাষ্ট্ৰদূতৰ দায়িত্ব গ্ৰহণ কৰিলে। বহুতে ধাৰণা কৰিছিল যে ডঃ ৰাধাকৃষ্ণন ৰাষ্ট্ৰদূত হিচাপে ৰুচিয়াত Misfit হ'ব ; কিন্তু আচৰিত কথা যে চোভিয়েট ৰাষ্ট্ৰ ধৰ্ম ঈশ্বৰ গন্ধস্তন্য হলেও তাৰ গুণগ্ৰাহী সকলে ডঃ ৰাধাকৃষ্ণনক ৰাষ্ট্ৰদূত হিচাপে পোৱাত বিশেষ ভাৱে সন্তুষ্ট হৈছিল আৰু ভাৰত ৰাষ্ট্ৰৰ শলাগ লৈছিল। চোভিয়েট ৰাষ্ট্ৰ মূৰব্বী ষ্টালিনে ইয়াৰ আগৰ ৰাষ্ট্ৰদূত বিজয় লক্ষ্মী পণ্ডিতক কাৰ্য্যকালৰ ভিতৰত এবাৰো সাক্ষাৎ নকৰিলে, সেই ষ্টালিনে ৰাষ্ট্ৰদূত ৰাধাকৃষ্ণনক কাৰ্য্যভাৰ গ্ৰহণৰ অলপ কেইদিনমানৰ ভিতৰতে সাক্ষাতৰ বাবে আহ্বান জনালে। ইয়াৰ ফলতে ৰাষ্ট্ৰদূতৰ Credential লোৱাত অতি খৰধৰ কৰা হ'ল। ভাৰতৰ ৰাষ্ট্ৰদূত আৰু চোভিয়েট মূৰব্বীৰ প্ৰথম সাক্ষাতকাৰেই এক অতি ঐতিহাসিক ঘটনা। মস্কোৰ ৰাষ্ট্ৰদূত আবাসত ডঃ ৰাধাকৃষ্ণন এক অসাধাৰণ ব্যক্তি ; কিয়নো তেওঁ Diplomatic protocolৰ ধৰা-বন্ধা আড়ম্বৰক ভ্ৰূক্ষেপ নকৰি নিজৰ শোৱনি কোঠাৰ ভিতৰতে অইন ৰাষ্ট্ৰদূতক সম্বৰ্দ্ধনা জনায়। অধিকাংশ সময়তে ডঃ ৰাধাকৃষ্ণনে পঢ়া-শুনা কৰে আৰু "ব্ৰহ্মোপনিষদ" অনুবাদৰ কামত ব্যস্ত থাকে। তেওঁৰ পৰৱৰ্ত্তী ৰাষ্ট্ৰদূত কে, পি, এচ, মেননে লেখিছে যে ডঃ ৰাধাকৃষ্ণনৰ শোৱা পালঙৰ চৌকাঠত তেওঁৰ মূৰৰ তেলৰ দাগেৰে চিত্ৰ-বিচিত্ৰ ৰূপ লৈছিল। Diplomatic protocolৰ চলিত ৰীতি মতে ভোজ মেলবোৰত ৰাতি দুপৰলৈ ব্যতিব্যস্ত হৈ থকা দস্তুৰ ডঃ ৰাধাকৃষ্ণনে কোনো

দিনে মানি চলা নাই। বব বেছি ১০ বাজিলেই নৈশ ভোজৰ মেজত টুকুৰিয়াই ভাৰতীয় ৰাষ্ট্ৰদূতে তেওঁৰ অসহিষ্ণুতাৰ কথা ব্যক্ত কৰে আৰু ভোজ মেল এৰিবলৈ থিয় হয়। চোভিয়েট দূতাবাসত ডঃ ৰাধাকৃষ্ণনৰ অসাধাৰণ ব্যক্তিত্বৰ কথা আৰু তেওঁৰ নির্ভীক মতবাদে কূটনৈতিক নীতি-নিয়মৰ বিৰোধিতা কৰা স্বত্বেও চোভিয়েট ৰাজনৈতিক মহলত ভাৰতৰ ৰাষ্ট্ৰদূতে এখন সুকীয়া স্থান অধিকাৰ কৰে আৰু ইয়াৰ ফলতে ভাৰত চোভিয়েট মৈত্ৰী এক মধুৰ পৰ্য্যায়ত উপনীত হ'ল।

চোভিয়েট ৰাষ্ট্ৰ প্ৰধান ষ্টালিন আৰু ভাৰতৰ ৰাষ্ট্ৰদূত ডঃ ৰাধাকৃষ্ণনৰ প্ৰথম সাক্ষাৎ কেনেদৰে হ'ল আৰু সেই সাক্ষাতৰ মৰ্ম্মাৰ্থ কেনে ঐতিহাসিক গুৰুত্বপূৰ্ণ তাক সংক্ষেপে আলোচনা কৰা সমীচিন হ'ব।

ডঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণনক ইং ১৯৪৯ চনত ভাৰতৰ ৰাষ্ট্ৰদূতৰূপে চোভিয়েট ৰাষ্ট্ৰলৈ পঠিওৱা হ'ল। ইং ১৯৫০ চনৰ ১৪ জানুৱাৰী তাৰিখে ডঃ ৰাধাকৃষ্ণনে ফোন যোগে এই বাতৰি পালে, - "আপুনি ইয়াত কাৰ্য্য ভাৰ লৈয়েই অক্টোবৰ নৱেম্বৰত ইউনেস্কো অধিৱেশনত যোগ দিবলৈ যাব। ডিচেম্বৰত মাও-চে-টুঙৰ আগমন হেতুকে মিঃ ষ্টালিন তেওঁৰে সৈতে ব্যস্ত থাকিবলগীয়া হোৱাত আপোনাক সাক্ষাৎ কৰাৰ সুযোগ নাছিল। আজি তেওঁ মুক্ত ; সেয়ে আপোনাক লগ পাব খোজে।" যি চোভিয়েট ৰাষ্ট্ৰ প্ৰধানে ইয়াৰ আগৰ দূত বিজয়লক্ষ্মী পণ্ডিতক সাক্ষাতকাৰ নিদিলে, সেই ৰাষ্ট্ৰ প্ৰধানে কাৰ্য ভাৰ গ্ৰহণৰ ৬ মাহৰ ভিতৰতে আহ্বান জনোৱা কথা কম তাৎপৰ্য্যপূৰ্ণ নহয়। ডঃ ৰাধাকৃষ্ণনে মিঃ ষ্টালিনক দোভাষী পাভলফৰ জৰিয়তে এইদৰে আৰ[illegible] কৰিলে,—"মই এনে এখন ৰাষ্ট্ৰৰ প্ৰতিনিধি[illegible] কৰিছোঁ, যি ৰাষ্ট্ৰৰ এজন ৰজাই জীৱনত মা[illegible] এখন যুদ্ধ কৰি, গণ-হত্যাৰ বিভীষিকাত কাত[illegible] হৈ সংসাৰ এৰি সন্ন্যাস গ্ৰহণ কৰি জগতত এ[illegible] অতুলনীয় কীৰ্ত্তি ৰাখি গৈছে, আনহাতে আপো[illegible] নালোকে যুদ্ধৰ পিচত যুদ্ধ কৰি নৰকঙ্কাল[illegible] ওপৰত সাম্ৰাজ্যৰ ভেটি ৰচনা কৰিছে ঃ কি[illegible] কোনে জানে আপোনাৰ ভাগ্যতো যে তে[illegible] সন্ন্যাস নাহিব পাৰে।" ষ্টালিন কিছুপৰ স্তব্ধ [illegible] ৰ'ল আৰু লাহেকৈ কলে,—"এৰা, কো[illegible] কোনো ক্ষেত্ৰত কেতিয়াবা অসম্ভৱো সম্ভৱ হয় ময়ো প্ৰায় পাঁচ বছৰমান এখন Theologic[illegible] (ধৰ্মনৈতিক) অনুষ্ঠানৰ ভক্ত আছিলোঁ।" [illegible] কথাখিনি কোৱা হলত মানুহজন প্ৰায় অ[illegible] ভাৱাক্ৰান্ত আৰু বিচলিত যেন পৰিলক্ষি[illegible] হ'ল। ইং ১৯৫২ চনৰ এপ্ৰিলৰ ৫ তাৰি[illegible] মিঃ ভ্যসিস্কীয়ে কোনো দিনে নপতা ভোজ মে[illegible] এখনত ডঃ ৰাধাকৃষ্ণনক পোন প্ৰথমবাৰ[illegible] সম্বৰ্দ্ধনা জনাবলৈ যো-জা কৰি মিঃ টালিনে [illegible] ৰাধাকৃষ্ণনক দ্বিতীয়বাৰ সাক্ষাৎ কৰিবলৈ ই[illegible] কৰা বুলি জনালে। ভাৰতৰ উপ-ৰাষ্ট্ৰপতি প[illegible] মনোনয়ণ প্ৰাৰ্থী হোৱাৰ জৰুৰী অৱস্থালৈ ল[illegible] কৰি কাৰ্য্যকাল পূৰ হোৱাৰ বহু পূৰ্ব্বে [illegible] আকস্মিক ভাৱে মাত্ৰ কেইঘণ্টা মানৰ পাচ[illegible] অৰ্থাৎ পিচদিনা ৰাতিপুৱাৰ লগে লগে ৰুচি[illegible] এৰিবলগীয়া হোৱাত সেই ভোজমেলৰ সময়[illegible] ডঃ ৰাধাকৃষ্ণনৰ সৈতে সাক্ষাতৰ ব্যৱস্থা ক[illegible] হ'ল। ডঃ এচ, ৰাধাকৃষ্ণনে এই দৰে লেখি[illegible] যে মিঃ ষ্টালিনৰ চকু মুখ উখহিছে। মা[illegible]





জনক আশাতীত ভাৱে বিমৰ্ষ অস্থিৰ চিত্ত দেখি চকু মুখত আৰু গা-মূৰে মৰমেৰে হাত বুলাই দিয়াত চোভিয়েট ৰাষ্ট্ৰ মূৰব্বী অভিভূত হ'ল আৰু সজল নয়নেৰে কলে 'আপুনিয়েই এক মাত্ৰ ব্যক্তি, যি জনে মোক পিশাচ বুলি নধৰি মানুহ বুলি গণ্য কৰিলে। আপুনি আমাক এৰি যাব ওলোৱাত মই মনত বৰ দুখ পাইছোঁ, আপুনি ইয়াত বেছি দিনলৈ থাকিব বুলি আশা কৰিছিলোঁ। আপোনাৰ নিচিনাকৈ মোক কোনেও মৰম কৰা নাই। মই আৰু বেছি দিন জীয়াই নাথাকিম।" কথাখিনি কৈয়েই ষ্টালিন স্তব্ধ হ'ল। আচৰিত কথা যে এই ঘটনাৰ ছয় মাহৰ ভিতৰতে ষ্টালিনৰ মৃত্যু হ'ল।

দক্ষিণ, আফ্ৰিকাৰ পৰা ভাৰতলৈ উভতি অহাৰ পাচত গান্ধীজী সমাজ সংস্কাৰক ৰূপে সৰ্ব্বজন স্বীকৃত নেতা হিচাপে পৰিগণিত হৈছে। মাদক দ্ৰব্য নিবাৰণ, অস্পৃশ্যতা বৰ্জ্জন আদি সামাজিক কলঙ্ক বোধ কৰিবলৈ গান্ধীজীয়ে পৰিকল্পনা লৈছে। লগে লগে গো-দুগ্ধ পান নিষিদ্ধ কৰাতো তেখেতে বৰ বেছি গুৰুত্ব দিলে ঃ কিয়নো তেখেতৰ মতে গো দুগ্ধত গো-মাংসৰ আৰক মিশ্ৰিত হৈ থাকে। সেই সময়ত ডঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণনে কলিকতা বিশ্ববিদ্যালয়ত দৰ্শন-বিভাগত অধ্যাপনাত নিযুক্ত আছিল। মাদ্ৰাজৰ জি, এ, নাটেচানৰ ঘৰত পোন প্ৰথমবাৰৰ বাবে গান্ধীজীৰ সৈতে সাক্ষাৎ হোৱাত গান্ধীজীয়ে ডঃ ৰাধাকৃষ্ণনক কলে,—"আপুনি গো-দুগ্ধ নাখাব ; কিয়নো গো-দুগ্ধত গো-মাংসৰ আৰক মিহলি হৈ থাকে।" ডঃ ৰাধাকৃষ্ণনে ইয়াৰ উত্তৰত গান্ধীজীক সম্বোধন কৰি কলে,—"মহাশয়, আপোনাৰ যুক্তি মানি লব গলে আমি স্বীকাৰ কৰিব লাগিব যে আমি প্ৰত্যেকেই একোজন নৰখাদক, কিয়নো আমাৰ মাতৃ-দুগ্ধতো নিশ্চয় নৰ মাংসৰ আৰক মিশ্ৰিত আছে আৰু সেয়ে যদি সত্য হয় তেন্তে হিন্দু জাতিৰ মাজত যুগযুগান্তৰ প্ৰচলিত হৈ অহা নিৰামিষী কথাষাৰৰো কোনো মূল্য নাথাকে যেন লাগে।" গান্ধীজী এই উত্তৰত স্তব্ধ হৈ কলে, "অৰণ্যত হাজাৰ হাজাৰ জীৱ-জন্তু জন্মে, সিহঁতক কোনো ঔষধৰ প্ৰয়োজন নহয়।" উত্তৰত ৰাধাকৃষ্ণনে কলে,—"অৰণ্যত হাজাৰ জীৱ-জন্তু মৃত্যুৰ মুখতো পৰে।"

গান্ধীজী "আপুনি কেনেকৈ জানে?"

ডঃ ৰাধাকৃষ্ণন "আপুনি কেনেকৈ জানে?" তৰ্ক আৰু বাক্-বিতণ্ডাৰ গতি বিষম দেখি মিঃ জি. এ, নাটেচানে গান্ধীজীক সম্বোধন কৰি কলে,—"আপুনি বোধ হয় নাজানে তেওঁ তৰ্ক শাস্ত্ৰত এজন কীৰ্ত্তিমান পণ্ডিত। এই বিষয়ে আৰু বেছি আগ নবঢ়াই ভাল হ'ব যেন পাওঁ।" তৰ্কৰ মোৰ ঘূৰিল। এই সম্বন্ধে ডঃ ৰাধাকৃষ্ণনক "গান্ধীজীৰ সৈতে আপোনাৰ প্ৰথম পৰিচয় কিদৰে হৈছিল" বুলি সোধাত তেখেতে উত্তৰ দিছিল. "মধুৰটো নাছিলেই, তিক্তহে আছিল।" যুক্তিহীন কোনো কথাত ডঃ ৰাধাকৃষ্ণনৰ ব্যক্তি স্বাধীনতা নেওচা দি আনক সমৰ্থন দিয়া দস্তুৰ কোনো দিনে নাছিল। সেয়ে এই শ্ৰেষ্ঠ মনীষী অকল ভাৰততে নহয় প্ৰাচ্য-প্ৰতীচ্য দুয়ো জগততে এক অতি অতুলনীয় ব্যক্তি।

— —




"হিচ্‌... হিচ্‌....হিচ্‌' শব্দটোৰ লগতে অদূৰৰ পৰা ভাঁহি আহিছিল ট্ৰেইনখনৰ চিনাকি উকিটো। নামনিমুৱা এই যাত্ৰীবাহী ট্ৰেইনখনৰ বাবে ৰৈ থাকি আমনি লাগি গৈছিল যদিও শেষত ট্ৰেইনখনৰ আগমনে মনটো কিছু পৰিমাণে হলেও ফৰকাল কৰি পেলালে। প্লেটফৰ্মৰ বেঞ্চখনৰ পৰা সেয়ে কিজানি অপেক্ষাৰত যাত্ৰীবোৰৰ পিছে পিছে উঠি গৈ কেতিয়া লৰাঢপৰা লগাই যে ডবাত উঠি বহিলোহি গমেই নেপালোঁ। ডবাটোৰ এজনে নিজৰ বেডিংপত্ৰ আদিৰ বাবে কুলী এজনৰ সতে চিঞঁৰ-বাখৰ লগোৱাত মোৰ হঠাতে নিজৰ বেগটো হেৰোৱা বুলি বুকুখন চিৰিঙ্‌কৈয়ে উঠিছিল। পিহত বেগটো মোৰ কাষতে থকা দেখিহে উশাহটো আহিল। বেগটো হেৰাব লাগিলে ঘৰ গৈ পোৱাৰ লগে লগে মোৰ অৱস্থাই নোহোৱা হ'লহেঁতেন। তা অনা ভনীজনীৰ ফ্ৰকটো, ভাইটি দুটাৰ চাৰ্ট পেন্ট মা'ৰ চাদৰখন, দেউতাৰ এটা গেঞ্জী ইত্যাদি বস্তুবোৰ এনেকৈ হেৰুৱাই গৈ সিহঁতক ক'লে জানো মোৰ কথা বিশ্বাস কৰি ৰেহাই দিলে হেঁতেন বাপ্‌ৰে। মা ৰ কথা অৱশ্যে অল বেলেগ।

ষ্টেচনটো এবাৰ আগজাননী দি ট্ৰেইনখ বজোৱা উকিটোৱে মোৰ চিন্তাত আউল লগা দিলে। বাধ্য হৈয়ে মই বোধহয় ডবাটো যাত্ৰীবোৰলৈ দৃষ্টি বগৰালোঁ। আঠ—ন'জন মানু মাত্ৰ ডবাটোত। সমুখৰ বেঞ্চখন খালী আছিল এনেতে ল'ৰা এজন আহি তাতেই বহিলহি মোৰো ভালেই লাগিল। কাৰণ ট্ৰেইনত গ'লে কথা-বতৰা পাতিবলৈ অন্ততঃ এজন ভাল সঙ্গী





য়োজন। সেয়েহে মোৰ সন্মুখৰ বেঞ্চখনত চিনাকি যাত্ৰীজনক বহাত সহঁাৰি জনালোঁ। কিয় জানো ল'ৰাজনক প্ৰথম দৰ্শনতে মোৰ ভাল লাগি গ'ল।

ল'ৰাজনৰ লগত চিনাকি হোৱাৰ আশাৰে বাৰ তালৈ চালোঁ। ল'ৰাজনে এটা চিগাৰেট জ্বলাই লৈ বৰ ব্যস্তভাৱে হুপিবলৈ ধৰিলে! দেখাত মিঠাবৰণৰ, শান্ত, ধুনীয়া ল'ৰাটো। কিন্তু তাৰ মুখ মণ্ডলত ফুটি উঠিছিল এক বিষাদৰ ছাঁ। কিবা এটা বেদনাই যেন তাক চিন্তিত কৰি তুলিছিল। ল'ৰা জনে মোৰ পিনে চোৱাত চকুৱে চকুৱে পৰিল।

— "চিগাৰেট খায় নে?" সি মোলৈ চিগাৰেটৰ পেকেটটো আগবঢ়াই দিলে।

— "বেয়া নেপাব, মই চিগাৰেট নেখাওঁ।"

"ধন্যবাদ! মই ভাবিছিলোঁ....."

— "অৱশ্যে আজিকালি প্ৰায় সকলোৱে খায়েই। মই তেওঁৰ কথাৰ ওপৰতে মাত দিলোঁ। তেওঁ সন্মতি সূচক ভঙ্গীৰে মূৰ দুপিয়ালে মাথোন। এবাৰ ভালদৰে বহি লোৱাৰ ভঙ্গিৰে তেওঁ বহিলৈ বাহিৰলৈ চাই হঠাতে দৃষ্টি ঘূৰাই আনি মোলৈ চাই কৈ উঠিল 'ৰাতিৰ এই এন্ধাৰ খিনি বৰ ভাল লাগিছে নহয় নে?' মই চক্‌খায়ে উঠিলোঁ। ল'ৰাজন কোনো ৰোমান্টিক কবি নহয়তো? এই ৰাতিৰ এন্ধাৰখিনিকো ভাল বুলি অনুভৱ কৰিব পৰা ল'ৰাজনে পৃথিৱীৰ কতেইবা সৌন্দৰ্য্যৰ উৎস বিচাৰি নেপাব!

মই ক'লোঁ "আপুনি এন্ধাৰ বৰ ভাল পায় নেকি?" চিগাৰেটত এটা হোপা মাৰি তেওঁ কিবা এটা ভাবি লাহে লাহে ক'লে " কাকো প্ৰতাৰণা কৰিব নাজানা এই এন্ধাৰ বোৰক মোৰ বৰ ভাল লাগে। এন্ধাৰ বোৰে যে কিহৰ বেদনাত চট্‌ফটাই তাক জানো আমি বুজিবলৈ চেষ্টা কৰিছোঁ। কেতিয়াও কৰা নাই। আমি বৰ স্বাৰ্থপৰ।" কিবা এক বুজিব নোৱাৰা চিন্তাই তেওঁক যেন আমনি কৰি তুলিলে। সেই আমনিকে যেন তেওঁ চিগাৰেটেৰে উপসম কৰি আছে।

— 'আপুনি ক'লৈ যাবনো?' অসহ্য নীৰৱতা ভঙ্গ কৰিবলৈ মই আকৌ সুধিলোঁ।

—"কলৈকো যাবলৈ অৱশ্যে মই অহা নাই। মই যিটো ষ্টেচনত উঠিছিলোঁ মই তালৈকে আহিছিলোঁহে।

—"বোধ হয় কিবা সকামত আহিছিল?"

'এবা বহুদিনৰ চিনাকি মানুহ এজনক বিচাৰি আহিছিলোঁ।

— 'লগ পালেনে বাৰু?"

—"লগ পালোঁ কিন্তু ।" তেওঁ ৰৈ গ'ল। পুনৰ বাহিৰলৈ দৃষ্টি নি ক'লে "কিন্তু মই লগ পোৱাৰ আগতে সকলো শেষ হৈ গ'ল। তেওঁ হেনো শেষ মূহুৰ্ত্তলৈকে মোক লগ পোৱাৰ আশাৰে ৰৈ আছিল। কিন্তু মই গৈ পোৱাৰ আগতে সকলো শেষ হৈ গ'ল।

হঠাতে ল'ৰাজন অন্য মনস্ক হৈ পৰিল। মই অনুমান কৰিলোঁ ল'ৰাজনে যেন কিবা এটা অসহ্য বেদনাত দেইপুৰি চট্‌ফটাব লাগিছে। কিবা এটা কথা কওঁ বুলিও যেন ক'ব পৰা নাই। ডবাটোত থকা একমাত্ৰ বিজুলী বাটিটোৰ ক্ষীণ পোহৰতো তাৰ বেদনা ভৰা চকু দুটা চকুলোঁৰে

ৰঙিয়া কলেজ আলোচনী

উপচি পৰা মই দেখিলোঁ। কিয় জানো মোৰ নিজকে ল'ৰাজনৰ সেই অৱস্থাতো দেখি দোষী-দোষী যেন লাগি গ'ল। মই তেওঁক হয়টো নুসুধিবলগীয়া কথা এটাকে অজ্ঞাতে সুধি পেলালোঁ। যাৰ ফলত···কথাটো ভাবি মই ক'লোঁ,—

—"ক্ষমা কৰিব ; মই আপোনাক কিজানি অবাঞ্চনীয় প্ৰশ্ন এটা কৰি ।"

—"নাই···নাই··ডাঙৰীয়া। আপুনি মোক অবাঞ্চিত প্ৰশ্ন সোধা নাই। জানেনে মই গৈ পোৱাৰ লগে লগে তেওঁৰ দপ্ দপ্ কৈ জ্বলি থকা চিতাৰ জুইকুৰাৰ মাজত যেন তেওঁ থিয় হৈ মোক চিঞঁৰি চিঞঁৰি কৈছিল জ্যোতিদা

—"আপুনি এইবোৰ কথা ভাবি থাকি মিছায়ে মনটো বেয়া নকৰিব। তাতকৈ আমি অইন কথাকে পাতো।" কথাৰ মাজতে মই মাত দিয়াত ল'ৰাজনে আচৰিত ধৰণে মোৰফালে চাই ক্ষন্তেক নীৰৱ হৈ ৰ'ল। বেদনা ভৰা চকুহটাই খিৰিকিৰে বাহিৰৰ এন্ধাৰৰ মাজত সোমাই কিবা এটা যেন বিচাৰি ফুৰিব ধৰিলে। কিছু পিছতে দৃষ্টি ঘূৰোটাই ল'ৰাজনে মাত দিলে –

"আপুনি জানো মোৰ কথাত আমনি পাইছে ? জানে, অন্তৰৰ অসহ্যকৰ বোজাটো পাতলাম বুলি ভাবিয়ে আপোনাক তেওঁৰ কিছু কথা কব খুজিছিলোঁ। কিয় জানো মোৰ এই কথাবোৰ কবলৈ আপোনাকে উপযুক্ত আপোন-জন যেন লাগিছিল—কিন্তু আপুনি যদি··· ।

ল'ৰাজনৰ কথাত মোৰ বৰ বেয়া লাগি গ'ল এইবাৰ। উত্তৰ দিবলৈ একো বিচাৰি নাপালোঁ। উপৰ্যাচি মোক কথাবোৰ কৈ দুখ পাতলাৰ বিচাৰিছে। হঠাতে মোৰো ল জনলৈ বৰ আপোন আপোন ভাব এটা গ'ল। মই তেওঁৰ কথাত বাধা দিব খুজি দ্বিতীয়টো ভুল কৰিলোঁ।

"মই আপোনাৰ কথা শুনি বেয়া বুলি নাভাবিব। কৈ যাওঁক মই আপো সকলো কথা শুনিম।" অসহায় চাৱনিৰে ল'ৰাজনক কথাটো কৈ তেওঁৰ চকুৰ চালোঁ। তেওঁৰ জীৱনটো সাঁথৰ সাঁথৰ গ'ল মোৰ মনত। মই একেথৰে লৰাজ চাই থাকি আচৰিত হৈছিলোঁ—ইমান শান্ত লৰাজনৰ অন্তৰত এনে এখন পাহাৰ নীৰৱে শুই থাকিব পাৰে কিদ আচৰিত। এৰা, আমি ভুল কৰো মানুহৰ ব্য কতাখিনি দেখিয়েই। আমি দেখা নেপাওঁ হাঁহি ভৰা মুখৰ আঁৰত থকা বেদনাৰ জুইখি

গাড়ীখনে তীব্ৰ বেগেৰে পূৰৱ পৰা মলৈ গৈ আছিল। মই চাই আছিলোঁ হাতত থকা ডাঙৰ কাগজৰ খামটোলৈ। বেট এটা জ্বলাই লৈ ল'ৰা জনে কলে,—

– "কি হ'ল কি চাইছে বাৰু ?"

"অ' নহয় মানে···· ।"

– "আপুনি মোৰ জীৱনৰ কথা শুনিম কৈছিল নহয় !" এটা হুমুনিয়াহ কাঢ়ি কিবা ভাবি পুনৰ মোৰ পিনে চাই হঠাতে ল'ৰা মোৰ পৰিচয় সুধিলে। মই মোৰ পৰিচয় ল'ৰাজনক দিলোঁ।

তেওঁ আকৌ এটা চিগাৰেট জ্বলাই পিনে চাই থাকিল, যেন কিবা এটা মই বাহিৰলৈ চাই কলোঁ। –"বেচ

পৰিছে। এৰা শীত-বসন্তৰ মাজেৰেই মানৱ জীৱন অতিবাহিত হয়।" মোৰ কথাত লৰাজনে কোনো সহাঁৰি নিদি একান্ত মনে চিগাৰেট হুপি থাকিল।

—"আপুনি কোন ষ্টেচনত নামিব ?" মই পুনৰ মাত দিলো।

—"ৰঙিয়াত।"

—"ঘৰ নিশ্চয় ৰঙিয়াতে ?" মই কলো।

—"হয়। অৱশ্যে ৰঙিয়া টাউনৰ পৰা অলপ আতঁৰত। সেইখিনি তিনিআলি বুলি কয়। মই অৱশ্যে ৰঙিয়াতে চাকৰি কৰোঁ।"

—"আপুনি চাকৰি কৰে ?" মই কলোঁ।

—"হয়। চাকৰি কৰিবৰ মাত্ৰ দুই বছৰহে হৈছে।"

—"আপোনাৰ ঘৰত কোন কোন আছে ?"

– "ঘৰত। আছে, সকলোৱে আছে। মা···দেউতা ভাই দুজন আৰু ভনি এজনী। কিন্তু···কিন্তু " হঠাৎ ল'ৰাজন অন্য মনস্ক হৈ পৰিল।

এনেতে এটা উকিৰে বেলখন এটা ষ্টেচনত ৰৈ গ'ল। এই সুযোগতে দুকাপ চাহ দুয়োজনে খাই ললোঁ। পাঁচ মিনিট মান পিছতে ট্ৰেনখনে পুনৰ গতি ললে। ডবাটোৰ অইনবোৰ যাত্ৰী টোপনিত। সাৰে আছো মাত্ৰ আমি দুজন। কিন্তু এই ল'ৰাজন—সাৰে থকা—নথকা একেই কথা। নীৰৱে স্বচিন্তাত আত্মবিভোৰ হৈ বহি আছে। মই বৰ অসহ্য বোধ কৰিলো। আচৰিতো হলোঁ। কাৰণ লবাজনে অলপ আগতে নিজৰ কথা কওঁ বুলি ব্যস্ত হৈ পৰিছিল। এতিয়া আকৌ মোৰ হঠাতে সন্দেহো হ'ল ল'ৰাজনৰ মগজু ঠিক আছেতো ! কাৰণ···

"আপোনাক যে কৈছিলোঁ। মই গৈ পোৱাৰ আগতে সকলো শেষ হৈ গ'ল বুলি জানে সচাঁকৈয়ে সকলো শেষ হৈ গ'ল। অনুই মোক এৰি চিৰদিনৰ বাবে গুছি গ'ল। তাই—এবাৰো মোক··· ।"

– "অনু···আপোনাৰ ?"

—"অনু ! অনু মোৰ এতিয়া কোনো নহয় বুজিছে, কিন্তু অনু মোৰ মোৰ হৃদয়ৰ এটুকুৰা মঙহ আছিল। মই সকলোবোৰ আপোনাক কম ; মোৰ কথা : অনুৰ কথা···

তেওঁ এটা চিগাৰেট জ্বলাই লৈ অলপ সুবিধাজনক ভাবে বহি ললে। তাৰ পিছত মুখৰ ধোৱাবোৰ লাহে লাহে এৰি থাকি উৰি যোৱা ধোৱা বোৰতে চকু ৰাখি তেওঁ কৈ গ'ল –

"আমি আগতে মঙ্গলদৈৰ শান্তিপুৰত আছিলোঁ। তাতেই মোৰ শৈশৱ পাৰ হৈছিল। দেউতাই তাত চাকৰি কৰিছিল। আমাৰ কাষৰ কোৱাৰ্টাৰটোৱে আছিল অনুহতৰ কোৱাৰ্টাৰ। সৰুৰে পৰা আমাৰ বন্ধুত্ব আছিল অতি নিবিড়। সেয়েহে অনুৰ মাকক আমাৰ মাইয়ে প্ৰায়ে কৈছিল "বুজিছে হাজৰিকানী, ইহঁত হালযে – অনু আৰু জ্যোতি। কানোবা জন্মত ইহঁত ভাই-ভনী আছিল যেন পাওঁ। ইমান যে মিল দুয়োটাৰে। এৰা এৰি হবই নোৱাৰে।"

দুয়োজনে বালি ঘৰ সাঁজিছিলোঁ। খেলিছিলোঁ। স্কুললৈ গৈছিলোঁ। সচাঁকৈয়ে আমি দুয়ো দুয়োকে এৰি খুব কম সময়হে আছিলোঁ। প্ৰাথমিক স্কুলত মোৰ ৰোল নং আছিল এক। তাইৰ দুই। ইয়াতে আছিল আমাৰ জেদ্। কেতিয়াবা তাই কৈছিল, এইবাৰ মই প্ৰথম

হমেই। কিন্তু সময়ত ময়েই প্ৰথম হওঁ, আৰু তাই অৰ্থাৎ অনু হয় দ্বিতীয়া।

প্ৰাথমিক স্কুল শেষ কৰি হাইস্কুল পালেঁা। তাতো দুয়োৰো স্থান একেই থাকিল।

হাইস্কুল পালেঁা, আমি দুয়োজনে ভাবিছিলেঁা, আমি সম্ভৱ ডাঙৰ হলেঁা। সেই বাবেই নেকি আমাৰ বালি ঘৰ সাঁজি আৰু ভাল নলগা হ'ল। দুয়োৱে দুয়োকে লাজ লগা হ'ল। এই দৰে দিনবোৰ লুটি-বাগৰ মাৰিব ধৰিলে। শৈশৱ কাল এৰি যৌৱনৰ দুৱাৰ দলিত ভৰি দিলেঁাহি অজানিতে দুয়োজনে।

এটা সময়ত অনুই হেনো তাইৰ অন্তৰৰ কোনোবা এটা চুকত মোক স্থাপন কৰি পেলাইছিল। হয়তো সৰুৰে পৰা তাই মনে মনে মোক ভাল পোৱাৰ আশাবোৰ পুহি ৰাখিছিল। যৌৱনৰ দুৱাৰ দলিত ভৰি দিয়া অনুয়ে সঁচাকৈ মোক বুকুভৰি ভাল পাই পেলাইছিল। শৈশৱ-কৈশোৰৰ ধেমালি যৌৱনত প্ৰেমলৈ ৰূপান্তৰিত হ'ল। কিন্তু মই····। মই জানিবই পৰা নাছিলেঁা। যে অনুয়ে মোক তাইৰ অন্তৰৰ ইমান ভিতৰলৈ লৈ গৈছে। তথাপি তাইৰ প্ৰকাশ ভঙ্গি আৰু চাৱনিত মোৰ অন্তৰতো জেঁাৱাৰ উঠিছিল। কিন্তু কোনেও প্ৰথমে দুৰ্বলতা প্ৰকাশ কৰা নাছিলেঁা। দুয়োৰো অলক্ষিতে কেবাটাও বসন্তই মেলানি মাগিলে। মই প্ৰৱেশিকা পৰীক্ষাটো প্ৰথম হৈ উত্তীৰ্ণ হলেঁা। আৰু আৰু অনুয়ে দ্বিতীয় বিভাগত। পৰীক্ষাৰ খবৰ পাই তাই মোক শুভেচ্ছা জনাইছিল এটি কবিতাৰে, য'ত তাই লিখিছিল তাইৰ ৰঙীন সপোনৰ দুৱাৰ মুকলি হোৱা বুলি! মইও তাইৰ পৰীক্ষাৰ ফলাফলৰ বাবে ওলগ জনাইছিলেঁা।

এনেতে আমি দুয়ো দুয়োকে এদিন হঠা[t] এৰিব লগা হ'ল; মোৰ দেউতা বদলি হ[ৈ] ৰঙিয়ালৈ। এৰা! মইও মাহঁতৰ লগতে দু[...] পানীৰে ওপচাই এৰিব লগাত পৰিলেঁা। অ[...] মৰমৰ শৈশৱৰ কৈশোৰৰ হেজাৰ স্মৃতিৰে আৱ[...] থকা অনুহতৰ সেই সুন্দৰ ঠাইখন! মই সে[ই] দিনা অনুৰ পৰা সাধাৰণ ভাবেই বিদায় লৈছিলোঁ কিন্তু তাই জানো মোক তেনেকৈ বিদায় [...] পাৰিছিল? এৰা! তাইৰ অন্তৰ চাগে সি[...] ভাগি পৰিছিল। অৱশ্যে সেইটো মই [...] বুজিব পৰা নাছিলেঁা। ৰঙিয়ালৈ আহি নলব[াৰী] কলেজত নাম লগাইছিলেঁা। বহুত নতুন [...] বান্ধৱী লগ পাইছিলেঁা নতুন কলেজখনত। কি[ন্তু] অনু···? অনু মোৰ পৰা বহুদূৰত। অ[...] কিবা এটা সহাৰিত হয়তো তাই মোলৈ [...] দিব খুজিছিল। কিন্তু মোৰ পৰা কোনো সঁহ[াৰি] নেপাই বহু পলমকৈ তাই দিছিল মাথো কেই[...] মান ক-বি-তা। হয়তো মই কবিতা ভাল [...] বাবে। মই মূৰ্খই তাইৰ সেই কবিতাক কে[...] টিমান শব্দৰ সংমিশ্ৰণ বুলিয়েই ধৰি লোঁ[...] নুবুজিলেঁা কবিতাৰ মৰ্ম কি? নেদেখিলেঁা [...] মাজত অংকুৰিত হৈ থকা আমাৰ প্ৰেমৰ প্ৰ[...] মূৰ্ত্তিক।

ইতিমধ্যে মই প্ৰাক্-বিশ্ববিদ্যালয় পৰ[ীক্ষা] শেষ কৰিয়ে ঘৰখনৰ আৰ্থিক দিশটোৰ [...] চাকৰি এটা লব লগা হ'ল। চাকৰিৰ কৰ্ম[...] তাত পাহৰি থাকিলেঁা মোৰ বাবে কবিতা [...] অনুক। মোৰ প্ৰতিচ্ছবি দুচকুত আঁকি জী[...] থকা অনুপ্ৰভাক। তাতেই হেনো তাই [...] পৰিছিল, আৰু মোৰ কথা ভাবি-ভাবি তাই এদিন সাৱটি লৈছিল অচিনাকি, নিৰাময়ৰ উপায়হীন কঠিন ৰোগ এটাক। বিচনাত পৰিও তাই লিখিছিল মোলৈ বহুত আশা ভৰা কবিতা।

যোৱা কালি এখন চিঠি পাইছিলেঁা বন্ধু নাৰায়ণৰ পৰা। সি লিখিছিল অনুৰ এইবোৰ অজ্ঞাত মনৰ বতৰা, লিখিছিল তাইৰ মনৰ সপোন আৰু হৃদয়ৰ হেজাৰ-বিজাৰ আশাৰ বতৰা। শেষত সি লিখিছিল তাইৰ হেনো অসুখ। তাই হেনো মোক চাবলৈ বৰ ইচ্ছা কৰিছে। তাই আজি কেইদিন মানৰ পৰা মোৰ কথা বৰকৈ বকি আছে। জানে, মই নাৰায়ণৰ চিঠি পঢ়ি কিয় জানো পাগলৰ দৰে হৈ পৰিছিলেঁা আৰু লগে লগে অনুৰ ওচৰলৈ দৌৰি আহিব খুজিছিলেঁা ক্ষন্তেকতে····।

কালি আহিলেঁা, কিন্তু সকলো শেষ হৈ গ'ল। তাই হেজাৰ—বিজাৰ কবিতা লিখিও মোৰ দৰে অজ্ঞানক বুজাব নোৱাৰাৰ বেদনা মনতে লৈ উৰা মাৰি গুছি গ'ল অজান দেশলৈ আৰু মই···? মই···?"

তেওঁ ৰৈ গ'ল····চকু দুটা মোহাঁৰি লৈ হঠাতে যেন বোবা হৈ গ'ল, ওঠ দুটাই যেন ভাষা বিচাৰি নেপাই চঞ্চল হৈ উঠিল।

ল'ৰাজনৰ কথা শুনি শুনি মই নিশাটো কোন পিনে পাৰ কৰি দিলেঁা গমকে নেপালেঁা। হঠাতে বাহিৰত পোহৰ দেখিহে গম পালো ৰাতি শেষ হ'ল। এনেতে গাড়ীখন ৰৈ গৈছিল ৰঙিয়া ষ্টেচনত। ল'ৰা জনে হাতত খামটো লৈ নামিবৰ বাবে বহাৰ পৰা উঠিল আৰু মোক ক'লে—

"যাওঁ বাৰু; বেয়া নেপাব দেই। কেতিয়াবা ৰঙিয়ালৈ আহিলে আমাৰ ঘৰলৈ আহিব নিশ্চয়"

ল'ৰাজন মানে জ্যোতি নামি গ'ল ডবাটোৰ পৰা। মই জ্যোতিক একো কব নোৱাৰিলেঁা। পুনৰ গাড়ীখনে গতি কৰিলে। বাহিৰৰ পিনে শেষবাৰলৈ ল'ৰাজনলৈ চাই পঠিয়ালেঁা। কিন্তু দেখা নেপালেঁা। বেচেৰা হেৰাই থাকিল। কিন্তু মোৰ মনত ?

( আলম লৈ লিখা )

— · —

> "আমাৰ ভাগ্য আৰু ভৱিষ্যত যি সকলৰ হাতত সেই অসমীয়া, স্কুলীয়া ল'ৰা,
> কলেজৰ ছাত্ৰ আৰু অসমীয়া বেপাৰী সকলৰ প্ৰতি প্ৰত্যেক
> স্বদেশানুৰাগী অসমীয়াৰ অনুৰোধ হোৱা যুগুত যেন
> তেওঁলোকে কোনো স্বদেশীৰ লগত বিদেশী কিম্বা
> বঙালী ভাষাৰে কথা নকয়। অন্ততঃ অসমত
> এইবিলাক মানুহৰ লগত বিদেশী ভাষাৰে
> কথা কোৱা অসমীয়াৰ পক্ষে কেৱল
> দুৰ্ব্বলতাৰ চিনহে।" —ঃ০ **বিষ্ণুৰাভা** ঃ০—

# অসমৰ পৰিবৰ্ত্তিত ৰাজনৈতিক পটভূমিত

## যুৱ-ছাত্ৰৰ ভূমিকা

ৰামেশ্বৰ কলিতা

অসমৰ ৰাজনৈতিক দৃশ্যপটৰ এটা অভাৱনীয় পৰিবৰ্ত্তন ঘটিল। যোৱাটো নিৰ্ব্বাচনে অসমত এই পৰিবৰ্ত্তনৰ সূচনা কৰি ৩৮ বছৰীয়া শাসক-দলৰ চৰম পৰাজয় আনি দিয়াৰ লগে লগে পোন প্ৰথম বাৰৰ বাবে অসমৰ শাসনভাৰ এটা আঞ্চলিক দলৰ হাতলৈ হস্তান্তৰিত কৰিলে। অসমৰ জনসাধাৰণক স্বাধীনোত্তৰ কালৰ শাসক-দলে আনি দিয়া তিক্ত অভিজ্ঞতাই এই পৰিবৰ্ত্তনৰ একমাত্ৰ কাৰণ যদিওঁ সৰ্ব্বভাৰতীয় শক্তিক, অসীম বীৰত্বেৰে এই নতুন আঞ্চলিক শক্তিটোৱে পৰাভূত কৰাৰ মূলতে আছিল দেশৰ যুৱ-ছাত্ৰ-শক্তি। যুৱ-ছাত্ৰ সমাজে নিৰ্ব্বাচনী কাৰ্য্যত অংশ গ্ৰহণ কৰি দলটোক (অসম গণ পৰিষদক) বিজয়ী কৰাই নহয়; এই দলটোৰ প্ৰতিষ্ঠাৰ মূলতো যুৱছাত্ৰৰ ভূমিকা অন্যতম্।

গণতন্ত্ৰৰ নামত বিগত স্বাধীনোত্তৰ কাল ছোৱাত অসমৰ জনসাধাৰণে শোষণ, নিষ্পেষণ, অন্যায়, অবিচাৰৰ বলী হৈ, প্ৰাপ্যৰ পৰা বঞ্চিত হৈ, শেষত দেশ আৰু জাতিৰ অস্তিত্বও বিপন্ন হৈ উঠাৰ পৰত শংকিত হৈ উঠিছিল। অসমৰ বিক্ষুব্ধ জনসাধাৰণে প্ৰকৃত গণতান্ত্ৰিক শাসন বাবে সচেতন হৈ পৰিছিল। কিন্তু শাসকদল বিভেদ নীতি, সাম্প্ৰদায়িকতা কিম্বা দুমুখীয়া কু চক্ৰান্তই দলীয় স্বাৰ্থ অটুট ৰাখিলে। আনহা শাসকদলৰ এই চক্ৰান্ত বুজি মাত-মাতিব খোজ সকলেওঁ সু-নেতৃত্বৰ অভাৱত ম্লান হৈ থাকিল যুৱ ছাত্ৰ সমাজে এই কথাৰ উপলব্ধি কৰিয়ে দেশৰ বৃহত্তৰ স্বাৰ্থ সন্মুখত ৰাখি প্ৰাপ্য আদা কৰাৰ বাবে গৰজি উঠিল। বিক্ষুব্ধ অসমবাসী ছাত্ৰ সমাজৰ নেতৃত্বক আন্তৰিকতাৰে আকোঁৱালি ললে। শাসক দলৰ বিৰুদ্ধে ছাত্ৰসকলে ঐক্যব ভাৱে, ৰাইজৰ বিপুল সমৰ্থনত শক্তিশালী সংগ্ৰামত অৱতীৰ্ণ হ'ল। ১৯৬৫ ইং চন খাদ্য আন্দোলন, ১৯৬০ চনত ভাষা-আন্দোল ১৯৬৭ চনত শোধানাগাৰ আন্দোলন আ ১৯৭৯-৮৫ত বিদেশী বহিষ্কাৰ আন্দোলনে এহাতে অসমৰ থলুৱা বাসিন্দাৰ জাতি-ধৰ্ম-ভাষা-ব নিৰ্ব্বিশেষে ঐক্য বিশ্বৰ বুকুত ডাঙি ধৰাৰ লগে লগে অসম তথা কেন্দ্ৰীয় চৰকাৰৰ শাসনৰ নাম চলোৱা অপশাসনৰ প্ৰকৃত স্বৰূপো উদঙাই ধৰিলে





আনহাতে অসমৰ ছাত্ৰৰ নেতৃত্বই ৰাইজৰ বিশ্বাস আৰু সমৰ্থন আদায় কৰি দৃঢ় ভূমিকা লবলৈ সক্ষম হ'ল। যাৰ ফল স্বৰূপেই কেন্দ্ৰীয় চৰকাৰে বিদেশী বহিষ্কাৰৰ দাবীত গঢ়ি উঠা অসমৰ দীৰ্ঘদিনীয়া আন্দোলনটোৰ ন্যায্যতা স্বীকাৰ কৰি অৱশেষত চুক্তিত উপনীত হবলৈ বাধ্য হ'ল।

ছাত্ৰ সমাজৰ নেতৃত্বত বৰ্ত্তমানলৈ পৰিচালিত হোৱা আন্দোলনৰ ভিতৰত শেষৰটো আন্দোলনৰ অভিজ্ঞতাই অসমৰ জনসাধাৰণক শাসকদলৰ প্ৰতি সম্পূৰ্ণ ৰূপে ভীতিগ্ৰস্ত কৰি তুলিলে। দমননীতি, বিভেদনীতি, ক'লা আইনৰ কবলত জৰ্জৰিত হৈ ৰাইজে ৰাজনৈতিক ভাৱে পৰিবৰ্ত্তন এটাৰ প্ৰয়োজন উপলব্ধি কৰিলে। শাসক দলৰেই নহয় সকলোবোৰ স্বাৰ্থান্বেষী সৰ্ব্বভাৰতীয় দলৰে আন্দোলনৰ কালছোৱাত প্ৰকৃত স্বৰূপ ওলাই পৰিল। আন্দোলনৰ নেতৃবৃন্দই ৰাইজৰ এই আশাক বাস্তবায়িত কৰাৰ বাবেই অসমৰ আটাই-কইটা আঞ্চলিক দলক এখন মঞ্চত থিয় কৰা-লৈ অসমৰ ভৱিষ্যতৰ নিৰাপত্তাৰ বাবে সচেষ্ট হ'ল। প্ৰথম দুবাৰ এই চেষ্টাত বিফল হলেওঁ তৃতীয়বাৰ গোলাঘাটৰ ৰাজ্যিক ৰাজনৈতিক অভিবৰ্ত্তনত আন্দোলনৰ নেতৃবৃন্দৰ চেষ্টা আৰু ৰাইজৰ আশা পূৰণ হ'ল। জন্ম হ'ল অসমৰ বিভিন্ন জন প্ৰতিনিধি, অসমৰ জাতীয়তাবাদী দল আৰু পূৰ্ব্বাঞ্চলীয় লোকপৰিষদৰ অপূৰ্ব মিলনত এক আঞ্চলিক শক্তিৰ [১৪ অক্টোবৰত, ১৯৮৫ ইং চন], অসম গণ পৰিষদৰ।

ওপৰৰ আলোচনাৰ পৰা এইটোৱে ওলাই পৰিল যে অসমৰ সাম্প্ৰতিক ৰাজনৈতিক দিশৰ পৰিবৰ্ত্তন ঘটাই প্ৰতিষ্ঠিত হোৱা দলটোৰ জন্মৰ লগতো অসমৰ ছাত্ৰ সমাজৰ ভূমিকা উল্লেখনীয়।

অসমবাসীয়ে ছ'বছৰীয়া আন্দোলনৰ ফল স্বৰূপেই এখন চুক্তি আদায় কৰিলে, চুক্তিৰ লগে লগে আহিল এটা আঞ্চলিক ৰাজনৈতিক দল আৰু তাৰ পিছতে নিৰ্ব্বাচন। নিৰ্ব্বাচনত বিভিন্ন দলে নিজৰ প্ৰাৰ্থী থিয় কৰোৱাৰ লগে লগে আন্দোলনৰ নেতৃত্ব দিয়া সদৌ অসম ছাত্ৰ সন্থাৰ পৰা ঘোষণা কৰা হ'ল, যে ১৬ ডিচেম্বৰৰ নিৰ্ব্বাচনে অসমৰ ভৱিষ্যত বহন কৰিব। হেজাৰ শ্বহীদৰ তেজৰ আখৰেৰে লিখা অসম চুক্তিৰ কাৰ্য্যকাৰিতা শাসক দলৰ ওপৰত নিৰ্ভৰ কৰিব। ৩৮ বছৰীয়া স্বৈৰাচাৰী শাসক দলেই যদি নিৰ্ব্বাচনত জয়ী হয় তেতিয়া হলে চুক্তি, চুক্তি হৈ ৰব। অসমৰ ভৱিষ্যত অন্ধকাৰ হৈ পৰিব। সেয়ে এই নিৰ্ব্বাচনত অসমবাসীয়ে অসমৰ ভৱিষ্যতৰ নিৰাপত্তাৰ বাবে সৰ্ব্বভাৰতীয় স্বৈৰাচাৰী দলক পৰাভূত কৰিবলৈ আঞ্চলিক দলৰ সপক্ষে ৰায়দান কৰিব লাগিব। ছাত্ৰসন্থাৰ পৰা বিভিন্ন প্ৰচাৰ কাৰ্য্য চলোৱা হ'ল একনায়কত্ব-বাদী কিম্বা অগণতান্ত্ৰিক শাসকবৰ্গৰ বিৰুদ্ধে। অতুল সমৃদ্ধিশালী অসম গঢ়িবলৈ ৰাইজক সজাগ কৰি তোলা হ'ল। গাঁৱে-নগৰে যুৱক-যুৱতী ছাত্ৰ-ছাত্ৰী নিৰ্ব্বাচনী প্ৰচাৰ কাৰ্য্যত প্ৰত্যক্ষ ভাৱে নামি গ'ল। বিভিন্ন সভা-সমিতি, সাংস্কৃতিক শোভাযাত্ৰা, গণসমাবেশ আদিৰ আয়োজনেৰে গোটেই দেশতে এটা জাগৰণ তুলি দিয়া হ'ল। বিশ্বৰ ইতিহাসত যোৱাটো অসমৰ নিৰ্ব্বাচনৰ উৎসৱমুখৰ প্ৰচাৰ কাৰ্য্যই এক নতুন অধ্যায়ৰ সূচনা কৰিলে। দেশৰ বৃহত্তৰ স্বাৰ্থৰ বাবে ছাত্ৰ সমাজৰ নিঃস্বাৰ্থ সেৱা, কাৰ্য্যত অসমৰ

জনসাধাৰণ অপাৰ বিশ্বাসী। একেই স্বাৰ্থেৰে, আন্দোলনৰ সময়ৰ দুখময় স্মৃতিৰে নিৰ্ব্বাচনত ব্ৰতী হোৱা ছাত্ৰসমাজৰ যুদ্ধকালীন তৎপৰতাৰে কৰা নিৰ্ব্বাচনী প্ৰচাৰ কাৰ্য্যই জনসাধাৰণক ৰাজনৈতিক অধিকাৰ লাভৰ বাবে সজাগ কৰিলে। জাতি-ধৰ্ম নিৰ্ব্বিশেষে অসমবাসীয়ে বিগত ৩৮ বছৰৰ তিক্ত অভিজ্ঞতাৰে তথা যোৱা ছ'বছৰৰ নিৰ্য্যাতন, নিপীড়ন, ক'লা আইনৰ বাধ্য বাধকতাৰ পৰিসমাপ্তিৰ বাবে ছাত্ৰসমাজৰ নিস্বাৰ্থ অনুৰোধ ৰাইজে উপেক্ষা কৰিব নোৱাৰিলে এক বৃহদাংশই আঞ্চলিক শক্তিৰ সপক্ষে ৰায়দান কৰি বিজয়ী কৰিলে। লগে লগে শক্তিশালী অতদিনৰ শাসকদল শাসনৰ আসনৰ পৰা অপসাৰিত হ'ল।

"যুবক মাত্ৰেই চকুত দেখা যায় দেখি থকা পৃথিবীখন নতুনকৈ গঢ়াৰ জিলমিলনি। অন্যায়-অধৰ্মক নেওচি ন্যায় প্ৰতিষ্ঠাৰ সততাক পৰিবেশ-পৰিস্থিতিয়ে ইন্ধন যোগায়। ডেকা শক্তি গৰজি উঠে। পৰিবৰ্ত্তন অবশ্যম্ভাবী হৈ উঠে।"

১৯৭৩-৭৪ ইং চনত গুজৰাটৰ আৰু তাৰ পিছতে বিহাৰৰ যুব-ছাত্ৰসকলৰ আন্দোলনৰ নেতৃত্বত থকা লোকনায়ক জয় প্ৰকাশ নাৰায়ণৰ এই উক্তি অসমৰ ক্ষেত্ৰটো আজি সত্য বুলি পৰিগণিত হ'ল। যুৱ ছাত্ৰ শক্তি ৰাষ্ট্ৰৰ ধাই শক্তি। সুস্থ সমাজ কিম্বা দেশ গঠনত এই শক্তি সদায়ে অগ্ৰগণী। অসমৰ যুৱ ছাত্ৰসকলেও আজি সংঘবদ্ধ ভাবে দেশৰ স্বাৰ্থতে বীৰত্বেৰে যুজি শেষত ৰাজনৈতিক ভাবেও বিৰাট এটা পৰিবৰ্ত্তন সম্ভৱ কৰি পৃথিবীৰ বুকুত জিলিকি উঠিল। কিন্তু এইখিনিতে উল্লেখনীয় যে ভাৰতবৰ্ষৰ ছাত্ৰ সমাজৰ দৰে অথবা অন্য প্ৰদেশৰ (ভাৰতবৰ্ষৰ অন্তৰ্গত ছাত্ৰ সমাজৰ দৰে অসমৰ ছাত্ৰ সমাজো এ মঞ্চৰ অন্তৰ্ভূৰ্ক্ত নহয়। ছাত্ৰসমাজৰ বহুটো সংঠন অসমতো আছে। বিশেষকৈ সৰ্ব্বভাৰতী ৰাজনৈতিক দলবোৰৰ ছত্ৰছায়াত থকা ছা সংগঠনটোৰ শাখা সংগঠন অসমৰ ছাত্ৰ সমাজত দেখা যায়। কিন্তু অসমত অৰাজনৈতিক ছা সংগঠন; বিশেষকৈ সদৌ অসম ছাত্ৰ সন্থ প্ৰভাব আৰু শক্তি কিম্বা লক্ষ্য-উদ্দেশ্য আ কাৰ্য্যাৱলী অনন্য। অসমৰ সাম্প্ৰতিক পৰ্ত্তিত ৰাজনৈতিক পটভূমিৰ মূল শিপা স অসম ছাত্ৰ সন্থাহে। সংগঠনৰ কালৰ পৰা অ যুৱ ছাত্ৰ সংগঠন এই পৰিবৰ্ত্তনৰ অংশীদাৰ কৌ যাওঁ হব নোৱাৰে। অসমৰ যুৱ ছাত্ৰৰ এ বৃহদাংশই এই সংগঠনৰ কৰ্মী; যি সকলৰ অক্ল পৰিশ্ৰমৰ ফলশ্ৰুতিয়ে যোৱাটো নিৰ্ব্বাচনত আলিক দলক বিজয়ী কৰি তুলিলে।

এইখিনিতে মন কৰিব লগীয়া যে পৰিবৰ্ অসমৰ ৰাজনৈতিক পটভূমিত সদৌ অসম ছ সন্থাৰ ভূমিকা মুখ্য যদিও ছাত্ৰসন্থা এক সৰ্ অৰাজনৈতিক সংগঠন। দেশৰ বৃহত্তৰ স্বা ছাত্ৰসন্থাই যোৱাটো নিৰ্ব্বাচনত ৰাজনৈতিক ত এটা পৰিবৰ্ত্তনৰ গুৰুত্ব উপলব্ধি কৰিয়েই আ লিক দলৰ সপক্ষে সমৰ্থন দি প্ৰত্যক্ষ বা পৰো ভাবে বিজয়ী কৰিলে যদিও, ছাত্ৰসন্থা 'গণপৰিষ ছা সংগঠন নহয়। ৰাইজৰ আশাক ছাত্ৰ সং বাস্তৱত ৰূপ দিলে কিন্তু গণ পৰিষদৰ চৰকা আগৰ চৰকাৰৰ পথ অনুসৰণ কৰিলে উচিত পন্থা অৱলম্বন কৰিব বুলি ছাত্ৰ সকিয়াই থৈছে। ০ ০





# প্ৰশ্নোত্তৰ শিতান

[ ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ আমালৈ অহা বিভিন্ন প্ৰশ্নৰ বাবে আমি এই শিতানটো 'ৰঙিয়া কলেজ আলোচনী'ৰ এই সংখ্যাত পুনৰ অন্তৰ্ভুৰ্ক্ত কৰিলোঁ। উত্তৰ দিছে আলোচনী সম্পাদক আৰু সাধাৰণ সম্পাদক ক্ৰমে সীমান্ত শালৈ আৰু দীপক দাসে। ]

তাৰিণীকান্ত কলিতা

? ৰঙিয়া মহাবিদ্যালয় প্ৰতিষ্ঠা হোৱাৰ একুৰি দুই বছৰ পিছত "বিজ্ঞান শাখা" খোলা হয়। আৰু কেইকুৰি, কিমান বছৰ পিছত "বাণিজ্য শাখা" খোলা হব?

: আচলতে আপুনি প্ৰশ্নটো ৰঙিয়া মহাবিদ্যালয় কৰ্তৃপক্ষক সোধাহে উচিত আছিল। আমি ইয়াকে কব পাৰো যে আপোনাৰ দৰে যদিহে কৰ্তৃপক্ষ, স্থানীয় ৰাইজ তথা ছাত্ৰ সমাজ এই ক্ষেত্ৰত সজাগ হয়; তেন্তে অচিৰেই "বাণিজ্য শাখাৰ" প্ৰবৰ্ত্তন আমাৰ মহাবিদ্যালয়ত হৈ যাব। নে-কি কয়?

ৰামেশ্বৰ কলিতা

? আমাৰ মহাবিদ্যালয়ত নতুনকৈ খোলা "বিজ্ঞান শাখা'ৰ উন্নয়নৰ বাবে ভবা হৈছেনে?

: একে আষাৰে নভবা বুলি কৈ দিব নোৱাৰি। সময়ত কব পৰা যাব।

ভূপালী নাথ

? আপুনি ৰঙিয়া কলেজ আলোচনীৰ চতুৰ্দশ সংখ্যা প্ৰকাশ কৰিবলৈ যাওঁতে লিখনি আদিৰ বাবে উজুটি খাইছিল নেকি?

: নোখোৱাকৈ থকা নাই অৱশ্যে।

দিলীপ ডেকা

? ক) ৰঙিয়া মহাবিদ্যালয়ত আজি ছয় বছৰে স্থায়ী অধ্যক্ষ এজন নিযুক্তি দিব পৰা নাই কিয়?

: প্ৰকৃত উত্তৰটো কৰ্তৃপক্ষৰ হাতত। আমাৰ মতে নিযুক্তি দিব নোৱাৰাৰ মূল কাৰণ হ'ল ইয়াৰ সতে সংশ্লিষ্ট বিভিন্ন জনৰ স্বাৰ্থপৰতা, ৰাজনৈতিক কু-চক্ৰান্ত অথবা কৰ্তৃপক্ষৰ দায়িত্বহীন উদাসীনতা।

? খ) ৰঙিয়া মহাবিদ্যালয় ছাত্ৰসন্থাৰ এইক্ষেত্ৰত মতামত কি? সমস্যাটো সমাধা কৰাৰ বাবে কিবা ব্যৱস্থা লৈছেনে?

ঃ এইক্ষেত্রত ৰঃ মঃ ছাত্র সন্থাৰ মতামত স্পষ্ট। উপযুক্ততাৰ ভিত্তিত ন্যায়িক দৃষ্টিকোণৰ পৰা বৰ্ত্তমানৰ উপাধ্যক্ষ তথা ভাৰপ্ৰাপ্ত অধ্যক্ষজনাক স্থায়ী অধ্যক্ষ হিচাপে নিযুক্তি দিবলৈ ছাত্র সন্থাৰ তৰফৰ পৰা দাবী জনোৱা হৈছে।

ছাত্র সন্থাৰ দাবী মহাবিদ্যালয় কৰ্ত্তৃপক্ষ তথা চৰকাৰ কৰ্ত্তৃপক্ষক ইতিমধ্যে জনোৱা হৈছে। নিৰ্দ্ধাৰিত সময়ত দাবী উপেক্ষা কৰা হলে ছাত্ৰসন্থাই বিহীত ব্যৱস্থা লোৱাৰ বাবেও বাধ্য হব বুলিও জনোৱা হৈছে।

দীপক কলিতা।

? আমাৰ মহাবিদ্যালয়ত সততে ঘটি থকা-কুকাৰ্য্যবোৰ (যেনে—'প্ৰাচীৰ পত্ৰিকা ফালি পেলোৱা, মাইকচেটৰ সামগ্ৰী, খেলৰ সামগ্ৰী আদি চুৰ কৰা) কিহৰ পৰিচায়ক বাৰু?

ঃ নৈতিকতাহীনৰ পৰিচায়ক।

ৰমেন দাস

? আমাৰ মহাবিদ্যালয়ত অবাধ ৰাজত্ব চলোৱা গৰুবোৰৰ বাবে গোবৰে-মূতে মহাবিদ্যালয়ৰ চৌদিশ (শ্ৰেণী, কোঠা, বাৰান্দা পৰ্য্যন্ত) লেতেৰা হৈ থকাটো সুস্থ শৈক্ষিক পৰিবেশৰ—প্ৰয়োজনীয়, বোধ হয়?

: হয় নিশ্চয়। নহলে কলেজ কৰ্ত্তৃপক্ষই ইয়াৰ বাবে বিহীত ব্যৱস্থা ললেহেতেন।

মদন গোস্বামী।

? ইমান কষ্টৰ বিনিময়ত পোৱা অসম চুক্তি মতে এতিয়া কিমান বিদেশী বহিস্কৃত কৰা হব?

ঃ চুক্তিমতে যিমান বিদেশী চিনাক্তকৰণ কৰ হব, সিমানেই বহিস্কৃত হব লাগিব।—

তপন বৰুৱা।

? ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ এক বহুলাংশই হেনো দলীয় ৰাজনীতিৰ অন্তৰ্ভূক্ত!

ঃ নিশ্চয় নহয়। মহাবিদ্যালয় ছাত্র সন্থাৰ সাধাৰণ নিৰ্ব্বাচনত অৰাজনৈতিক ছাত্ৰ সংগঠন সদৌ অসম ছাত্র সন্থাৰ প্ৰাৰ্থীৰ বিপুল জয়লাভেইবা হলহেতেন কিদৰে?

খগেন দাস

? বিগত অসমান্দোলনৰ সফলতাত আটাইতকৈ বৰঙণি কাৰ বেচি বাৰু?

ঃ ব্যক্তিগত স্বাৰ্থৰ উৰ্দ্ধত মাথো দেশ আৰু জাতিৰ বৃহত্তৰ স্বাৰ্থতে সন্মুখ সমৰত অৱতীৰ্ণ হৈ, অহিংসাৰ অজেয় অস্ত্ৰেৰে যুঁজি যুঁজি যি সকলে নিজকে বিলীন কৰি, অসমৰ ইতিহাসত জীৱন্ত অধ্যায়ৰ সূচনা কৰি গ'ল—সেই সকলৰ।

নৃপেন কলিতা

? অসমান্দোলনৰ সফলতাত নিহিত মহৎ সত্যটো কি বাৰু?

ঃ ন্যায়ৰ জয়।

ৰমণী ৰাজবংশী

? গুৱীয়াল নহলে ভাটীমূৱা নাৱো হেনো দিশভ্ৰান্ত হয়। কিন্তু গুৱীয়াল [অধ্যক্ষ] নোহোৱাকৈ ৰঙিয়া মহাবিদ্যালয় যোৱা পাঁচ-ছ বছৰে চলিছে কিদৰে বাৰু?

০ কৰ্ত্তৃপক্ষই কিদৰে চলাইছে বা?

লীলাধৰ শালৈ

? ক] ৰঙিয়া মহাবিদ্যালয়ৰ আভ্যন্তৰিকতা দিশ



বোৰ মহাবিদ্যালয়ৰ তুলনাত চৰম লজ্জাজনক। যিটো সময়ত ইয়াতকৈ বহু পিছত প্ৰতিষ্ঠা হোৱা মহাবিদ্যালয় বোৰত 'ছাত্ৰাবাস', বিজ্ঞান শাখা, বাণিজ্য শাখা, স্বকীয়া প্ৰেক্ষাগৃহ আদিৰ লেখীয়া সমস্যাও চেৰাই গৈছে সেই সময়ত ৰঙিয়া মহাবিদ্যালয়ত প্ৰয়োজনীয় শ্ৰেণী কোঠা, ক'লা বিভাগত অসম্পূৰ্ণতা আদিও চিন্তা কৰিব লগীয়া হৈ আছে। এই ক্ষেত্ৰত দায়িত্বশীল সকলৰ উদাসীনতা তথা অক্ষমতা দেখি আচৰিত নহৈ নোৱাৰি। আমি এই স্থবিৰতাৰ পৰিবৰ্ত্তন বিচাৰো। অৱশ্যে এই ক্ষেত্ৰত ৰঙিয়াবাসী ৰাইজো জগৰীয়া। ৰাইজ সজাগ নহলে অকল কৰ্ত্তৃপক্ষকে দোষ দি লাভ নাই নিশ্চয়।

কৰ্ত্তৃপক্ষই এইবছৰৰ পৰা বিজ্ঞান শাখাৰ প্ৰৱৰ্ত্তন কৰাৰ বাবে ধন্যবাদ জনাইছো।

প্ৰতিবেদনৰ সামৰণিত আমাক বিভিন্ন কাৰ্য্য পালনত সহায়-সহযোগ আগ বঢ়োৱা বন্ধু-বান্ধবী-সকললৈ তথা সৎ পৰামৰ্শ দি আমাক সৎ-পথেৰে অগ্ৰসৰ হোৱাত সহায় কৰা মহাবিদ্যালয়ৰ শিক্ষাগুৰু সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

শ্বহীদ সকলক পুনৰ শ্ৰদ্ধাৰে সুঁৱৰিছো।

ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰিছো।

ৰঙিয়া মহাৱিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি প্ৰতিবেদন সামৰিছো।

"জয় আই অসম"

জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা।

তাৰিখ ইং ২৫।১।৮৬ শ্ৰীদীপক দাস

সাধাৰণ সম্পাদক।

— — —

## সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ আৰম্ভণিতে সহঃ সাধাৰণ সম্পাদক হিচাপে সেৱা কৰিবলৈ সুযোগ দিয়া বাবে ৰঙিয়া মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা তথা বৈপ্লৱিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

সহঃ সাধাৰণ সম্পাদকৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই যিমানখিনি কৰিম বুলি ভাবিছিলোঁ সিমানখিনি কৰিব নোৱাৰিলোঁ। ক্ষমতাৰ সীমাৱদ্ধতাৰ বাবেই। সেয়া হলেও মই কাৰ্য্যকাল-ছোৱাত ছাত্ৰ-ছাত্ৰী সকলৰ স্বাৰ্থৰ বাবে কাম কৰিবলৈ চেষ্টাৰ ক্ৰটী কৰা মনত নপৰে। তাৰোপৰি মহাবিদ্যালয় ছাত্ৰ-সন্থাৰ সৌজন্যত অনুষ্ঠিত মহাবিদ্যালয় সপ্তাহ, মহৰমপৰ্ব, সৰস্বতী পূজা, নৱাগত আদৰণি সভা আদি বিভিন্ন উৎসৱত সাধাৰণ সম্পাদকৰ প্ৰতিটো কামতে যৎপৰোনাস্তি সহায়-সহযোগ কৰিছিলোঁ।

ইং ১৯৮৫ চনৰ ১৫ আগষ্টলৈ সদৌ অসম ছাত্ৰ-সন্থাৰ নিৰ্দেশত অসম আন্দোলনৰ প্ৰতিটো কাৰ্য্যসূচীতে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী-সকলে নিষ্ঠা আৰু সততাৰে অংশ গ্ৰহণ কৰি কাৰ্য্যসূচী পালনত মহাবিদ্যালয় ছাত্ৰ সন্থাক সফল কৰা বাবে ছাত্ৰ-ছাত্ৰীসকললৈ ধন্যবাদ জনাইছোঁ।

বছৰটোত বিশেষ ভাৱে মোক সহায় আগ-বঢ়োৱা বন্ধু-বান্ধৱী তথা শিক্ষাগুৰুলৈ এই প্ৰতি-বেদনৰ জৰিয়তে কৃতজ্ঞতা জনালোঁ।

শেষত অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলন প্ৰাণ আহুতি দিয়া জ্ঞাত-অজ্ঞাত শ্বহীদ সকললৈ শ্ৰদ্ধাঞ্জলি যাচিছোঁ। মোৰ অজ্ঞাত ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি বড়িয়া মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্জ্বল হোৱাৰ কামনাৰে প্ৰতিবেদন সামৰিছোঁ।

"জয় আই অসম"

মঃ ৰকছেদ আহমেদ,

সহঃ সাধাৰণ সম্পাদক,

ইং ১৯৮৪-৮৫ চন

———

## সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন :—

সাংস্কৃতিক বিভাগৰ প্ৰতিবেদন লিখাৰ আৰম্ভণিতেই মই আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সাংস্কৃতিক বিভাগৰ সম্পাদকৰ দায়িত্ব হাতত লৈ মোৰ কাৰ্য্যকালছোৱাত কিমানদূৰ সফল হৈছো কব নোৱাৰোঁ। তথাপিতো বিমানখিনি সফল হৈছো—ইয়াৰ অংশীদাৰ ছাত্ৰ-ছাত্ৰীসকল।

দায়িত্বভাৰ পোৱাৰ পিছতে ইং ২২-২-৮৫ তাৰিখৰ পৰা আৰম্ভ হয় বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ। মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক বিভাগৰ তৰফৰ পৰা ছাত্ৰ-ছাত্ৰী সকলৰ সাংস্কৃতিক উৎকৰ্ষ সাধনৰ বাবে বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। সংগীত, একাঙ্কিকা নাট, কৌতুক অভিনয়, একক অভিনয়, ভেশচন আদি বিভিন্ন প্ৰতিযোগিতাত বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰে, যিটো আমাৰ বাবে গৌৰৱৰ বিষয়। অৱশ্যে এইখিনিতে আমি উল্লেখ নকৰি নোৱাৰো যে প্ৰতিযোগী অনুপাতে ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি তেনেই তাকৰীয়া আছিল। আন এটা গুৰুত্বপূৰ্ণ দিশ হ'ল আমাৰ মহাবিদ্যালয়ত থকা সাংস্কৃতিক বিভাগৰ বিভিন্ন অভাৱ।

মাত্ৰ দুবিধ বা তিনিবিধ বাদ্যযন্ত্ৰৰ দ্বাৰা ইমান ছাত্ৰ-ছাত্ৰীৰ মাজত সঙ্গীতৰ উন্নয়নৰ বাবে





বহুত খাম খেয়ালী থকা বুলি শুনিবলৈ পাওঁ আৰু যাৰ ফলস্বৰূপে আজি 'ছ' বছৰে এজন স্থায়ী অধ্যক্ষ নিযুক্তি দিব পৰা নাই। এই ক্ষেত্ৰত আপোনালোকৰ কাৰ্য্যনিৰ্ব্বাহকে কিবা ব্যৱস্থা হাতত লৈছিল নেকি?

দিলীপ ডেকাৰ [খ] প্ৰশ্নোত্তৰ চাওঁক।

খ] বড়িয়া মহাবিদ্যালয়ৰ ইতিমধ্যে প্ৰকাশিত আলোচনীবোৰৰ বেছিভাগে সমাদৰ লাভ কৰিব পৰা নাই। এই ক্ষেত্ৰত আপোনাৰ দ্বাৰা প্ৰকাশিত চতুৰ্দশ সংখ্যাটো ব্যতিক্ৰম হব নেকি বাৰু?

"ব্যতিক্ৰম" মানে আপুনি যদিহে সমাদৰ লভাটোকে বুজাইছে তেন্তে 'ব্যতিক্ৰম' কৰাৰ চেষ্টাৰ ত্ৰুটি কৰা নাই। অৱশ্যে সকলো নিৰ্ভৰ কৰিছে আপোনাৰ দৰে সচেতন পাঠকৰ মতামতৰ ওপৰতহে। নহয় জানো?

মুদ চন্দ্ৰ শালৈ

কলেজত পঢ়া ছাত্ৰ-ছাত্ৰীবোৰৰ সৰহ সংখ্যকে হেনো কলেজত ভৰি দিয়েই প্ৰেমত পৰি হাবাথুৰি খায়। আপুনি একা?

: ব্যতিক্ৰম নহওঁ দেই। আপুনি পৰিল নে নাই? পৰা নাই যদিহে আপোনাৰ বিপদ আছে দেই। জীৱন গঢ়ো বুলি মহাবিদ্যালয় খনলৈ আহি আপুনি যদি এই পৱিত্ৰ অনুষ্ঠানটোৰ প্ৰেমতে পৰিব নোৱাৰে। তেন্তে " ?

দীপক ডেকা

? [ক] বড়িয়া মহাবিদ্যালয়ৰ স্থায়ী অধ্যক্ষ নিযুক্তিত ইমান পলম হোৱাৰ প্ৰকৃত কাৰণ কি বাৰু?

: দিলীপ ডেকাৰ প্ৰশ্নোত্তৰ চালেই বুজিব পাৰিব।

? [খ] অসম গণ পৰিষদ চৰকাৰ গঠন কৰাত ছাত্ৰ সন্থাৰ ভূমিকা অসীম। এতিয়া প্ৰতিশ্ৰুতি অনুযায়ী এই চৰকাৰে কাম নকৰিলে ছাত্ৰ সন্থাই কি ভূমিকা লব?

: অসমৰ জনসাধাৰণৰ স্বাৰ্থৰ অনুকুলে গণ-পৰিষদ চৰকাৰেও যদিহে কাম কৰাত অৱহেলা কৰে তেন্তে ছাত্ৰসন্থাই কেতিয়াও নীৰবে নাথাকে। অৱশ্যে কি ভূমিকা লব সেয়া সময় আৰু পৰিস্থিতিয়েহে নিৰ্ণয় কৰিব।

— —

"উত্তৰ-পূৱ ভাৰতত থকা বিভিন্ন জাতি উপজাতিৰ মাজত ভাবৰ আদান-প্ৰদান কৰিবৰ বাবে মূল অসমীয়া ভাষাৰ প্ৰয়োজন অধিক বুলি কব খোজো। উদাহৰণ স্বৰূপে এজন কাৰবি আৰু এজন নগাৰ ভিতৰত কথা-বতৰা পাতিবলৈ হলে মূল অসমীয়া ভাষাৰ সহায় লব লাগে। এতেকে এই দৃষ্টিকোণৰ পৰা বিবেচনা কৰিলে মূল সংযোগী ভাষা স্বৰূপে মূল অসমীয়া ভাষাৰ গুৰুত্ব উপলব্ধি নকৰি নোৱাৰি।"

ৰংবং তেৰাঙ.

# ইং ১৯৮৪।৮৫ চনৰ ছাত্ৰ সন্থাৰ বিষয়ববীয়া সকলৰ বছৰেকীয়া প্ৰতিবেদন

## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

দেশ আৰু জাতিৰ অস্তিত্বৰ সংগ্ৰামত প্ৰাণাহুতি দিয়া অসমৰ মহান শ্বহীদ সকললৈ শ্ৰদ্ধা আৰু অশ্ৰু-অঞ্জলি যাছিলোঁ।

বঁড়িয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ ইং ১৯৮৪-৮৫ চনৰ সাধাৰণ সম্পাদক হিচাপে সদৌ অসম ছাত্ৰ সন্থাৰ পৱিত্ৰ পতাকাৰ তলৰ পৰা নিৰ্ব্বাচিত কৰি মোক সেৱা কৰিবলৈ সুযোগ দিয়া সংগ্ৰামী বন্ধু-বান্ধৱী সকললৈ প্ৰতিবেদনৰ পাতনিতে সংগ্ৰামী শুভেচ্ছা আৰু ধন্যবাদ জ্ঞাপন কৰিছো।

১৯৮৫ চনৰ ১২ জানুৱাৰীৰ দিনা বঁড়িয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ দায়িত্বভাৰ লৈ আমি পৰম্পৰাগত ভাবে "বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ" [ইং ২২-২-৮৫ তাৰিখৰ পৰা ইং ২৫-২-৮৫ তাৰিখলৈ], "সৰস্বতী পূজা," "পৱিত্ৰ মোহাৰ্ৰম পৰ্ব্ব," "নৱাগত আদৰণি সভা" [ইং ২২-১১-৮৫ তাৰিখে] আদি অনুষ্ঠানসমূহ উলহ-মালহেৰে পালন কৰিছিলোঁ। এইবোৰৰ উপৰিও 'সম্বৰ্দ্ধনা" সভা [মহাবিদ্যালয়ৰ কৃতী ছাত্ৰক ছাত্ৰসন্থাৰ তৰফৰ পৰা আনুষ্ঠানিক ভাবে সম্বৰ্দ্ধনা জনোৱা হয়] "শ্বহীদ স্মৃতি সভা [৮ আগষ্ট ইং ১৯৮৫], শোক সভা [দেশৰ ভালেকেইজন বৰেণ্য ব্যক্তিৰ মৃত্যুত] আদিও অনুষ্ঠিত কৰা হয়।

বছৰটোত সদৌ অসম ছাত্ৰ সন্থাৰ দ্বা ঘোষিত অসমান্দোলনৰ সমূহ কাৰ্য্যসূচী সফ তাবে পালন কৰাৰ উপৰিও ২২ ডিচেম্বৰৰ শ্বহী দিবস এক গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশত পালন ক হয়। ইং ১৯৮৫ চনৰ ১৫ আগষ্টৰ পুৱ নিশা দিল্লীত স্বাক্ষৰিত হোৱা ঐতিহাসিক অ চুক্তিৰ পৰিপ্ৰেক্ষিতত ইং ১৬-৮-৮৫ তাৰি বঁড়িয়া আঞ্চলিক ছাত্ৰ সন্থাৰ আহ্বানত উলি ওৱ শোভাযাত্ৰাত বঁড়িয়া মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। আমি আজি এ প্ৰতিবেদনৰ জৰিয়তে বঁড়িয়া মহাবিদ্যালয়ৰ সমূ সংগ্ৰামী বন্ধু-বান্ধৱী তথা সদৌ অসম ছাত্ৰ সন্থা নিষ্ঠাবান কৰ্মীলৈ তেওঁলোকৰ বিগত অসমা ন্দোলনত জোগোৱা বৰঙনিৰ বাবে তথ এইক্ষেত্ৰত মহাবিদ্যালয় ছাত্ৰ সন্থাক কাৰ্য্যসূচী সমূহ সফল কৰি তোলাত সহায়-সহযোগ আগ বঢ়োৱা বাবে ধন্যবাদ জ্ঞাপন কৰিছো;

বঁড়িয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ অভা অভিযোগৰ কথা প্ৰতিবেদনত উল্লেখ কৰি আগ সম্পাদক সকলৰ কথাকে পুনৰাবৃত্তি কৰাৰ ইচ্ছ আমাৰ নাই। কিন্তু অপ্ৰিয় হলেও কওঁ প্ৰতিষ্ঠাৰ বাইশ-তেইশ বছৰ পিছতো আমা মহাবিদ্যালয়ৰ উন্নয়নৰ যিটো গতি সেয়া অইন





আনহাতে অসমৰ ছাত্ৰৰ নেতৃত্বই ৰাইজৰ বিশ্বাস আৰু সমৰ্থন আদায় কৰি দৃঢ় ভূমিকা লবলৈ সক্ষম হ'ল। যাৰ ফল স্বৰূপেই কেন্দ্ৰীয় চৰকাৰে বিদেশী বহিস্কাৰৰ দাবীত গঢ়ি উঠা অসমৰ দীৰ্ঘদিনীয়া আন্দোলনটোৰ ন্যায্যতা স্বীকাৰ কৰি অৱশেষত চুক্তিত উপনীত হবলৈ বাধ্য হ'ল।

ছাত্ৰ সমাজৰ নেতৃত্বত বৰ্ত্তমানলৈ পৰিচালিত হোৱা আন্দোলনৰ ভিতৰত শেষৰটো আন্দোলনৰ অভিজ্ঞতাই অসমৰ জনসাধাৰণক শাসকদলৰ প্ৰতি সম্পূৰ্ণ ৰূপে ভীতিগ্ৰস্ত কৰি তুলিলে। দমননীতি, বিভেদনীতি, ক'লা আইনৰ কবলত জৰ্জৰিত হৈ ৰাইজে ৰাজনৈতিক ভাবে পৰিবৰ্ত্তন এটাৰ প্ৰয়োজন উপলব্ধি কৰিলে। শাসক দলৰেই নহয় সকলোবোৰ স্বাৰ্থান্বেষী সৰ্ব্বভাৰতীয় দলৰে আন্দোলনৰ কালছোৱাত প্ৰকৃত স্বৰূপ ওলাই পৰিল। আন্দোলনৰ নেতৃবৃন্দই ৰাইজৰ এই আশাক বাস্তবায়িত কৰাৰ বাবেই অসমৰ আটাইকেইটা আঞ্চলিক দলক এখন মঞ্চত থিয় কৰাবলৈ অসমৰ ভৱিষ্যতৰ নিৰাপত্তাৰ বাবে সচেষ্ট হ'ল। প্ৰথম দুবাৰ এই চেষ্টাত বিফল হলেও তৃতীয়বাৰ গোলাঘাটৰ ৰাজ্যিক ৰাজনৈতিক অভিবৰ্ত্তনত আন্দোলনৰ নেতৃবৃন্দৰ চেষ্টা আৰু ৰাইজৰ আশা পূৰণ হ'ল। জন্ম হ'ল অসমৰ বিভিন্ন জন প্ৰতিনিধি, অসমৰ জাতীয়তাবাদী দল আৰু পূৰ্ব্বাঞ্চলীয় লোকপৰিষদৰ অপূৰ্ব মিলনত এক আঞ্চলিক শক্তিৰ [১৪ অক্টোবৰত, ১৯৮৫ ইং চন], অসম গণ পৰিষদৰ।

ওপৰৰ আলোচনাৰ পৰা এইটোৱে ওলাই পৰিল যে অসমৰ সাম্প্ৰতিক ৰাজনৈতিক দিশৰ পৰিবৰ্ত্তন ঘটাই প্ৰতিষ্ঠিত হোৱা দলটোৰ জন্মৰ লগতো অসমৰ ছাত্ৰ সমাজৰ ভূমিকা উল্লেখনীয়।

অসমবাসীয়ে ছ'বছৰীয়া আন্দোলনৰ ফল স্বৰূপেই এখন চুক্তি আদায় কৰিলে, চুক্তিৰ লগে লগে আহিল এটা আঞ্চলিক ৰাজনৈতিক দল আৰু তাৰ পিছতে নিৰ্ব্বাচন। নিৰ্ব্বাচনত বিভিন্ন দলে নিজৰ প্ৰাৰ্থী থিয় কৰোৱাৰ লগে লগে আন্দোলনৰ নেতৃত্ব দিয়া সদৌ অসম ছাত্ৰ সন্থাৰ পৰা ঘোষণা কৰা হ'ল, যে ১৬ ডিচেম্বৰৰ নিৰ্ব্বাচনে অসমৰ ভৱিষ্যত বহন কৰিব। হেজাৰ শ্বহীদৰ তেজৰ আখৰেৰে লিখা অসম চুক্তিৰ কাৰ্য্যকাৰিতা শাসক দলৰ ওপৰত নিৰ্ভৰ কৰিব। ৩৮ বছৰীয়া স্বৈৰাচাৰী শাসক দলেই যদি নিৰ্ব্বাচনত জয়ী হয় তেতিয়া হলে চুক্তি, চুক্তি হৈ ৰব। অসমৰ ভৱিষ্যত অন্ধকাৰ হৈ পৰিব। সেয়ে এই নিৰ্ব্বাচনত অসমবাসীয়ে অসমৰ ভৱিষ্যতৰ নিৰাপত্তাৰ বাবে সৰ্ব্বভাৰতীয় স্বৈৰাচাৰী দলক পৰাভূত কৰিবলৈ আঞ্চলিক দলৰ সপক্ষে ৰায়দান কৰিব লাগিব। ছাত্ৰসন্থাৰ পৰা বিভিন্ন প্ৰচাৰ কাৰ্য্য চলোৱা হ'ল একনায়কত্ববাদী কিম্বা অগণতান্ত্ৰিক শাসকবৰ্গৰ বিৰুদ্ধে। অতুল সমৃদ্ধিশালী অসম গঢ়িবলৈ ৰাইজক সজাগ কৰি তোলা হ'ল। গাঁৱে-নগৰে যুৱক-যুৱতী ছাত্ৰ-ছাত্ৰী নিৰ্ব্বাচনী প্ৰচাৰ কাৰ্য্যত প্ৰত্যক্ষ ভাবে নামি গ'ল। বিভিন্ন সভা-সমিতি, সাংস্কৃতিক শোভাযাত্ৰা, গণসমাবেশ আদিৰ আয়োজনেৰে গোটেই দেশতে এটা জাগৰণ তুলি দিয়া হ'ল। বিশ্বৰ ইতিহাসত যোৱাটো অসমৰ নিৰ্ব্বাচনৰ উৎসৱমুখৰ প্ৰচাৰ কাৰ্য্যই এক নতুন অধ্যায়ৰ সূচনা কৰিলে। দেশৰ বৃহত্তৰ স্বাৰ্থৰ বাবে ছাত্ৰ সমাজৰ নিঃস্বাৰ্থ সেৱা, কাৰ্য্যত অসমৰ

জনসাধাৰণ অপাৰ বিশ্বাসী। একেই স্বাৰ্থেৰে, আন্দোলনৰ সময়ৰ দুখময় স্মৃতিৰে নিৰ্ব্বাচনত ব্ৰতী হোৱা ছাত্ৰসমাজৰ যুদ্ধকালীন তৎপৰতাৰে কৰা নিৰ্ব্বাচনী প্ৰচাৰ কাৰ্য্যই জনসাধাৰণক ৰাজনৈতিক অধিকাৰ লাভৰ বাবে সজাগ কৰিলে। জাতি-ধৰ্ম নিৰ্ব্বিশেষে অসমবাসীয়ে বিগত ৩৮ বছৰৰ তিক্ত অভিজ্ঞতাৰে তথা যোৱা ছ'বছৰৰ নিৰ্য্যাতন, নিপীড়ণ, ক'লা আইনৰ বাধ্য বাধকতাৰ পৰিসমাপ্তিৰ বাবে ছাত্ৰসমাজৰ নিস্বাৰ্থ অনুৰোধ ৰাইজে উপেক্ষা কৰিব নোৱাৰিলে এক বৃহদাংশই আঞ্চলিক শক্তিৰ সপক্ষে ৰায়দান কৰি বিজয়ী কৰিলে। লগে লগে শক্তিশালী অতদিনৰ শাসকদল শাসনৰ আসনৰ পৰা অপসাৰিত হ'ল।

"যুবক মাত্ৰেই চকুত দেখা যায় দেখি থকা পৃথিবীখন নতুনকৈ গঢ়াৰ জিলমিলনি। অন্যায়-অধৰ্মক নেওচি ন্যায় প্ৰতিষ্ঠাৰ সততাক পৰিবেশ-পৰিস্থিতিয়ে ইন্ধন যোগায়। ডেকা শক্তি গৰজি উঠে। পৰিবৰ্ত্তন অৱশ্যম্ভাৱী হৈ উঠে।"

১৯৭৩-৭৪ ইং চনত গুজৰাটৰ আৰু তাৰ পিছতে বিহাৰৰ যুৱ-ছাত্ৰসকলৰ আন্দোলনৰ নেতৃত্বত থকা লোকনায়ক জয় প্ৰকাশ নাৰায়ণৰ এই উক্তি অসমৰ ক্ষেত্ৰটো আজি সত্য বুলি পৰিগণিত হ'ল। যুৱ ছাত্ৰ শক্তি ৰাষ্ট্ৰৰ থাই শক্তি। সুস্থ সমাজ কিম্বা দেশ গঠনত এই শক্তি সদায়ে অগ্ৰগণী। অসমৰ যুৱ ছাত্ৰসকলেও আজি সংঘবদ্ধ ভাবে দেশৰ স্বাৰ্থতে বীৰত্বেৰে যুঁজি শেষত ৰাজনৈতিক ভাবেও বিৰাট এটা পৰিবৰ্ত্তন সম্ভৱ কৰি পৃথিবীৰ বুকুত জিলিকি উঠিল। কিন্তু এইখিনিতে উল্লেখনীয় যে ভাৰতবৰ্ষৰ ছাত্ৰ সমাজৰ দৰে অথবা অন্য প্ৰদেশৰ (ভাৰতবৰ্ষৰ অন্তৰ্গত ছাত্ৰ সমাজৰ দৰে অসমৰ ছাত্ৰ সমাজো এ মঞ্চৰ অন্তৰ্ভূক্ত নহয়। ছাত্ৰসমাজৰ বহুটো সং ঠন অসমতো আছে। বিশেষকৈ সৰ্ব্বভাৰতী ৰাজনৈতিক দলবোৰৰ ছত্ৰছায়াত থকা ছা সংগঠনটোৰ শাখা সংগঠন অসমৰ ছাত্ৰ সমাজ দেখা যায়। কিন্তু অসমত অৰাজনৈতিক ছা সংগঠন ; বিশেষকৈ সদৌ অসম ছাত্ৰ স প্ৰভাৱ আৰু শক্তি কিম্বা লক্ষ্য-উদ্দেশ্য আ কাৰ্য্যাৱলী অনন্য। অসমৰ সাম্প্ৰতিক প ৰৰ্ত্তিত ৰাজনৈতিক পটভূমিৰ মূল শিপা স অসম ছাত্ৰ সন্থাহে। সংগঠনৰ কালৰ পৰা অ যুৱ ছাত্ৰ সংগঠন এই পৰিবৰ্ত্তনৰ অংশীদাৰ কে য়াওঁ হব নোৱাৰে। অসমৰ যুৱ ছাত্ৰৰ বৃহদাংশই এই সংগঠনৰ কৰ্মী ; যি সকলৰ অ পৰিশ্ৰমৰ ফলশ্ৰুতিয়ে যোৱাটো নিৰ্ব্বাচনত আ লিক দলক বিজয়ী কৰি তুলিলে।

এইখিনিতে মন কৰিব লগীয়া যে পৰিবৰ্ অসমৰ ৰাজনৈতিক পটভূমিত সদৌ অসম সন্থাৰ ভূমিকা মুখ্য যদিও ছাত্ৰসন্থা এক স অৰাজনৈতিক সংগঠন। দেশৰ বৃহত্তৰ স্বা ছাত্ৰসন্থাই যোৱাটো নিৰ্ব্বাচনত ৰাজনৈতিক এটা পৰিবৰ্ত্তনৰ গুৰুত্ব উপলব্ধি কৰিয়েই আ লিক দলৰ সপক্ষে সমৰ্থন দি প্ৰত্যক্ষ বা প ভাবে বিজয়ী কৰিলে যদিও, ছাত্ৰসন্থা 'গণপৰি ছা সংগঠন নহয়। ৰাইজৰ আশাক ছাত্ৰ বাস্তৱত ৰূপ দিলে কিন্তু গণ পৰিষদৰ চৰকা আগৰ চৰকাৰৰ পথ অনুসৰণ কৰিলে উচিত পন্থা অৱলম্বন কৰিব বুলি ছাত্ৰ সাকিয়াই থৈছে। ০ ০



# প্ৰশ্নোত্তৰ শিতান

[ বড়িয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ আমালৈ অহা বিভিন্ন প্ৰশ্নৰ বাবে আমি এই শিতানটো 'বড়িয়া কলেজ আলোচনী'ৰ এই সংখ্যাত পুনৰ অন্তৰ্ভূক্ত কৰিলোঁ। উত্তৰ দিছে আলোচনী সম্পাদক আৰু সাধাৰণ সম্পাদক ক্ৰমে সীমান্ত শালৈ আৰু দীপক দাসে। ]

তাৰিণীকান্ত কলিতা

? বড়িয়া মহাবিদ্যালয় প্ৰতিষ্ঠা হোৱাৰ একুৰি দুই বছৰ পিছত "বিজ্ঞান শাখা" খোলা হয়। আৰু কেইকুৰি, কিমান বছৰ পিছত "বাণিজ্য শাখা" খোলা হব?

: আচলতে আপুনি প্ৰশ্নটো বড়িয়া মহাবিদ্যালয় কৰ্তৃপক্ষক সোধাহে উচিত আছিল। আমি ইয়াকে কব পাৰো যে আপোনাৰ দৰে যদিহে কৰ্তৃপক্ষ, স্থানীয় ৰাইজ তথা ছাত্ৰ সমাজ এই ক্ষেত্ৰত সজাগ হয় ; তেন্তে অচিৰেই "বাণিজ্য শাখাৰ" প্ৰৱৰ্ত্তন আমাৰ মহাবিদ্যালয়ত হৈ যাব। নে-কি কয়?

ৰামেশ্বৰ কলিতা

? আমাৰ মহাবিদ্যালয়ত নতুনকৈ খোলা "বিজ্ঞান শাখা"ৰ উন্নয়নৰ বাবে ভবা হৈছেনে?

: একে আষাৰে নভবা বুলি কৈ দিব নোৱাৰি। সময়ত কব পৰা যাব।

ভূপালী নাথ

? আপুনি বড়িয়া কলেজ আলোচনীৰ চতুৰ্দশ সংখ্যা প্ৰকাশ কৰিবলৈ যাওঁতে লিখনি আদিৰ বাবে উজুটি খাইছিল নেকি?

: নোখোৱাকৈ থকা নাই অৱশ্যে।

দিলীপ ডেকা

? ক) বড়িয়া মহাবিদ্যালয়ত আজি ছয় বছৰে স্থায়ী অধ্যক্ষ এজন নিযুক্তি দিব পৰা নাই কিয়?

: প্ৰকৃত উত্তৰটো কৰ্তৃপক্ষৰ হাতত। আমাৰ মতে নিযুক্তি দিব নোৱাৰাৰ মূল কাৰণ হ'ল ইয়াৰ সতে সংশ্লিষ্ট বিভিন্ন জনৰ স্বাৰ্থপৰতা, ৰাজনৈতিক কু-চক্ৰান্ত অথবা কৰ্তৃপক্ষৰ দায়িত্ব হীন উদাসীনতা।

? খ) বড়িয়া মহাবিদ্যালয় ছাত্ৰসন্থাৰ এইক্ষেত্ৰত মতামত কি? সমস্যাটো সমাধা কৰাৰ বাবে কিবা ব্যৱস্থা লৈছেনে?

ঃ এইক্ষেত্ৰত ৰঃ মঃ ছাত্ৰ সন্থাৰ মতামত স্পষ্ট। উপযুক্ততাৰ ভিত্তিত ন্যায়িক দৃষ্টিকোণৰ পৰা বৰ্ত্তমানৰ উপাধ্যক্ষ তথা ভাৰপ্ৰাপ্ত অধ্যক্ষজনাক স্থায়ী অধ্যক্ষ হিচাপে নিযুক্তি দিবলৈ ছাত্ৰ সন্থাৰ তৰফৰ পৰা দাবী জনোৱা হৈছে।

ছাত্ৰ সন্থাৰ দাবী মহাবিদ্যালয় কৰ্তৃপক্ষ তথা চৰকাৰ কৰ্তৃপক্ষক ইতিমধ্যে জনোৱা হৈছে। নিৰ্দ্ধাৰিত সময়ত দাবী উপেক্ষা কৰা হলে ছাত্ৰসন্থাই বিহীত ব্যৱস্থা লোৱাৰ বাবেও বাধ্য হব বুলিও জনোৱা হৈছে।

দীপক কলিতা।

? আমাৰ মহাবিদ্যালয়ত সততে ঘটি থকা-কুকাৰ্য্যবোৰ (যেনে—'প্ৰাচীৰ পত্ৰিকা ফালি পেলোৱা, মাইকচেটৰ সামগ্ৰী, খেলৰ সামগ্ৰী আদি চুৰ কৰা) কিহৰ পৰিচায়ক বাৰু?

ঃ নৈতিকতাহীনৰ পৰিচায়ক।

ৰমেন দাস

? আমাৰ মহাবিদ্যালয়ত অবাধ ৰাজহ চলোৱা গৰুবোৰৰ বাবে গোবৰে-মূতে মহাবিদ্যালয়ৰ চৌদিশ (শ্ৰেণী, কোঠা, বাৰান্দা পৰ্য্যন্ত) লেতেৰা হৈ থকাটো সুস্থ শৈক্ষিক পৰিবেশৰ—প্ৰয়োজনীয়, বোধ হয়?

ঃ হয় নিশ্চয়। নহলে কলেজ কৰ্তৃপক্ষই ইয়াৰ বাবে বিহীত ব্যৱস্থা ললেহেতেন।

মদন গোস্বামী।

? ইমান কষ্টৰ বিনিময়ত পোৱা অসম চুক্তি মতে এতিয়া কিমান বিদেশী বহিস্কৃত কৰা হব?

ঃ চুক্তিমতে যিমান বিদেশী চিনাক্তকৰণ হব, সিমানেই বহিস্কৃত হব লাগিব।—

তপন বৰুৱা।

? ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ বহুলাংশই হেনো দলীয় ৰাজনীতিৰ অন্তৰ্ভু

ঃ নিশ্চয় নহয়। মহাবিদ্যালয় ছাত্ৰ স সাধাৰণ নিৰ্ব্বাচনত অৰাজনৈতিক সংগঠন সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰা বিপুল জয়লাভেইবা হলহেতেন কিদৰে?

খগেন দাস

? বিগত অসমান্দোলনৰ সফলতাত আটাই বৰঙণি কাৰ বেচি বাৰু?

ঃ ব্যক্তিগত স্বাৰ্থৰ উৰ্দ্ধত মাথো দেশ জাতিৰ বৃহত্তৰ স্বাৰ্থতে সন্মুখ সমৰত অৱ হৈ, অহিংসাৰ অজেয় অস্ত্ৰেৰে যুঁজি যি সকলে নিজকে বিলীন কৰি, অ ইতিহাসত জীৱন্ত অধ্যায়ৰ সূচনা কৰি গ'ল সেই সকলৰ।

নৃপেন কলিতা

? অসমান্দোলনৰ সফলতাত নিহিত সত্যটো কি বাৰু?

ঃ ন্যায়ৰ জয়।

ৰমণী ৰাজবংশী

? গুৱীয়াল নহলে ভাটীমূৱা নাৱো হেনো ভ্ৰান্ত হয়। কিন্তু গুৱীয়াল [অধ্যক্ষ] নো ৱাকৈ ৰঙিয়া মহাবিদ্যালয় যোৱা পাঁচ বছৰে চলিছে কিদৰে বাৰু?

ঃ কৰ্তৃপক্ষই কিদৰে চলাইছে বা?

লীলাধৰ শালৈ

? ক] ৰঙিয়া মহাবিদ্যালয়ৰ আভ্যন্তৰিকতা বি



ৰোৰ মহাবিদ্যালয়ৰ তুলনাত চৰম লজ্জাজনক। যিটো সময়ত ইয়াতকৈ বহু পিছত প্ৰতিষ্ঠা হোৱা মহাবিদ্যালয় বোৰত 'ছাত্ৰাবাস', বিজ্ঞান শাখা, বাণিজ্য শাখা, সুকীয়া প্ৰেক্ষাগৃহ আদিৰ লেখীয়া সমস্যাও চেৰাই গৈছে সেই সময়ত ৰঙিয়া মহাবিদ্যালয়ত প্ৰয়োজনীয় শ্ৰেণী কোঠা, ক'লা বিভাগত অসম্পূৰ্ণতা আদিও চিন্তা কৰিব লগীয়া হৈ আছে। এই ক্ষেত্ৰত দায়িত্বশীল সকলৰ উদাসীনতা তথা অক্ষমতা দেখি আচৰিত নহৈ নোৱাৰি। আমি এই স্থবিৰতাৰ পৰিবৰ্ত্তন বিচাৰো। অৱশ্যে এই ক্ষেত্ৰত ৰঙিয়াবাসী ৰাইজো জগৰীয়া। ৰাইজ সজাগ নহলে অকল কৰ্তৃপক্ষকে দোষ দি লাভ নাই নিশ্চয়।

কৰ্তৃপক্ষই এইবছৰৰ পৰা বিজ্ঞান শাখাৰ প্ৰৱৰ্ত্তন কৰাৰ বাবে ধন্যবাদ জনাইছো।

প্ৰতিবেদনৰ সামৰণিত আমাক বিভিন্ন কাৰ্য্য পালনত সহায়-সহযোগ আগ বঢ়োৱা বন্ধু-বান্ধৱী-সকললৈ তথা সৎ পৰামৰ্শ দি আমাক সৎপথেৰে অগ্ৰসৰ হোৱাত সহায় কৰা মহাবিদ্যালয়ৰ শিক্ষাগুৰু সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

শ্বহীদ সকলক পুনৰ শ্ৰদ্ধাৰে সুঁৱৰিছো। ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰিছো।

ৰঙিয়া মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি প্ৰতিবেদন সামৰিছো।

"জয় আই অসম"

জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা।

তাৰিখ ইং ২৫।১।৮৬ শ্ৰীদীপক দাস
সাধাৰণ সম্পাদক।

## সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ আৰম্ভণিতে সহঃ সাধাৰণ সম্পাদক হিচাপে সেৱা কৰিবলৈ সুযোগ দিয়া বাবে ৰঙিয়া মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা তথা বৈপ্লৱিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

সহঃ সাধাৰণ সম্পাদকৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই যিমানখিনি কৰিম বুলি ভাবিছিলোঁ সিমানখিনি কৰিব নোৱাৰিলোঁ। ক্ষমতাৰ সীমাবদ্ধতাৰ বাবেই। সেয়া হলেও মই কাৰ্য্যকালছোৱাত ছাত্ৰ-ছাত্ৰী সকলৰ স্বাৰ্থৰ বাবে কাম কৰিবলৈ চেষ্টাৰ ত্ৰুটী কৰা মনত নপৰে। তাৰোপৰি মহাবিদ্যালয় ছাত্ৰ-সন্থাৰ সৌজন্যত অনুষ্ঠিত মহাবিদ্যালয় সপ্তাহ, মহৰমপৰ্ব, সৰস্বতী পূজা, নৱাগত আদৰণি সভা আদি বিভিন্ন উৎসৱত সাধাৰণ সম্পাদকৰ প্ৰতিটো কামতে যৎপৰোনাস্তি সহায়-সহযোগ কৰিছিলোঁ।

ইং ১৯৮৫ চনৰ ১৫ আগষ্টলৈ সদৌ অসম ছাত্র-সন্থাৰ নির্দেশত অসম আন্দোলনৰ প্ৰতিটো কাৰ্য্যসূচীতে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী-সকলে নিষ্ঠা আৰু সততাৰে অংশ গ্ৰহণ কৰি কাৰ্য্যসূচী পালনত মহাবিদ্যালয় ছাত্র-সন্থাক সফল কৰা বাবে ছাত্ৰ-ছাত্ৰীসকললৈ ধন্যবাদ জনাইছোঁ।

বছৰটোত বিশেষ ভাৱে মোক সহায় আগ-বঢ়োৱা বন্ধু-বান্ধৱী তথা শিক্ষাগুৰুলৈ এই প্ৰতি-বেদনৰ জৰিয়তে কৃতজ্ঞতা জনালোঁ।

শেষত অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোল প্ৰাণ আহুতি দিয়া জ্ঞাত-অজ্ঞাত শ্বহীদ সকল শ্ৰদ্ধাঞ্জলি যাচিছোঁ। মোৰ অজ্ঞাত ভুল-ভ্ৰা বাবে ক্ষমা বিচাৰি বড়িয়া মহাবিদ্যালয়ৰ ভ ষ্যত উজ্বল হোৱাৰ কামনাৰে প্ৰতিবে সামৰিছোঁ।

"জয় আই অস

মঃ ৰকছেদ আহ

সহঃ সাধাৰণ সম্পাদ

ইং ১৯৮৪-৮৫

———

## সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন :—

সাংস্কৃতিক বিভাগৰ প্ৰতিবেদন লিখাৰ আৰম্ভণিতেই মই আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্র-ছাত্রী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সাংস্কৃতিক বিভাগৰ সম্পাদকৰ দায়িত্ব হাতত লৈ মোৰ কাৰ্য্যকালছোৱাত কিমানদূৰ সফল হৈছো কব নোৱাৰোঁ। তথাপিতো যিমানখিনি সফল হৈছো—ইয়াৰ অংশীদাৰ ছাত্র-ছাত্রীসকল।

দায়িত্বভাৰ পোৱাৰ পিছতে ইং ২২-২-৮৫ তাৰিখৰ পৰা আৰম্ভ হয় বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ। মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক বিভাগৰ তৰফৰ পৰা ছাত্র-ছাত্রী সকলৰ সাংস্কৃতিক উৎকৰ্ষ সাধনৰ বাবে বিভিন্ন প্ৰতিযোগিতা অ ষ্ঠিত কৰা হৈছিল। সংগীত, একাঙ্কিকা না কৌতুক অভিনয়, একক অভিনয়, ভেশচন আ বিভিন্ন প্ৰতিযোগিতাত বহু সংখ্যক ছাত্র-ছাত্রী যোগদান কৰে, যিটো আমাৰ বাবে গৌৰ বিষয়। অৱশ্যে এইখিনিতে আমি উল্লেখ নক নোৱাৰো যে প্ৰতিযোগী অনুপাতে ছাত্র-ছা উপস্থিতি তেনেই তাকৰীয়া আছিল। আন গুৰুত্বপূৰ্ণ দিশ হ'ল আমাৰ মহাবিদ্যালয়ত সাংস্কৃতিক বিভাগৰ বিভিন্ন অভাৱ।

মাত্ৰ দুবিধ বা তিনিবিধ বাদ্যযন্ত্ৰৰ ইমান ছাত্র-ছাত্রীৰ মাজত সঙ্গীতৰ উন্নয়নৰ বা





বহুত খাম খেয়ালী থকা বুলি শুনিবলৈ পাওঁ আৰু যাৰ ফলস্বৰূপে আজি 'ছ' বছৰে এজন স্থায়ী অধ্যক্ষ নিযুক্তি দিব পৰা নাই। এই ক্ষেত্ৰত আপোনালোকৰ কাৰ্য্যনিৰ্ব্বাহকে কিবা ব্যৱস্থা হাতত লৈছিল নেকি?

: দিলীপ ডেকাৰ [খ] প্ৰশ্নোত্তৰ চাওঁক।

? [খ] বড়িয়া মহাবিদ্যালয়ৰ ইতিমধ্যে প্ৰকাশিত আলোচনীবোৰৰ বেছিভাগে সমাদৰ লাভ কৰিব পৰা নাই। এই ক্ষেত্ৰত আপোনাৰ দ্বাৰা প্ৰকাশিত চতুৰ্দশ সংখ্যাটো ব্যতিক্ৰম হব নেকি বাৰু?

: "ব্যতিক্ৰম" মানে আপুনি যদিহে সমাদৰ লভাটোকে বুজাইছে তেন্তে 'ব্যতিক্ৰম' কৰাৰ চেষ্টাৰ ত্ৰুটি কৰা নাই। অৱশ্যে সকলো নিৰ্ভৰ কৰিছে আপোনাৰ দৰে সচেতন পাঠকৰ মতামতৰ ওপৰতহে। নহয় জানো?

০কুমুদ চন্দ্ৰ শালৈ

? কলেজত পঢ়া ছাত্র-ছাত্রীবোৰৰ সৰহ সংখ্যকে হেনো কলেজত ভৰি দিয়েই প্ৰেমত পৰি হাবাথুৰি খায়। আপুনি একা?

: ব্যতিক্ৰম নহওঁ দেই। আপুনি পৰিল নে নাই? পৰা নাই যদিহে আপোনাৰ বিপদ আছে দেই। জীৱন গঢ়ো বুলি মহাবিদ্যালয় খনলৈ আহি আপুনি যদি এই পৱিত্ৰ অনুষ্ঠানটোৰ প্ৰেমতে পৰিব নোৱাৰে। তেন্তে "?

দীপক ডেকা

? [ক] বড়িয়া মহাবিদ্যালয়ৰ স্থায়ী অধ্যক্ষ নিযুক্তিত ইমান পলম হোৱাৰ প্ৰকৃত কাৰণ কি বাৰু?

: দিলীপ ডেকাৰ প্ৰশ্নোত্তৰ চালেই বুজিব পাৰিব।

? [খ] অসম গণ পৰিষদ চৰকাৰ গঠন কৰাত ছাত্র সন্থাৰ ভূমিকা অসীম। এতিয়া প্ৰতি-শ্ৰুতি অনুযায়ী এই চৰকাৰে কাম নকৰিলে ছাত্র সন্থাই কি ভূমিকা লব?

: অসমৰ জনসাধাৰণৰ স্বাৰ্থৰ অনুকুলে গণ-পৰিষদ চৰকাৰেওঁ যদিহে কাম কৰাত অৱ-হেলা কৰে তেন্তে ছাত্ৰসন্থাই কেতিয়াও নীৰৱে নাথাকে। অৱশ্যে কি ভূমিকা লব সেয়া সময় আৰু পৰিস্থিতিয়েহে নিৰ্ণয় কৰিব।

——

"উত্তৰ-পূৱ ভাৰতত থকা বিভিন্ন জাতি উপজাতিৰ মাজত ভাবৰ আদান-প্ৰদান কৰিবৰ বাবে মূল অসমীয়া ভাষাৰ প্ৰয়োজন অধিক বুলি কব খোজো। উদাহৰণ স্বৰূপে এজন কাৰবি আৰু এজন নগাৰ ভিতৰত কথা-বতৰা পাতিবলৈ হলে মূল অসমীয়া ভাষাৰ সহায় লব লাগে। এতেকে এই দৃষ্টিকোণৰ পৰা বিবেচনা কৰিলে মূল সংযোগী ভাষা স্বৰূপে মূল অসমীয়া ভাষাৰ গুৰুত্ব উপলব্ধি নকৰি নোৱাৰি।"

ৰংবং তেৰাঙ

# ইং ১৯৮৪।৮৫ চনৰ ছাত্ৰ সন্থাৰ বিষয়ববীয়া সকলৰ বছৰেকীয়া প্ৰতিবেদন

## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

দেশ আৰু জাতিৰ অস্তিত্বৰ সংগ্ৰামত প্ৰাণাহুতি দিয়া অসমৰ মহান শ্বহীদ সকললৈ শ্ৰদ্ধা আৰু অশ্ৰু-অঞ্জলি যাছিলোঁ।

বড়িয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ ইং ১৯৮৪-৮৫ চনৰ সাধাৰণ সম্পাদক হিচাপে সদৌ অসম ছাত্ৰ সন্থাৰ পৱিত্ৰ পতাকাৰ তলৰ পৰা নিৰ্ব্বাচিত কৰি মোক সেৱা কৰিবলৈ সুযোগ দিয়া সংগ্ৰামী বন্ধু-বান্ধবী সকললৈ প্ৰতিবেদনৰ পাতনিতে সংগ্ৰামী শুভেচ্ছা আৰু ধন্যবাদ জ্ঞাপন কৰিছো।

১৯৮৫ চনৰ ১২ জানুৱাৰীৰ দিনা বড়িয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ দায়িত্বভাৰ লৈ আমি পৰম্পৰাগত ভাবে "বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ" [ইং ২২-২-৮৫ তাৰিখৰ পৰা ইং ২৫-২-৮৫ তাৰিখলৈ], "সৰস্বতী পূজা," "পৱিত্ৰ মোহাৰ্ৰম পৰ্ব্ব," "নৱাগত আদৰণি সভা" [ইং ২২-১১-৮৫ তাৰিখে] আদি অনুষ্ঠানসমূহ উলহ-মালহেৰে পালন কৰিছিলোঁ। এইবোৰৰ উপৰিও "সম্বৰ্দ্ধনা" সভা [মহাৰিদ্যালয়ৰ কৃতী ছাত্ৰক ছাত্ৰসন্থাৰ তৰফৰ পৰা আনুষ্ঠানিক ভাবে সম্বৰ্দ্ধনা জনোৱা হয়] "শ্বহীদ স্মৃতি সভা [৮ আগষ্ট ইং ১৯৮৫], শোক সভা [দেশৰ ভালেকেইজন বৰেণ্য ব্যক্তিৰ মৃত্যুত] আদিও অনুষ্ঠিত কৰা হয়।

বছৰটোত সদৌ অসম ছাত্ৰ সন্থাৰ ঘোষিত অসমান্দোলনৰ সমূহ কাৰ্য্যসূচী সফলতাৰে পালন কৰাৰ উপৰিও ২২ ডিচেম্বৰৰ শ্বহীদ দিবস এক গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশত পালন হয়। ইং ১৯৮৫ চনৰ ১৫ আগষ্টৰ পুৱা নিশা দিল্লীত স্বাক্ষৰিত হোৱা ঐতিহাসিক চুক্তিৰ পৰিপ্ৰেক্ষিতত ইং ১৬-৮-৮৫ তাৰিখে বড়িয়া আঞ্চলিক ছাত্ৰ সন্থাৰ আহ্বানত উলিওৱা শোভাযাত্ৰাত বড়িয়া মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। আমি আজি প্ৰতিবেদনৰ জৰিয়তে বড়িয়া মহাবিদ্যালয়ৰ সংগ্ৰামী বন্ধু-বান্ধবী তথা সদৌ অসম ছাত্ৰ সন্থাৰ নিষ্ঠাবান কৰ্মীলৈ তেওঁলোকৰ বিগত অসমান্দোলনত জোগোৱা বৰঙনিৰ বাবে এইক্ষেত্ৰত মহাবিদ্যালয় ছাত্ৰ সন্থাক কাৰ্য্যসূচীসমূহ সফল কৰি তোলাত সহায়-সহযোগ আগবঢ়োৱা বাবে ধন্যবাদ জ্ঞাপন কৰিছো;

বড়িয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ অভাৱ অভিযোগৰ কথা প্ৰতিবেদনত উল্লেখ কৰি আন সম্পাদক সকলৰ কথাকে পুনৰাবৃত্তি কৰাৰ ইচ্ছা আমাৰ নাই। কিন্তু অপ্ৰিয় হলেওঁ কওঁ প্ৰতিষ্ঠাৰ বাইশ-তেইশ বছৰ পিছতো আমাৰ মহাবিদ্যালয়ৰ উন্নয়নৰ যিটো গতি সেয়া অতি





